# ঠাংফাই



**জাংফাই** প্ৰথম বছৰ, প্ৰথম সংখ্যা, অক্টোবৰ ২০২৫


## সম্পাদনা কক্ষ

**মুখ্য উপদেষ্টা**
সঞ্জীৱ সভপণ্ডিত

**সম্পাদনা সমিতি**
ড° বাপুকণ চৌধুৰী
গংগাপদ চৌধুৰী
জয়কান্ত শৰ্মা

**কাৰ্যবাহী সম্পাদক**
উৎপল কুমাৰ দাস

**সহযোগী সম্পাদক**
শান্তনু কোঁৱৰ

**প্ৰচ্ছদ**
শিৱপ্ৰসাদ মাৰাৰ

**ৱেবসজ্জা**
কাব্যনীল তালুকদাৰ

**অংগসজ্জা**
প্ৰাঞ্জল পাঠক

**প্ৰকাশক**
অসম একাডেমি


### জাংফাইলৈ লেখা আহ্বান আৰু প্ৰেৰণৰ নিয়মাৱলী ঃ

১। ভৱিষ্যতমুখী, ইতিবাচক চিন্তাৰ যিকোনো লেখাই জাংফাইলৈ প্ৰেৰণ কৰিব পাৰিব।

২। নৱ প্ৰজন্মৰ লেখক-লেখিকাসকলৰ সৃষ্টিশীল লেখাক প্ৰধান্য দিয়া হ'ব।

৩। সকলো লেখাৰ লগত নিজৰ নাম, ঠিকনা, ই-মেইল আৰু যোগাযোগ নম্বৰ দিব লাগিব।

৪। লেখাবোৰ জাংফাইৰ ই-মেইল আইডি jaangfaai@gmail.com আৰু ০৯১০১৬ ৫২০৩৪ নম্বৰত হোৱাটচ এপ কৰিব পাৰিব।

৫। সকলো লেখা প্ৰকাশৰ উপযোগী সম্পৰ্কীয় সিদ্ধান্ত সম্পাদনা সমিতিৰ দ্বাৰাহে চুড়ান্ত কৰা হ'ব।

(বি.দ্ৰ. **জাংফাই** অসম একাডেমিৰ সন্মানীয় সদস্যসকল, একাডেমিৰ সৈতে জড়িত শুভাকাংক্ষী আৰু পঢ়ুৱৈসকলৰ বাবেহে সংৰক্ষিত।)


**Jaangfaai** literary and cultural magazine
ড° বিৰিঞ্চি কুমাৰ বৰুৱা সংস্কৃতি ক্ষেত্ৰ
ড° বি. কে. বৰুৱা পথ, চানমাৰি, গুৱাহাটী- ৭৮১০০৩
ই-মেইল : assamacademyfcr@gmail.com, jaangfaai@gmail.com | ফোন : ০৯১০১৬ ৫২০৩৪

**আংফাই** সাহিত্য-সংস্কৃতিবিষয়ক আলোচনী
প্ৰকাশ কাল ● অক্টোবৰ, ২০২৫

# সূচীপত্ৰ


| | | |
|---|---|---|
| এটি ইলিজি | গিৰীশ দত্ত | ১ |
| বাটচ'ৰা | সঞ্জীৱ সভাপণ্ডিত | ২ |
| **মূল প্ৰবন্ধ** | | |
| কৃত্ৰিম বুদ্ধিমত্তা | ইন্দ্ৰনীল তালুকদাৰ | ৪ |
| **প্ৰকৃতি** | | |
| প্ৰকৃতি সুৰক্ষাৰ প্ৰভাৱশালী চিন্তন ঃ জৈৱ-বৈচিত্ৰ্য তথা পৰিৱেশ সংৰক্ষণ আৰু ভাৰতীয় দৰ্শন | সৌম্যদ্বীপ দত্ত | ৮ |
| **কবিতা** | | |
| শংখধ্বনিৰ সৰৱ নিনাদ হে | স্নেহাংকৰ | ২৫ |
| খুনা-খুনি খেলোঁ আহা | অপৰাজ | ২৬ |
| চহৰখনত যেতিয়া জুই লাগে | প্ৰশান্ত কুমাৰ বৰুৱা | ২৭ |
| কেঁচি | বিজয় শংকৰ বৰ্মন | ২৮ |

কবিতাৰ শিল্পকৰ্ম ঃ জয়ন্ত তুইচিন্দ্ৰাই

| | | |
|---|---|---|
| **শিক্ষণ- বীক্ষণ** | | |
| স্মৃতিশক্তি, বুদ্ধিমত্তা আৰু ৰুবিক্স কিউব | কাব্যনীল তালুকদাৰ | ২৯ |
| **গল্প** | | |
| এটা বাতিল গল্প | প্ৰশান্ত কুমাৰ দাস | ৩২ |
| প্ৰতেত্নঃ ৰাৱণ_১০২০ @ ফেণ্টাছী.কম | মৌচুমী কন্দলি | ৪০ |
| মহন্তৰ সন্তাপ— গোসাঁইৰ উত্তাপ | গংগাপদ চৌধুৰী | ৪৮ |

# এটি ইলিজি

✍ গিৰীশ দত্ত




সমাজে নিৰ্দিষ্ট কৰি দিয়া
যথাযথ কক্ষপথৰ বেষ্টনী ওফৰাই
সিটি নক্ষত্ৰই নিজে তৈয়াৰ কৰি লৈছিল
নিজৰ কক্ষপথ
খেয়ালী বেপৰোৱা উদ্দাম মনটোৰে
গান সুৰ আৰু কথাৰে প্ৰেৰণাৰ
মুকুতা সিঁচি সিঁচি
আপোন বিভোৰতাৰে ভ্ৰমি ফুৰিছিল
বিৰ দি বাট নোপোৰা মানুহৰ মাজত
নিজৰ কক্ষপথেৰে সদম্ভে।
মানুহবোৰৰ বুকুৰে বুকুৰে
এচটা ঘন আন্ধাৰ বুলাই দি
জাতিটোৰ সূৰ্যোদয়ৰ অপাৰ আকুলতাক
এন্ধাৰ ক'লা এখন চাদৰেৰে
হেঁচা মাৰি থৈ
আচম্বিতে খহি পৰিল ধ্ৰুৱ নক্ষত্ৰটি
আকাশ ফালি।
অক্লান্ত শ্ৰমৰ সমস্ত আৰ্জন
আৰ্তজনৰ হাতত গুজি দি
জীৱন উদযাপনৰ সন্তুষ্টিৰে
আপোন মনে ভ্ৰমি ফুৰা
সেই অনন্য উদাৰ কলিজাটো
হঠাতে নিঠৰ হৈ গ'ল
কোনো দিনে আৰু প্ৰসাৰিত কৰিব নোৱাৰাকৈ
সেই দুখন উদাৰ সৰগী হাত
চিৰদিনৰ বাবে জঠৰ কৰি দিলে সাগৰে।
উদ্দাম ল'ৰাটোৰ মনৰ বিশালতা দেখি
ঈৰ্ষান্বিত হৈছিল নেকি সাগৰৰ বিশালতা,
নহ'লে কিয় চেগ পাই
এবুকু পানীতেই
সাগৰে তাৰ উকমুক উশাহটো
হেঁচা মাৰি
চিৰদিনলৈ তাক দিলে শুৱাই,
মৃত্যু ইমানেই সহজ নে?

এইবেলি ব'হাগ তই
জাতিটোৰ চকুত লাগি থকা
চকুপানীখিনি মচি
বুকুত লিপিটখাই লাগি ৰোৱা
এন্ধাৰ ক'লা চাদৰখন গুচাই
কেনেকৈ জাতিটোক নচুৱাবি
যাৰ গানৰ পিঠিত উঠি
নামি আহ, আহ ব'হাগ তই
সেই গানেই চোন গুচি গ'ল।

*(সদ্যপ্ৰয়াত সংগীতশিল্পী জুবিন গাৰ্গলৈ শ্ৰদ্ধাঞ্জলি)*

দূৰভাষ ঃ ০৯৪৩৫৫ ৫৩২৯০

# বাটচ'ৰাত

✍ সঞ্জীৱ সভাপণ্ডিত

১৯৬০ চনত, এক ঐতিহাসিক প্ৰয়োজনত, অসম একাডেমিৰ জন্ম হৈছিল। এফালে নিজৰ ৰাজ্যত নিজৰ ভাষাৰ চৰকাৰী অস্তিত্ব তথা স্বীকৃতিৰ বাবে আমাৰ মানুহে ৰাজহুৱাকৈ আন্দোলন কৰিব লগা হৈছিল আৰু আনফালে ভৌগোলিকভাৱে তেতিয়াৰ অসমৰ ৰাজনৈতিক মানচিত্ৰৰ ভিতৰুৱা পাহাৰীয়া জনজাতিসকলে সন্দেহ আৰু বিতৃষ্ণাৰ চকুৰে অসমীয়াক ত্যাগ কৰিছিল। নেফা বৰ্তমানৰ (অৰুণাচল প্ৰদেশ), নগা পাহাৰ (বৰ্তমানৰ নাগালেণ্ড), লুচাই হিলচ্ (বৰ্তমানৰ মিজোৰাম) খাচীয়া-জয়ন্তীয়া, গাৰো পাহাৰ (বৰ্তমানৰ মেঘালয়) এইবিলাকত সকলোতে অসমীয়া মানুহেই স্কুল, হস্পিতাল পাতিছিল, ৰাস্তা সাজিছিল, খোৱা পানী দিছিল, বিজুলী বাতি জ্বলাইছিল। অফিচ-কাছাৰীও অসমীয়া মানুহেই চলাইছিল। স্কুল খুলিব লাগে বুলি তাৰ মানুহৰ বেমাৰ হৈছে বুলি, নৱ বিবাহিতা পত্নীকো ঘৰতে এৰি আমাৰ মানুহ পাহাৰৰ কামলৈ দৌৰিছিল।

কিন্তু বৃটিছে এডাল ৰেখাৰ ভিতৰলৈ সিবিলাকক অনাৰ বাহিৰে অসমীয়াৰ লগত কাৰো সম্বন্ধ বা একাত্মতা বা তেনে কোনো আত্মিক বান্ধোন সৃষ্টি নহ'ল। অলপ কথাতেই সকলোবোৰ 'তথাকথিত' অসমৰ পৰা বিচ্ছিন্ন হৈ গৈছিল। তেওঁলোকৰ কোনেও অসমৰ প্ৰতি এক বিন্দু কৃতজ্ঞতাও প্ৰকাশ নকৰিলে। এটা উদাহৰণ দিব পাৰি -মেঘালয় গঠন হোৱাৰ পিছত, তাত অসমৰ টকাৰে-অসমীয়া মানুহৰ জ্ঞান, চিন্তা, পৰিশ্ৰমেৰে স্থাপন হোৱা বিদ্যুৎ প্ৰকল্পৰ পৰা এক মেগাৱাট বিদ্যুতো অসমে ৰেহাই মূল্যত নাপালে। বৃটিছে অসমীয়াৰ মনত সৃষ্টি হ'বলৈ দিয়া False Ego টো খহি পৰিছিল। উত্তৰ পূব ভাৰতৰ ইমান বৈচিত্ৰ সামৰি ধৰি ৰাখিব পৰাকৈ অসমীয়াৰ কোনো সামৰ্থ্যও অৱশ্যে কেতিয়াও হোৱা নাছিল আৰু এতিয়াও নাই। 'নেফা', Verrier Elwin নামৰ এজন বিশেষজ্ঞ নৃতত্ত্ববিদৰ প্ৰত্যয় আৰু প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহেৰুৰ ওপৰত থকা তেওঁৰ প্ৰভাৱৰ বাবে, নিজস্ব ৰীতি-নীতিৰে সংৰক্ষিত হৈ থাকিল। সেই কাৰণে তাত খ্ৰীষ্টান ধৰ্মও সোমাব নোৱাৰিলে। কিন্তু বাকী কেইখন ঠাই খ্ৰীষ্টধৰ্মই ঢৌৱাই নিলে আৰু তাৰ মানুহৰ জীৱন বৃত্তান্ত সলনি হৈ গ'ল। তেওঁলোকৰ নিজৰেই ইতিহাস নোহোৱা হৈ পৰিল। সত্ৰীয়া সংস্কৃতি আৰু বৌদ্ধ-শৈৱ-প্ৰকৃতি উপাসনাৰ পৰা উদ্ভুত জনজাতীয় সংস্কৃতিয়ে জন্ম দিয়া অসমৰ সংস্কৃতি-সাহিত্য-কলা-শিল্প-খাদ্যপ্ৰণালী-আশা-আকাংক্ষা সকলো বিলাক সিবিলাকৰ পৰা বহু দূৰৈত ৰৈ গ'ল। আৰু তাৰ ফলত এই সকলোবিলাকৰ লগত অসমৰ মানসিক ব্যৱধান বহুযোজন দূৰলৈ বিয়পি পৰিল।

তাৰ মাজতে সিবিলাকৰ বহুতৰে হতাশা, দ্বন্দ্ব, অশান্তি, খং-ক্ষোভ বিলাকে সামগ্ৰিক বিদ্ৰোহৰ ৰূপ ল'লে আৰু বহুতৰ মন, অসম তথা অসমীয়াৰ প্ৰতি ঘৃণাৰে ভৰি পৰিল। সকলোবিলাক কথাই ৰাজনৈতিক লক্ষ্যৰ জন্ম দিলে আৰু এখন এখনকৈ এইবিলাক একোখন একোখন ৰাজ্য হৈ পৰিল (নগালেণ্ড ১৯৬৩ চনত, মেঘালয় ১৯৭২ চনত, অৰুণাচল ১৯৮৭ চনত, মিজোৰাম ১৯৮৭ চনত)।

১৯৬০ চনৰ সেই অস্থিৰ সময়ছোৱাতে প্ৰখ্যাত লোক সংস্কৃতিবিদ বিৰিঞ্চি কুমাৰ বৰুৱাৰ চিন্তাৰ ফলত

এই অনুষ্ঠানৰ জন্ম হ'ল। মূল ধাৰণাটো আছিল যে উত্তৰ-পূৱ ভাৰতৰ এই ৰাজ্যকেইখনৰ নিয়তি একেডাল সুতাৰে বন্ধা আছে। It is a land locked place surrounded alomost on all sides by hostile countries. গতিকে ৰাজনীতিয়ে কি গতি কৰে সেইটো বেলেগ কথা, কিন্তু আমাৰ মাজৰ বহুত কথা-কাহিনী-সাধু-গল্পৰ মাজেৰে আমাৰ এখন সমন্বয়ৰ ক্ষেত্ৰও আছে। তেনে চিন্তাৰ ফলেস্বৰূপে অসম একাডেমিৰ বুকুতে Anglo Assamese Garo Dictionary ৰ নিচিনা অতীব প্ৰয়োজনীয় গ্ৰন্থৰো সৃষ্টি ১৯৬০ ৰ দশকতেই। তাৰ পিছত লুইতেদি বহু পানী বৈ গ'ল আৰু আজি ২০২৫ চনত আমি মানব প্ৰযুক্তি সভ্যতাৰ এক চমকপ্ৰদ অৱদান-কৃত্ৰিম বুদ্ধিমত্তাৰ যুগৰ মাজেৰে ধাৱমান।

এনে পৰিস্থিতিত আমি অতীতৰ হাতত ধৰি ভৱিষ্যৎমুখী হোৱাৰ বাহিৰে গত্যন্তৰ নাই। এই প্ৰচেষ্টাৰ অংগ হিচাবে আমাৰ মানসিক জগতখনৰ বুৰবুৰণিবিলাক প্ৰতিফলিত হোৱাকৈ এই আলোচনীৰ জন্ম দিয়া হৈছে। আমি আমাক জানিবও লাগিব আৰু ভৱিষ্যতেও আমাক জানিব লাগিব। 'অসমীয়া মানুহে অমুক নকৰিলে বা কৰিলে কাৰণে তমুক আমাৰ পৰা আঁতৰি গ'ল' ধৰণৰ মানসিকতাৰ পৰা আমি মুক্ত হৈ থাকিবলৈ বিচাৰো। ৰামায়ণৰ স্ৰষ্টা বাল্মিকীৰ পূৰ্বৰূপ দস্যু ৰত্নাকৰৰ কোনো কাৰ্যৰ বাবে যেনেকৈ তেওঁৰ পৰিয়ালৰ মানুহে কোনো দোষ বা পাপৰ বোজা ল'বলৈ অস্বীকাৰ কৰিছিল, আমিও আমাৰ পূৰ্বজ কাৰো ভুলৰ বাবে দোষী নহয়। ইতিহাসক বৰ্তমানলৈ বা ভৱিষ্যতলৈ টানি আজুৰি আনি থকাৰ কোনো প্ৰয়োজন নাই।

কাৰো প্ৰতি আমি কোনো খং-ক্ষোভ-বেয়া ভাব নাৰাখো। আমি উদাৰ ভাবে বহল ভিত্তিত উত্তৰ পূব ভাৰতৰ সকলো মানুহ আৰু প্ৰকৃতিৰ কথা ক'বলৈ বিচাৰো-ৰাজনীতি আৰু যিকোনো ধৰণৰ গোড়ামিৰ পৰা নিলগত থাকি। তেওঁলোকৰ কথা অসমীয়া বা ইংৰাজীলৈ অনুবাদ কৰি ক'ম। চৰ-চাপৰি-বংগভাষী-হিন্দীভাষীৰ কথাও আনিম, আমাৰ জনজাতিৰ কথা যেনেকৈ আনিম।

কিন্তু মূলতঃ আমি কৃত্ৰিম বুদ্ধিমত্তাৰ বিস্ফোৰণ; তথ্য-প্ৰযুক্তিৰ জনজীৱনত প্ৰভাৱ যুৱ মানসিকতাৰ সঞ্চাৰণ আৰু সঞ্চালন, মানবীয় প্ৰমূল্যবোধক জীৱনদায়ক কৰি ৰখা কাম, উদ্ভাৱনমূলক কাম কাজ, যিবিলাক কিতাপ লিখা নহ'ল, যিবিলাক কাম কৰা নহ'ল, প্ৰযুক্তিৰ ৰেহ-ৰূপ, অৰ্থনৈতিক কাম কাজ, প্ৰকল্প ৰূপায়ণৰ Ground Zero report, প্ৰবাসী ভাৰতীয় অসমীয়াৰ এটা শিতান, প্ৰবাসী বিদেশী অসমীয়াৰ এটা শিতান আৰু এটা নৃতাত্বিক বিষয়ৰ শিতানেৰে প্ৰথমৰ কিছুমান সংখ্যা প্ৰকাশ কৰিম। গল্প-কবিতা-অনুবাদ-চিনেমা-উপন্যাস লিখাবলৈকো ব্যৱস্থা ল'ম। প্ৰকৃতি সাহিত্য (Nature writing) ৰ শিতান এটাও থাকিব গ্ৰন্থ সংবাদৰ লগতে।

প্ৰথম এবছৰমান কোনো লেখকক মাননী দিবলৈ আমি অপাৰগ। কিন্তু আমি আশা কৰিছো যে এই সময়ৰ ভিতৰতে আমি কিবা এটা Revenue Model গঢ়ি তুলিব পাৰিম। তেতিয়া উচিত বিচাৰেৰে মাননী প্ৰদান কৰা হ'ব। বৰ্তমানে অসমীয়া আৰু ইংৰাজী দুয়োটা ভাষাত আলোচনীখন প্ৰকাশ কৰা হ'ব। Audio format এটাৰ কথাও সময়ত হয়তো কাৰ্যকৰী কৰা হ'ব। এখন সম্পদনা সমিতিয়ে লেখাবিলাকৰ মান নিৰূপন কৰি প্ৰকাশৰ সিদ্ধান্ত ল'ব। এই আলোচনীতে অসম একাডেমিৰ অন্যান্য কাম-কাজৰ খতিয়ানো পাঠক সমাজে পাব।

আমি পৰিবৰ্তিত ভৱিষ্যতত কেনেদৰে আগবাঢ়ি যাব পাৰিম সেইটো সময়ে ক'ব। কিন্তু সমাজৰ অংগ হিচাবে পঢ়ুৱৈসকলে আমাক দিহা-পৰামৰ্শ দিব বুলিও আমি আশা কৰিম।


দূৰভাষ ঃ ৯৮৬৪০ ৪৪৪৭০

ই-মেইল ঃ sanjib57.sabhapandit@gmail.com

মুখ্য প্ৰবন্ধ

# কৃত্রিম বুদ্ধিমত্তা (Artificial Intelligence)

✍ ইন্দ্ৰনীল তালুকদাৰ



আমি দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা যন্ত্ৰসমূহৰ এটা প্ৰধান বৈশিষ্ট্য এয়ে যে, যন্ত্ৰসমূহক সদায় এটা নিৰ্দিষ্ট কাম কৰিবলৈ নিৰ্দেশনা দি থকাৰ প্ৰয়োজন হয়। উদাহৰণস্বৰূপে, কম্পিউটাৰ, মোবাইল, ইত্যাদিয়ে ব্যৱহাৰকাৰীয়ে দিয়া নিৰ্দেশবোৰ এটাৰ পিছত এটাকৈ পালন কৰে। ঠিক তেনেদৰে, গাড়ী (এক জটিল যন্ত্ৰ) এখন চলাবলৈ আমি অনবৰতে সঠিক দিশৰ নিৰ্দেশনা দিয়াৰ প্ৰয়োজন হয়। চালক অবিহনে গাড়ী এখন অলপো আগবাঢ়ি যাব নোৱাৰে। যন্ত্ৰৰ এই মৌলিক সমস্যাটো আন বহুত ক্ষেত্ৰৰো এটা সীমাবদ্ধতা। এটা যন্ত্ৰৰ মগজু থাকিলে ই নিজকে নিজে নিয়ন্ত্ৰণ কৰিব পাৰিলেহেঁতেন আৰু বিভিন্ন পৰিস্থিতিত মানুহৰ দৰে সঠিক সিদ্ধান্তত উপনীত হ'ব পাৰিলেহেঁতেন।

প্ৰাচীন সভ্যতাৰ সময়তেই আবাকাছৰ (Abacus) উদ্ভাৱন হোৱাৰ পৰা বৰ্তমানৰ অত্যাধুনিক ছুপাৰকম্পিউটাৰৰ দিনলৈকে কম্পিউটাৰ আৰু অন্যান্য ইলেকট্ৰনিক ডিভাইছসমূহ গণনাৰ (Calculation and program execution) কামতহে বেছিকৈ ব্যৱহাৰ হৈছে। কিন্তু ১৯৫০ চনত এদল বিজ্ঞানীয়ে মানৱ জাতিৰ এটা প্ৰশ্নক লৈ গৱেষণা আৰম্ভ কৰে — "কম্পিউটাৰক ভাবিবলৈ শিকাব পৰা যায় নেকি?", আৰু এই গৱেষণাই বিজ্ঞানৰ এক নতুন বিষয় "কৃত্রিম বুদ্ধিমত্তা" (Artificial Intelligence, চমুকৈ AI)ৰ জন্ম দিয়ে। এই গৱেষণাৰ ফলস্বৰূপে আজি self driving car (Tesla Model X), voice recognition system, language translator, chat-bot assistance, spam filter, AI chess player আদিৰ বিকাশ সম্ভৱ হৈছে।

বিজ্ঞানীসকলৰ অনুমান, মানুহৰ মগজুত প্ৰায় ১০০ বিলিয়ন নিউৰণৰ মাজত ছিনেপ্‌ছৰ (Synapse) মাজেৰে ১০০ ট্ৰিলিয়ন সংযোগৰ সৃষ্টি হৈছে। কিন্তু আজিও কোনেও সঠিককৈ ক'ব পৰা নাই সেই সংযোগৰ মাজত কি হয় আৰু কেনেকৈ ই মানুহৰ চিন্তা (Decision making)ত প্ৰভাৱ পেলায়। বৰ্তমানলৈ কিছুমান ৰাসায়নিক বিক্ৰিয়া, নিউৰ'ট্ৰেন্সমিটাৰ আৰু

হ'ৰমণৰ নিঃসৰণৰদ্বাৰা আমাৰ চিন্তাবোৰ প্ৰভাৱিত হোৱা বুলি গম পোৱা গৈছে। জীৱকূলৰ মগজুৰ এই নিউৰণৰ আৰ্হিতেই উদ্ভাৱন কৰা হৈছে Artificial Neural Network (ANN) নামৰ এক Framework (Diagram-2), যিয়ে Artificial intelligence ক এক নতুন গতি প্ৰদান কৰে। বেছিভাগ অত্যাধুনিক AI product ত Artificial Neural Network (ANN) ব্যৱহাৰ কৰা হৈছে। ANN কৃত্ৰিম বুদ্ধিমত্তাৰ অন্তৰ্গত Machine learning (চমুকৈ ML) আৰু Deep learning বিষয়ৰ এক অপৰিহাৰ্য অংশ।

ট'ৰণ্টো বিশ্ববিদ্যালয়ৰ অধ্যাপক জেফ্ৰি হিলটন (Geoffry Hilton)ৰ Deep learning আৰু Backpropagation algorithm সম্বন্ধীয় গৱেষণাই ANN ক জটিল সমস্যা সমাধান কৰিবপৰাকৈ উপযোগী কৰি তোলে। Al হ'ল গণিতৰ ব্যৱহাৰিক প্ৰয়োগিকীকৰণ। Calculusৰ সৈতে Stochastic Gradient Descent algorithm(SGD) ব্যৱহাৰ কৰি AI model এটাৰ Accuracy rate বৃদ্ধি কৰা হয়। সহজ ভাষাত কৃত্ৰিম বুদ্ধিমত্তা এক সংখ্যাৰ খেল, কিন্তু এটা বৃহৎ বিষয়। তলত থূলমূলকৈ এই বিষয়ে আলোচনা কৰা হ'ল।







Diagram 1 ত মানুহৰ মগজুৰ নিউৰণ আৰু Diagram 2 ত এটা Artificial neural network দেখুওৱা হৈছে। Diagram 1 ত যেনেদৰে Synapse ৰ মাজেৰে নিউৰণৰ মাজত সংযোগ স্থাপন হৈছে, ঠিক




তেনেদৰে Diagram 2 ত Layer 0/Input layer আৰু Layer 1/Hidden layer ৰ মাজত a b c d e f ৰে আৰু Layer 1 ৰ আৰু Layer 2 ৰ মাজত p q r ৰ মাজেৰে সংযোগ স্থাপন হৈছে। Layer 0 ৰ 0 1 আৰু Layer 1 ৰ 0 1 2 আদিবোৰ ANN ত Nodes বা Neuron/Perceptron বুলি ধৰা হয়। Layer 0/Input Layer ৰ 0 1 হ'ল Input neuron আৰু Layer 2/Output layer ৰ 0 হ'ল Output neuron | a b c d e f p q r ৰ মাজেৰে তথ্য সৰবৰাহ কৰি নিউৰণৰ মাজৰ সংযোগবোৰৰ Weights optimization কৰা হয়। জটিল আৰু বৃহৎ ANN architecture বোৰত কোটি কোটি Neuron থাকিব পাৰে যাৰ ফলত নেটৱৰ্কটোয়ে জটিল সমস্যাবোৰো সমাধান কৰিবলৈ সক্ষম হৈ পৰে।

যেতিয়া ANN ক এটা নিৰ্দিষ্ট কাম কৰিবলৈ শিকোৱা হয়, তেতিয়া ই এক Training/Learning process ৰ মাজেৰে পাৰ হয়। Supervised learning, Unsupervised learning, Reinforcement learning, ইত্যাদিবোৰ হ'ল বিভিন্ন ধৰণৰ Learning method। বৰ্তমান বাস্তৱ জীৱনৰ জটিল সমস্যাবোৰ সমাধান কৰিবলৈ supervised learning method বেছিকৈ ব্যৱহাৰ হোৱা দেখা হৈছে।

Diagram-3




মানুহে যেনেকৈ বাস্তৱ জীৱনৰ অভিজ্ঞতাৰ পৰা বা ভুলৰ শুধৰণিৰ মাজেৰে শিকে, তেনেকৈ ANN nets বোৰকো Real world information ৰ সহায়ত প্ৰশিক্ষণ দিয়া হয়। Human face detection ANN এটা প্ৰস্তুত কৰিবলৈ ANN টোত মানুহৰ মুখাৱয়বৰ ফটোবোৰ Input neuron ৰ মাজেৰে পাৰ কৰি Learning process সমাপ্ত কৰিব লাগিব। প্ৰশিক্ষণৰ পূৰ্বে সকলো তথ্য সংখ্যালৈ ৰূপান্তৰ কৰা হয়। ইয়াক Data Vectorization বুলি কোৱা হয়।


এটা সহজ AI program উদাহৰণ স্বৰূপে লোৱা হ'ল। যদি (২ ঃ ৪), (৩ ঃ ৬), (৭ ঃ ১৪), (৯ঃ১৮) হয়, তেন্তে (৫ ঃ?) কিমান হ'ব ? ২, ৩, ৭, ৯ হ'ব AI model টোৰ input আৰু ৪, ৬, ১৪, ১৮ হ'ব target output। মানুহৰ মগজুৱে সহজতে ধাৰণা কৰিব পাৰে যে input আৰু output ৰ মাজত x২ (পূৰণ ২) ৰ এটা সম্পৰ্ক আছে আৰু উত্তৰ (৫ ঃ ১০) হ'ব। এইতো সমস্যা এটা Linear equation (y = x * w আৰু y = ছ, x =৩) ৰ সৈতে মিলাই চালে w ৰ মান হ'ব 2 (Target output)। Equation টোত w ৰ মান Brute force programming ব্যৱহাৰ কৰি উলিয়াবলৈ চেষ্টা কৰিলে অসীমবাৰ (Infinitely N times) চেষ্টা কৰিব লাগিব । এনে কৰিলে কম্পিউটাৰৰ Memory limit পাৰ হোৱাৰ সম্ভাৱনা থাকে বাবে এনেবোৰ সমস্যা Stochastic gradient descent algorithm (SGD) ৰ সহায়ত সমাধান কৰা হয় । ইয়াৰ ফলত Computation ৰ বাবে প্ৰয়োজন হোৱা সময়ৰো ৰাহি হয়। Diagram 3 ত SGD দেখুওৱা হৈছে। এই Diagram টোত Loss ৰ মান যিমানেই Global loss minimum ৰ ওচৰলৈ (কমি) আহিব, সিমানেই w ৰ মান Target output ২ ৰ উপৰলৈ আহি থাকিব। প্ৰথমবাৰৰ বাবে (৫ঃ১০)ত w ৰ মান ৩ ধৰিলে Loss ৰ পৰিমাণ হ'ব ৫ x ৩ =১৫, (১৫ - ১০)x (১৫-১০) =>5 × 5 = 25 । Loss ৰ পৰিমাণ যিমানেই শূন্য ওচৰলৈ আহিব সিমানেই AI Model টোৰ প্ৰদৰ্শন উন্নত হ'ব।

এতিয়া, আমি কেনেকৈ AI System নিৰ্মাণ কৰিব পাৰোঁ? প্ৰথমতে বহুত জটিল যেন লাগিলেও আজিকালি সহজতে AI Product নিৰ্মাণ কৰিব পাৰি। বহুতৰ এটা ভুল ধাৰণা আছে যে AI Product প্ৰস্তুত কৰিবলৈ বৃহৎ বিনিয়োগৰ প্ৰয়োজন বা Computing power ৰ প্ৰয়োজন হয় আৰু বৃহৎ প্ৰতিস্থান সমূহেহে এনেধৰণৰ Product সাজিব পাৰে। কিন্তু, আচলতে বেছিভাগ AI project কৰিবলৈ আপোনাক মাত্ৰ এটা কম্পিউটাৰহে প্ৰয়োজন। কোটি কোটি Data sample থকা বৃহৎ AI Model নিৰ্মাণ প্ৰক্ৰিয়াত GPU(Graphics Processing Unit) ৰ ব্যৱহাৰ হয়। GPUৰ Parallel computing ব্যৱহাৰ কৰি ছেকেণ্ডত কেইবা ট্ৰিলিয়ন Operation কৰিব পৰা যায়। আজিকালি ক্ষীপ্ৰতৰ GPU যেনে Nvidia GTX/RTX আদি বজাৰত কিনিবলৈ পোৱা যায় বাবে কম খৰচতে State of the art, অৰ্থাৎ অত্যাধুনিক AI products নিৰ্মাণ কৰাটো সম্ভৱ হৈছে। Google Colaboratory, AWS, Microsoft Azure আদি Cloud computing service অনলাইনযোগে ব্যৱহাৰ কৰি অতি কম খৰচতে AI model নিৰ্মাণ কৰিব পাৰি।

সুখৰ খবৰ এয়ে যে AI programming কৰিবলৈ কেৱল Programming languageৰ জ্ঞানৰহে প্ৰয়োজন। তথাপিও তত্বৰ গভীৰ অধ্যয়ন

কৰিবলৈ গণিতৰ Linear Algebra, Calculus, Linear regression, Activation function, Loss function, Gradient descent algorithm, Slope formula, Derivative, Chain rule আদিৰ জ্ঞান থাকিলে হয়। AIৰ বাবে Python programming language ব্যৱহাৰ কৰাটো সকলোতকৈ লাভজনক। ইয়াৰ কাৰণ হৈছে AIত ব্যৱহাৰ হোৱা বেছিভাগ Library আৰু APIবোৰ Python language ৰে বনোৱা হৈছে। AI ৰ বাবে PyTorch, Tensorflow, Keras, CNTK, Scikit-learn আদি Python library ৰ জ্ঞান থকাটো অতি গুৰুত্বপূৰ্ণ। এই Library বোৰৰ জৰিয়তে গণিতৰ বিশদ জ্ঞান নথকাকৈ আমি জটিল AI programming কৰিব পাৰোঁ। tensorflow.org, pytorch.org, fast.ai, elitedatascience.com, coursera.org, udacity.com, udemy.com, neuralnet worksanddeep learning.com, kaggle.com আদি ৱেবছাইটত কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ে পঢ়িব পৰা যায়। YouTubeত এই বিষয়ত সুন্দৰ ভিডিঅ' পোৱা যায়। কলা, বাণিজ্য বা বিজ্ঞান, যিকোনো শাখাৰ ছাত্ৰ ছাত্ৰীয়ে AI শিকিব পাৰে।

বৰ্তমান ইণ্টাৰনেটৰ যুগত আমি সকলোৱে কম বেছি পৰিমাণে কম্পিউটাৰ, মোবাইল আৰু অন্যান্য ইলেকট্ৰনিক ডিভাইছ ব্যৱহাৰ কৰোঁ। দৈনন্দিন জীৱনত আমি গম নোপোৱাকৈয়ে AI ব্যৱহাৰ কৰি আছো। উদাহৰণস্বৰূপে Google search results, Google translate, Facebook timeline, Face unlocking, Speech to text এই সকলোবোৰ AI ৰ দ্বাৰা পৰিচালিত। তথ্য-প্ৰযুক্তিৰ যুগান্তকাৰী উদ্ভাৱন কৃত্ৰিম বুদ্ধিমত্তাই বহুতো বিজ্ঞানীক নবেল বঁটা পোৱাত সহায় কৰিছে। স্বাস্থ্য, আন্তঃগাঁথনি, সুৰক্ষা, ছফ্টৱেৰ, যাতায়ত, বেংকিং, ছচিয়েল নেটৱৰ্কিং, অনলাইন বাণিজ্য, ছাৰ্চ ইঞ্জিন, ৰবটিক্স, মহাকাশ বিজ্ঞান আদিবোৰ ক্ষেত্ৰত বহুলভাৱে AI ৰ প্ৰয়োগ হৈছে। বিখ্যাত জাহাজ, গাড়ী আৰু উৰাজাহাজ নিৰ্মাণ কোম্পানী




Rolls-Royce এ সাগৰ পৃষ্ঠৰ ওপৰত মিছাইল চিনাক্তকৰণৰ এটা AI System নিৰ্মাণ কৰিছে। বৰ্তমান AI ব্যৱহাৰ কৰি ব্যৱসায় কৰাটোও সহজ হৈ পৰিছে আৰু ই ছাত্ৰ-ছাত্ৰীৰ বাবে সোণালী সুযোগ। লগতে ই কৰ্ম-সংস্থাপনৰো সৃষ্টি কৰিছে।

কৃত্ৰিম বুদ্ধিমত্তাৰ কথা আলোচনা কৰি শেষ কৰিব নোৱাৰি। মই এইটো লিখনিৰ মাজেৰে আপোনালোকক এটা সামগ্ৰিক আভাস দিয়াৰ চেষ্টা কৰিছোঁ। কিছুমান ক্ষেত্ৰত Artificial intelligence এ মানৱ বুদ্ধিমত্তাতকৈ ভাল প্ৰদৰ্শন দাঙি ধৰিছে। Google Deepmind য়ে নিৰ্মাণ কৰা AlphaGo AI য়ে প্ৰাচীন বৰ্ড গেম গ' (Go)ৰ বিশ্ব চেম্পিয়ন লী চিড'লক পৰাজিত কৰি বিশ্বত খলকনিৰ সৃষ্টি কৰে। ইতিমধ্যে IBM Deep Blue ছুপাৰকম্পিউটাৰে দবা খেলত বিশ্ব চেম্পিয়ন গেৰী কাছপাৰভক পৰাভূত কৰিছে। Artificial intelligence পিছলৈ "Frankenstein Effect" হ'ব পাৰে বুলি বহুতে শংকা প্ৰকাশ কৰিছে। কিন্তু AIক সদায় জনহিতৈষী কামত ব্যৱহাৰ কৰা হ'ব বুলি মানৱজাতি আশাবাদী হৈ আছে। অনাগত ভৱিষ্যতত কৃত্ৰিম বুদ্ধিমত্তাই মানুহৰ জীৱন আৰু পৃথিৱীক সলনি কৰাটো নিশ্চিত।

দূৰভাষ ঃ ০৯৬৭৮ ৫১৭৩৩৭
ই-মেইল ঃ indraniltalukdar@gmail.com

প্ৰকৃতি চিন্তা

# প্ৰকৃতি সুৰক্ষাৰ প্ৰভাৱশালী চিন্তন ঃ জৈৱ-বৈচিত্ৰ্য তথা পৰিৱেশ সংৰক্ষণ আৰু ভাৰতীয় দৰ্শন

✍ সৌম্যদ্বীপ দত্ত



আমাৰ দেশত সভ্যতাৰ উন্মেষ ঘটিছিল অৰণ্যৰ মাজৰ পৰা। ভাৰতবৰ্ষৰ শিক্ষা আৰু জ্ঞানৰ কেন্দ্ৰবোৰো আছিল 'তপোবন' আৰু 'আশ্ৰম' নামৰ অৰণ্য আচ্ছাদিত অঞ্চলত। ভাৰতৰ জ্ঞান চৰ্চা আৰু প্ৰাচীন দৰ্শন পুথিবোৰ ৰচিত হৈছিল অৰণ্য পৰ্যবেক্ষণৰ মাধ্যমেৰে। ভাৰতীয় দৰ্শন আৰু আৰাধ্য দেৱ-দেৱীবোৰ মৌলিকভাৱে প্ৰকৃতিৰ শক্তিবোৰৰ প্ৰতীক হিচাপে পূজিত হৈ আহিছে। যেনে -- বৰুণ, অগ্নি, পৱন, পৃথ্বী, ভূমি ইত্যাদি। অৰণ্য আৰু বন্যপ্ৰাণীবোৰক আমি ঈশ্বৰৰ আসনত বহুৱাই পূজা কৰো। যেনে -- মনসাৰ লগত সাপক, দুৰ্গাৰ লগত সিংহক, গণেশৰ লগত নিগনিক, সৰস্বতীৰ লগত হাঁহক, শীতলাৰ লগত ঘোঁৰাক, লক্ষ্মীৰ লগত ফেঁচাক, কাৰ্তিকৰ লগত ময়ূৰক। এনেকৈ বাঘ, হাতী, শিয়াল, মেকুৰী, কুম্ভীৰ, মাছ, কাছ, বৰাহ ইত্যাদিকো আমি শ্ৰদ্ধাৰে পূজা কৰো। এইধৰণৰ অজস্ৰ উদাহৰণৰ পৰা আমাৰ উপলব্ধি কৰিবলৈ অসুবিধা নহয় যে আমাৰ আধ্যাত্মিক চিন্তাবোৰ দৰাচলতে অৰণ্য আৰু বন্যপ্ৰাণী তথা প্ৰকৃতি সংৰক্ষণৰ ক্ৰমবিৱৰ্তিত ৰূপ। আজিৰ পৰা প্ৰায় পাঁচ হেজাৰ বছৰ পূৰ্বৰ সভ্যতা মহেঞ্জোদাৰো আৰু হৰপ্পা যুগতো মানুহে প্ৰকৃতিক শ্ৰদ্ধা তথা আৰাধনা কৰিছিল। প্ৰকৃতি সংৰক্ষণৰ প্ৰতি চেতনা সেই যুগতো ভাৰতীয়সকলৰ আছিল। জীৱন্ত গ্ৰহ পৃথিৱীৰ প্ৰাণ-প্ৰাচুৰ্যৰ প্ৰতি তেতিয়াৰ পৰা আমাৰ দেশৰ লোকসকল সজাগ আছিল। সেই যুগতো মানুহে পৃথিৱী মাতৃ পূজা কৰিছিল। খ্ৰীষ্টপূৰ্ব ১৫০০-৭০০ এই সময়ছোৱাত আমাৰ দেশত বৈদিক সভ্যতাৰ উন্মেষ ঘটিছিল। ঋকবেদৰ দ্বাৰা উন্মোচিত জগতত আৰু পৰৱৰ্তী বৈদিক ৰচনাত যিবোৰ কথা আছে তাৰ বহুখিনিয়ে মূলতঃ প্ৰকৃতি সংৰক্ষণৰ কথা।

সেই বৈদিক যুগত মানুহে বেছিভাগ প্ৰাৰ্থনা কৰিছিল প্ৰকৃতিক আহ্বান কৰি। বিভিন্ন বিপদৰ পৰা ৰক্ষা পোৱাৰ বাবে বৈদিক যুগত পৃথিৱীৰ প্ৰতি আহ্বান জনাইছিল বৈদিক ঋষিসকলে। *‘হে পৃথিৱী, আমাৰ প্ৰতি প্ৰসন্ন হওক’*-- এই প্ৰাৰ্থনা ঋকবেদত বাৰে বাৰে কৰা হৈছে। পৃথিৱীৰ অৰ্থ প্ৰকৃতি, অৰ্থাৎ বৈদিক যুগত অন্যতম প্ৰধান প্ৰাৰ্থনা আছিল -- *‘হে প্ৰকৃতি আমাৰ প্ৰতি প্ৰসন্ন হওক’*। আচৰিত লাগিলেও এই কথা সত্য যে আমাৰ অনাৰ্য তথা জনজাতিসকলৰ প্ৰকৃতি পূজা বা প্ৰকৃতি সম্পৰ্কীয় আচাৰ-আচৰণৰ মূল দাৰ্শনিক তত্ত্ব আছিল হুবহু একে। জনজাতিসকলৰ ধাৰ্মিক ক্ৰিয়া-কৰ্মৰ মূল দৰ্শন আৰু প্ৰাৰ্থনা আছিল -- *‘হে প্ৰকৃতি, আমাৰ প্ৰতি প্ৰসন্ন হওক। অশুভ শক্তিবোৰৰ পৰা আমাক ৰক্ষা কৰক।’* জনজাতিসকলৰ পৰম্পৰাগত প্ৰকৃতি সংৰক্ষণৰ কথা আমি অলপ পিছত আলোচনা কৰিম। কিন্তু মই যিটো কবলৈ বিচাৰো সেইটো হ’ল বৈদিক সভ্যতাৰ পৰা আৰম্ভ কৰি, তাৰো পূৰ্বৰ মহেঞ্জোদাৰো-হৰপ্পা সভ্যতা আৰু অৰণ্যৰ অভ্যন্তৰত বিকশিত হোৱা জনজাতীয় সভ্যতা -- প্ৰতিটো ক্ষেত্ৰতে আমি দেখা পাওঁ সভ্যতাৰ আকৰ আৰু দাৰ্শনিক তত্ত্বৰ অংকুৰণ ঘটিছিল অৰণ্যক কেন্দ্ৰ কৰি।

পৃথিৱীৰ ভিতৰত ভাৰতবৰ্ষ এনেকুৱা এখন দেশ য’ত অৰণ্য তথা বৃক্ষক দেৱতা জ্ঞানেৰে পূজা কৰি অহা হৈছে। প্ৰাচীন ভাৰতৰ দাৰ্শনিক তথা মুনি-ঋষিসকলে বন আৰু বন্যপ্ৰাণীক সচেতনভাৱে সংৰক্ষিত কৰি ৰাখিছিল। প্ৰাচীন ভাৰতত এনেকুৱা কিছুমান অৰণ্যক চিনাক্তকৰণ কৰা হৈছিল য’ত মৃগয়া অৰ্থাৎ চিকাৰ সম্পূৰ্ণৰূপে নিষিদ্ধ আছিল। আনকি ৰজায়ো সেইবোৰ অৰণ্যত অস্ত্ৰ লৈ প্ৰৱেশ কৰিব নোৱাৰিছিল। আমি বহুতেই হয়তো শকুন্তলা আৰু দুষ্মন্তৰ কাহিনী পঢ়িছো। ৰজা দুষ্মন্তই যেতিয়া ৰথত উঠি অস্ত্ৰ-শস্ত্ৰৰে সু-সজ্জিত হৈ কণ্ব মুনিৰ আশ্ৰমত প্ৰৱেশৰ উদ্দেশ্যে অৰণ্যত প্ৰৱেশ কৰিছিল তেতিয়া অন্যান্য সাধুসকলে ৰজাক চিঞৰি চিঞৰি অৱগত কৰাইছিল যে -- ৰজা দুষ্মন্তই অৰণ্যত ৰথ আৰু অস্ত্ৰ লৈ প্ৰৱেশ কৰিছে। সেইখন অৰণ্য দৰাচলতে এনেকুৱা এখন অৰণ্য য’ত ৰথ আৰু অস্ত্ৰ লৈ প্ৰৱেশ কৰা নিষিদ্ধ।

ভাৰতবৰ্ষত অভয়াৰণ্যৰ গঠন হৈছিল প্ৰাচীন কালতে। বৰ্তমানৰ আধুনিক অভয়াৰণ্যৰ ধাৰণা আৰু ‘অভয়াৰণ্য’ শব্দটো আমি আমাৰ প্ৰাচীন ভাৰতৰ পৰাই গ্ৰহণ কৰিছো। বৌদ্ধ যুগত বন্যপ্ৰাণী সংৰক্ষণৰ চেতনাই ভাৰতীয় সমাজত প্ৰৱলৰূপত প্ৰভাৱ বিস্তাৰ কৰিছিল। গৌতম বুদ্ধৰ পৰিনিৰ্বাণৰ পিছত বোধি বৃক্ষ অৰ্থাৎ আঁহত, বট, জৰি ইত্যাদি বৃক্ষকে বুদ্ধৰ প্ৰতীক ৰূপে মানুহে পূজা কৰিছিল আৰু এই বৃক্ষবোৰক মানুহে পৱিত্ৰ বৃক্ষৰূপে বিভিন্ন মন্দিৰ, গাঁও আৰু পৱিত্ৰ স্থানবোৰত ৰোপণ কৰিছিল। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে বট, জৰি, আঁহত ইত্যাদি গছবোৰৰ ফল, ফুল, শিপা, পাত ইত্যাদি মানুহে ভক্ষণ নকৰে। এই গছবোৰৰ গা-গছ, কাণ্ড নাইবা অন্য কোনো অংশ গৃহ নিৰ্মাণৰ কামত নাহে, জ্বালানি অৰ্থাৎ খৰি হিচাপেও এই গছ বৰ উৎকৃষ্ট গছ নহয়, সেইবাবে ইয়াৰ খৰিও ব্যৱহাৰ নহয়। ঔষধি বৃক্ষ হিচাপে এই গছৰ ব্যৱহাৰ নহয়; তথাপি এই গছবোৰক প্ৰাচীন কালতে পৱিত্ৰ আৰু উপকাৰী গছ হিচাপে চিনাক্তকৰণ কৰা হৈছিল -- কাৰ বাবে? নিঃসন্দেহে এই গছবোৰক অগ্ৰাধিকাৰ আৰু পৱিত্ৰ গছ হিচাপে গুৰুত্ব এইবাবে দিয়া হৈছিল যে বন্যপ্ৰাণী সংৰক্ষণৰ দৃষ্টিত এই গছবোৰ হ’ল সৰ্বোৎকৃষ্ট।

প্ৰকৃতিত এই বট, অশ্বত্থ, জৰি, আঁহত ইত্যাদি গছবোৰেই বন্যপ্ৰাণীৰ আটাইতকৈ বেছি কামত

আছে। এই গছবোৰ Ficus নামৰ এটা বিশেষ পৰিয়ালভুক্ত গছ। প্ৰকৃতিবিদসকলে এটা কথা লক্ষ্য কৰিছে যে অৰণ্যত এই 'ফাইকাছ' পৰিয়ালভুক্ত গছবোৰৰ ওপৰতে বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী নিৰ্ভৰশীল হৈ থাকে। সকলোতকৈ বেছি প্ৰজাতিৰ চৰায়ে এই গছৰ গুটি ভক্ষণ কৰে। এই গছবোৰতে আটাইতকৈ বেছি প্ৰজাতিৰ পতংগই আশ্ৰয় লয়, যিবোৰৰ বেছিভাগেই বিভিন্ন চৰাই আৰু সৰু স্তন্যপায়ী প্ৰাণীৰ খাদ্য। এই গছবোৰত পাত, তাৰ গুটি বিভিন্ন প্ৰজাতিৰ হৰিণা, বনগাহৰি, ভালুক, জহামল, নিগনি, কেটেলা পহু, বান্দৰ ইত্যাদিয়ে ভক্ষণ কৰে। বিভিন্ন প্ৰজাতিৰ চৰায়ে এই গছবোৰৰ ডালত বাহ সাজে। এই গছবোৰক আশ্ৰয় কৰি জীয়াই থাকে বিভিন্ন প্ৰজাতিৰ স্তন্যপায়ী বন্যপ্ৰাণী। বন্যপ্ৰাণীবোৰৰ ইমান প্ৰয়োজনীয় গছ বাবেই এই গছবোৰ পবিত্ৰ গছ মানুহে এই গছবোৰৰ সংৰক্ষণত যাতে আগভাগ লয় সেই কথা ভাবিয়ে আমাৰ পূৰ্ব-পুৰুষসকলে আমাৰ সংস্কৃতিত, আমাৰ ধৰ্মীয় চেতনাত এই গছবোৰক পৱিত্ৰ গছৰূপে প্ৰতিষ্ঠিত কৰিছে। অৰ্থাৎ আমাৰ ধৰ্মীয় চেতনাৰ মূলতে আছে বন্যপ্ৰাণী সংৰক্ষণৰ মৌলিক চেতনা।

বৰ্তমানে বিশ্বব্যাপী বন্যপ্ৰাণী সংৰক্ষণৰ যি জাগৰণ তথা কাৰ্যক্ৰম আৰম্ভ হৈছে প্ৰচাৰ মাধ্যমৰ ইতিবাচক পদক্ষেপৰ ফলত আৰু বিদেশীসকলৰ এই ক্ষেত্ৰটোত বিপুল যোগদানৰ ফলস্বৰূপে আমি হয়তো বহুতেই ভাবো বন্যপ্ৰাণী সংৰক্ষণৰ চেতনা আমাৰ দেশত আমদানি কৰা হৈছে বিদেশৰ পৰা। কিন্তু এই ধাৰণা সম্পূৰ্ণ ভ্ৰান্ত ধাৰণা।

আমাৰ দেশ ভাৰতবৰ্ষই বিশ্ববাসীক বন্যপ্ৰাণী সংৰক্ষণৰ চেতনাক উদ্বুদ্ধ কৰিছিল। সমগ্ৰ পৃথিৱীয়ে বন্যপ্ৰাণী সংৰক্ষণৰ দৰ্শন গ্ৰহণ কৰিছে ভাৰতবৰ্ষৰ পৰা। উদ্ভিদ প্ৰজাতিবোৰৰ শৰীৰত যে প্ৰাণ আছে অৰ্থাৎ গছৰো যে প্ৰাণ আছে সেই কথা আধুনিক, বৈজ্ঞানিক পদ্ধতিৰে প্ৰমাণ কৰি দেখুওৱা বিজ্ঞানীজনো ভাৰতীয়। আচাৰ্য জগদীশ চন্দ্ৰ বসুৱে প্ৰথম বিশ্ববাসীক প্ৰমাণ কৰি দেখুৱাইছিল যে গছৰো প্ৰাণ আছে, গছো সংবেদনশীল। এটা কথা লক্ষণীয় যে জগদীশ চন্দ্ৰ বসুৱে কিন্তু কোৱা নাই তেওঁৱে এই সত্য প্ৰথম আৱিষ্কাৰ কৰিছে যে 'গছৰো প্ৰাণ আছে।' তাৰ পৰিৱৰ্তে তেওঁ কৈছিল— '*আমাৰ পূৰ্বপুৰুষ ভাৰতীয়সকলে বহুদিন আগৰেপৰা জানিছিল যে গছৰো প্ৰাণ আছে, মই সেই সত্যটোকে আধুনিক যন্ত্ৰপাতি আৰু বৈজ্ঞানিক বিশ্লেষণৰে প্ৰমাণ কৰিলো।*' সংঘবদ্ধভাৱে বন সৃজনৰ নীতিও স্থাপিত হৈছিল প্ৰাচীন ভাৰতত। চন্দ্ৰগুপ্ত মৌৰ্যৰ সময়তেই বিকাশ ঘটিছিল সামাজিক বনানীকৰণৰ চেতনা। সেই সময়তেই ৰাস্তাৰ দুইফালে বৃক্ষৰোপণৰ নীতি গ্ৰহণ কৰিছিল ৰাইজে। বৃক্ষৰোপণৰ মাজেৰে ডাঙৰ ডাঙৰ উদ্যান গঢ়ি তোলাৰ প্ৰয়াস ঘটিছিল তেতিয়াই। আমাৰ দেশৰ সংস্কৃতিত এই কথা বহু পূৰ্বেই জ্ঞাত আছিল যে মানুহে অকলে এই পৃথিৱীত জীয়াই থাকিব নোৱাৰিব। মানুহৰ সাৰ্বিক বিকাশ, প্ৰগতি, সুখ আৰু নিৰাপত্তাত পৃথিৱীৰ অন্যান্য প্ৰাণী আৰু তৰু-লতাৰ অৱদানৰ কথা আমি হাজাৰ হাজাৰ বছৰ আগতেই জানিছিলো। সামাজিক বিধান, আচৰণ, পূজা-অৰ্চনাৰ নিয়ম আৰু অনুষ্ঠানৰ মাজেৰে ভাৰতীয় সমাজত, জৈৱ বৈচিত্ৰতাক সংৰক্ষিত কৰা হৈছে। ভাৰতীয় ধৰ্ম পৰম্পৰাৰ মাজেৰে সংৰক্ষিত কৰা হৈছে হাজাৰ হাজাৰ বৃক্ষক। আমাৰ পূজা-অৰ্চনাৰ বাবে যে বিভিন্ন প্ৰজাতিৰ গছৰ পল্লৱ, ফুল, ছাল, শিপা আৰু বীজৰ প্ৰয়োজন হয় সেই প্ৰয়োজনীয়তাৰ মূলতেই আছে বৃক্ষ সংৰক্ষণৰ প্ৰচেষ্টা। ভাৰতীয় দৰ্শন আৰু ধৰ্মীয়

কথাবোৰ দৰাচলতে বৈজ্ঞানিক ভিত্তিৰ আধাৰত প্ৰতিষ্ঠিত কিছুমান ৰূপক। ৰূপক হিচাপে এইবোৰ সমাজত জনপ্ৰিয়ভাৱে প্ৰচলিত থাকিলেও এইবোৰ কিন্তু বৈজ্ঞানিক বিশ্লেষণ আৰু সত্যৰ ওপৰত প্ৰতিষ্ঠিত। বহুক্ষেত্ৰত সেই সময়ৰ ঋষিসকলে এইবোৰৰ বৈজ্ঞানিক ব্যাখ্যা দিলেও প্ৰচলিত জনপ্ৰিয় ৰূপকবোৰেই সমাজত অধিক জনপ্ৰিয় হৈ থাকে। ফলত আধুনিক বিজ্ঞানৰ যুগত এইবোৰক অলীক কল্পনা বুলি বহুতেই ভাবিবলৈ বাধ্য হয়। হিন্দু ধৰ্মৰ সৃষ্টিতত্ত্ব আৰু দশাৱতাৰ স্তোত্ৰৰ ব্যাখ্যা আমি সম্পূৰ্ণ আধুনিক আৰু বৈজ্ঞানিক দৃষ্টিভংগীৰে কৰিব পাৰো। তেতিয়া অপাৰ বিস্ময়ে আমাৰ মনক প্ৰভাৱিত কৰে।

দশাৱতাৰ স্তোত্ৰৰ বৈজ্ঞানিক ব্যাখ্যা এই ৰূপ -- 'সৃষ্টিৰ আদিত, সৰ্বপ্ৰথম পৃথিৱী আছিল জলমগ্ন (প্ৰাণী সৃষ্টি তেতিয়াও হোৱা নাই) -- ই হ'ল অন্নময় ৰূপ (উপনিষদত 'অন্ন' কথাটো জড় পদাৰ্থৰ প্ৰতীক)। কাৰণ বাষ্প ক্ৰমশঃ ঘনীভূত হৈ ভৌতিক পানীত পৰিণত হ'ল। সেই পানীৰ প্ৰথম প্ৰজা বা প্ৰাণীয়ে হ'ল মীন বা মৎস্য, (পেলিয়োজোয়িক কল্পৰ চেলুৰিয়ান-ডিভোনিয়ান যুগকেই বিজ্ঞানীসকলে মৎস্য যুগ বুলি কৈছে)। আজিৰ পৰা প্ৰায় ৪৪-৩৬ কোটি বছৰ আগতে এই যুগৰ অৱস্থান আছিল। সেই সময়ত ভগৱান শ্ৰীবিষ্ণু মীনৰূপে আৱিৰ্ভূত হৈ বেদোদ্ধাৰ কৰিছিল। এই বেদ কিন্তু কোনো গ্ৰন্থ নহয়, বেদ হ'ল -- সৃষ্টি জ্ঞান (Procreation)। তেতিয়া সি পৰম্পৰা হৈছিল বংশ ৰক্ষাত, যিটো আছিল সেই যুগৰ জীৱন বেদ, মন্ত্ৰ আছিল -- 'গোত্ৰং নো বৰ্ধতাম'।

আহিল দ্বিতীয় অৱতাৰ কূৰ্ম। পানী এৰি স্থলভূমিত উঠি আহিবলৈ পৃথিৱীৰ প্ৰাণীয়ে তেতিয়াই আৰম্ভ কৰিছে। অৰ্থাৎ আৱিৰ্ভাৱ হৈছে উভচৰ প্ৰাণীৰ। বিজ্ঞানৰ ভাষাত এই যুগৰ নাম ডিভোনিয়ান -- কাৰ্বনিফেৰাচ যুগ। এই যুগত অৰ্থাৎ ৪০-৩০ কোটি বছৰ আগতে পৃথিৱীৰ প্ৰাণীয়ে শিকিছে বতাহৰ পৰা পোনে পোনে অক্সিজেন গ্ৰহণ কৰিবলৈ। কূৰ্ম, পানীৰ পৰা বোকা সানি স্থলভাগত উঠি আহিল -- এইটোৱে হ'ল তাৰ ধৰণী ধাৰণ।

তৃতীয় অৱতাৰ -- বৰাহ। অৰ্থাৎ গাহৰি। গাহৰি স্থলভাগৰ প্ৰাণী হৈয়ো পানীৰ মায়া ত্যাগ কৰিব পৰা নাই। দিনৰ বহু সময় সি বোকাতেই অতিবাহিত কৰে। ইতিমধ্যে পৃথিৱীৰ প্ৰাণী বিৱৰ্তিত হৈছে স্তন্যপায়ী জীৱত। এতিয়া পৃথিৱীৰ প্ৰাণীয়ে শিকিছে জীৱন্ত সন্তান প্ৰসৱ কৰিবলৈ (চিনোজোয়িক কল্পৰ পেলিয়োসিন-ইয়োচিন যুগ)। কম বেছি প্ৰায় ৬ কোটি বছৰ আগৰ কথা। বৰাহৰ স্বভাৱজাত ধৰ্ম হ'ল দাঁতেৰে মাটি চিৰাচিৰ কৰা। পৃথিৱীৰ ভূমি বিদাৰণ কৰা। এই সময়তেই টেথিচ সাগৰৰ পৰা হিমালয় পৰ্বতমালাৰ অভ্যুত্থানৰ সূচনাৰ প্ৰথম পৰ্ব। যাৰ ফলত অসম, বংগদেশ, কচ্ছ, কাথিওৱাড়, সিন্ধু, বেলুচিস্তান ইত্যাদিৰ জন্ম, লগতে উত্তৰ-পশ্চিম হিমালয় অঞ্চলত প্ৰৱল সামুদ্ৰিক উচ্ছ্বাসে দেখা দিয়ে।

চতুৰ্থ অৱতাৰ -- নৃসিংহ (আধা পশু আৰু আধা মানৱ)। অৰ্থাৎ ট্ৰানজিচন ফেজ (চিম্পাঞ্জি, লেমুৰ, ওৰাং-ওটাং, গিবন, গৰিলা আৰু সেই সময়ৰ নৰ-বানৰ)। প্ৰায় ডেৰ-দুই কোটি বছৰ আগৰ কথা। সেই সময়ৰ যুগক কোৱা হয় আলিগেচিন-মাইয়োচিন যুগ।

ইয়াৰ পিছত আহিল পঞ্চম অৱতাৰ -- বামন। অৰ্থাৎ কম উচ্চতাৰ নৰবানৰ। যেনে -- ৰামাপিথেকাচ, শিৱপিথেকাচ, ব্ৰহ্মপিথেকাচ, ড্ৰায়পিথেকাচ বা অষ্ট্ৰেলোপিথেকাচ ইত্যাদি 'হোমো' গণৰ আৱিৰ্ভাৱ। প্ৰায় ৭০-৭ লক্ষ বছৰ আগৰ কথা। সেই যুগৰ নাম প্লাইয়োচিন-প্লাইষ্টোচিন যুগ। এই নৰবানৰবোৰে মাজে মাজে দুই ভৰিৰে খোজ

কাঢ়িলেও হাতৰ সহায়তো খোজ কাঢ়িছিল। এই সময়ৰ পৰা ধৰ্ম হ'ল ত্ৰিপদ। উচ্চতাত সি বৰ্তমান মানুহৰ প্ৰায় আধা। আদি প্লাইষ্টোচিন যুগৰ কথা। প্ৰথম তুষাৰ যুগৰ অবসানৰ পিছত আহে অন্তৰ্বৰ্তী উষ্ণ কাল। এই সময়ত গভীৰ অৰণ্য ধ্বংস হৈ গৈ দেখা দিছিল বিস্তীৰ্ণ তৃণভূমি। ফলত অৰণ্যচাৰী নৰাকাৰ জীৱবোৰ বাধ্য হৈ মাটিত নামি আহে আৰু লাহে লাহে থিয় হৈ উঠিবলৈ সক্ষম হয়। এই সময়লৈকে জীৱৰ ক্ৰমবিকাশক কোৱা হয় -- প্ৰাণময় ৰূপ (এই সময়ৰ ভিতৰত প্ৰায় নৰাকাৰ জীৱৰ মননশীলতা নাছিল বুলিয়ে বিশ্বাস)। তাৰ পিছৰ পৰাই মানুহ আৰু পশুৰ পাৰ্থক্য আৰম্ভ হ'বলৈ ধৰে। ফলত মনময় ৰূপৰ সূচনা আৰম্ভ হয়।

ইয়াৰ পিছত আহিল ষষ্ঠ অৱতাৰ -- পূৰ্ণ মানুহৰ ৰূপ লৈ আহিল ভৃগুৰাম বা পৰশুৰাম। তেওঁৰ হাতত কুঠাৰ বা পৰশু। তেওঁ দৈহিক ক্ষমতাবলত ক্ষাত্ৰধৰ্মী নহয়, তেওঁৰ শক্তি হ'ল মগজুৰ বল সেয়েহে -- ব্ৰাহ্মণ। অগ্নি বা জুইৰ ব্যৱহাৰ জানে সেয়েহে অগ্নিহোত্ৰী। আদি প্ৰস্তৰ যুগৰ কথা। এই সময়ত মানুহে শিলৰ অস্ত্ৰ, যেনে -- কুঠাৰ বা পৰশু বনাবলৈ আৰু ব্যৱহাৰ কৰিবলৈ শিকি পেলাইছিল। জুই জ্বলাব নেজানিলেও জুইৰ ব্যৱহাৰ শিকি গৈছে। অৰণ্যৰ দাবানলৰ পৰা জুই সংগ্ৰহ কৰি, নাইবা অন্য কোনো প্ৰাকৃতিক উৎসৰ পৰা জুই সংগ্ৰহ কৰি তাক সযতনে গুহাত ৰক্ষা কৰি থৈছিল ভৱিষ্যতৰ প্ৰয়োজনত। অৰণ্য অপসাৰণ কৰি স্থায়ী বসতি গঢ়াৰ প্ৰয়াসো দেখা দিয়ে তেতিয়া। খেতি-বাতিৰ প্ৰাথমিক অনভিজ্ঞ তথা অপৰিণত প্ৰচেষ্টাও দেখা দিয়ে তেতিয়া। শাস্ত্ৰমতে -- *'ভগৱান পৰশুৰামে সহস্ৰবাহু কাৰ্তবীৰ্যাৰ্জুনক নিধন কৰে, একৈশবাৰ ক্ষত্ৰিয়কুল নিৰ্মূল কৰে আৰু আপোন গৰ্ভধাৰিণী মাতৃ ৰেণুকাক হত্যা কৰিছিল।'* মানুহৰ সহস্ৰ বাহু কেতিয়াও নহয়, সহস্ৰবাহু হ'ল বৃক্ষ অৰ্থাৎ গছ। তাৰ সহস্ৰ বাহু অৰ্থাৎ গছৰ সহস্ৰ বাহুৰূপী শাখা-প্ৰশাখাক কুঠাৰৰ আঘাতত ছেদন কৰি একৈশবাৰ নিঃক্ষত্ৰিয় অৰ্থাৎ জংঘল পৰিষ্কাৰ কৰি মানুহৰ বসবাসযোগ্য মাটি প্ৰস্তুত কৰিছিল। আৰু কৃষিৰ প্ৰথম প্ৰচেষ্টাস্বৰূপ মাতৃ ধৰিত্ৰীৰ বুকুত অস্ত্ৰাঘাত কৰি মাটি ৰেণু ৰেণু কৰিছিল। সেই সময়ত মানুহে পৃথিৱীক মাতৃ বুলি বিশ্বাস কৰিছিল (এতিয়াও কৰে)। সেয়েহে কৃষিকাৰ্য নকৰিছিল (এই ধাৰণাৰ বশৱৰ্তী হৈ বৰ্তমানেও বহু জনগোষ্ঠীয়ে কৃষিকাৰ্য নকৰে)। মাতৃ ধৰিত্ৰীৰ বুকুত অস্ত্ৰাঘাত— এয়া আছিল পৰশুৰামৰ মাতৃহত্যা।

ইমান দিনে বৰ্বৰ যুগৰ অৱসান দেখা দিয়ে আৰু নতুন সভ্যতাৰ যুগ আৰম্ভ হয়। মানুহ বুদ্ধিজীৱী হ'বলৈ ধৰে। ইয়াৰ পিছত আবিৰ্ভাৱ হয় সপ্তম অৱতাৰ -- শ্ৰীৰাম। শ্ৰীৰাম ধনুৰ্ধাৰী। এই দূৰক্ষেপী অস্ত্ৰৰ ওচৰত পৰশুৰ অনুপযোগিতা প্ৰমাণিত হোৱাত দৰ্পচূৰ্ণ হয় পৰশুৰামৰ। এক ৰামে (পৰশুৰাম) অৰণ্য কাটি বসতি তথা খেতিৰ কাম আৰম্ভ কৰিছিল। আন এজন ৰামে আৰম্ভ কৰিছিল মানৱৰ সভ্যতাৰ সূচনা আৰু বৰ্বৰ তথা অনাচাৰীসকলৰ প্ৰাধান্যৰ অৱসান। দেখা দিছিল স্থায়ী জনপদ, ৰাজ্য আৰু ৰজাৰ যুগৰ আৰম্ভ হ'ল। আৰম্ভ হ'ল প্ৰতিৰক্ষা, প্ৰতিপালন আৰু প্ৰজানুৰঞ্জনৰ সামাজিক ধাৰা। মাতৃতান্ত্ৰিক সমাজ বিৱৰ্তিত হ'বলৈ ধৰিলে -- আহিল আদৰ্শবাদৰ যুগ। আহিল আদৰ্শ পিতা, আদৰ্শ মাতা, আদৰ্শ পতি, আদৰ্শ পত্নী আৰু আদৰ্শ সন্তানৰ দৃষ্টান্ত। প্ৰতিপন্ন কৰাৰ যুগ। এই যুগৰ দ্বিতীয় পৰ্বত উন্নত কৃষি ব্যৱস্থাৰ প্ৰচেষ্টা আৰম্ভ হয়। 'অহল্যা উদ্ধাৰ' ৰূপকৰ মৌলিক সত্যতা তথা বাস্তৱতা হ'ল, হাল-খেতিৰ সহায়ত অস্পৃষ্ট অৰ্থাৎ অনাবাদী মাটিক স্পৰ্শ কৰি খেতিৰ বাবে জীৱন্ত তথা

উৰ্বৰা কৰি তুলি তাত প্ৰাণ সঞ্চাৰণ কৰা। শ্ৰীৰামৰ অন্যতম নাম হ'ল সীতাপতি। সীতাপতি নামটোও সাৰ্থক। কাৰণ সীতাৰ অৰ্থ নাঙলৰ ফাল। এনেকে পাৰ হ'ল বহু কাল। আহিল সংকৰ্ষণ ৰাম। তৃতীয় ৰাম হ'ল বলৰাম। এইজনো হলধৰ বলৰাম। কৃষি সভ্যতাৰ পূৰ্ণ প্ৰকাশ হ'ল এই যুগতেই। তাইগ্ৰিচ আৰু ইউফ্ৰেতিচ নদীৰ মোহনাত চুমেৰত। এই সময়তে মানুহে লোহাৰ ব্যৱহাৰ শিকি পেলায়। সেই কৃষিজীৱী হোমিনিডসকলেই জেৰিকো আৰু চুমেৰত গঢ়ি তোলে জনপদ। বৈদিক আৰণ্যক সভ্যতা আৰু পৌৰাণিক কৃষি সভ্যতা একে উপনিষদীয় সভ্যতাৰ অভিন্ন ধাৰা। ফলত কৃষিকাৰ্যই তেতিয়া পূৰ্ণতা লাভ কৰিলে। বিভিন্ন দিশত মানুহৰ জ্ঞানৰ উৎকৰ্ষ সাধনো হ'ল তেতিয়া। নৰদেহতেই এই যুগত আৱিৰ্ভূত হ'ল পূৰ্ণ ব্ৰহ্মনাৰায়ণ -- শ্ৰীকৃষ্ণ।

আৰম্ভ হ'ল ঐতিহাসিক যুগ। আহিল নৱম অৱতাৰ -- সিদ্ধাৰ্থ, গৌতম বুদ্ধ। মাত্ৰ তিনিটা শব্দেৰে কৈ গ'ল পৃথিৱীৰ মংগলৰ কথা। জীৱনৰ পৰম অমৃতময় মন্ত্ৰ -- 'অহিংসা পৰম ধৰ্ম'। এই মন্ত্ৰৰ বাস্তৱ উপলব্ধি তথা প্ৰয়োগৰ ফলতেই পৃথিৱীৰ সকলো জ্ঞানে পূৰ্ণতা লাভ কৰে। ইয়াৰ পিছৰ অৱতাৰ আছে কল্পনাত, হয়তো ভৱিষ্যৎ বিজ্ঞানৰ থাৰ্মোনিউক্লিয়াৰ অস্ত্ৰধাৰী কল্কিয়ে এদিন পৃথিৱীত কোনো শক্তিৰূপে দেখা দিব।

এতিয়া আকৌ উভতি আহো আমাৰ মূল কথালৈ। ভাৰতীয় দৰ্শন, ধৰ্ম, জীৱনধাৰা তথা লোক সমাজত প্ৰকৃতি সংৰক্ষণৰ কথা সৰ্বদা প্ৰচাৰিত হৈছিল। আমাৰ পৰম্পৰাগত জনজাতীয় চেতনাতো বন্যপ্ৰাণী সংৰক্ষণৰ চেতনা গভীৰভাৱে শিপাই আছে।

আদিম মানুহ বিকশিত হৈছিল এক মুক্ত পৰিবেশত। সেই সময়ত মানুহ আৰু পশুৰ মাজত পাৰ্থক্য থাকিলেও মিলো আছিল যথেষ্ট। মানুহ আৰু পশুৰ মাজত সকলোতকৈ বেছি সাদৃশ্য পোৱা গৈছিল জীৱন নিৰ্বাহৰ প্ৰক্ৰিয়াত। পশুবোৰে যেনেকৈ খাদ্য সংগ্ৰহ কৰি জীয়াই থাকে মানুহেও ঠিক তেনেকৈয়ে জীয়াই থাকিবলগীয়া হৈছিল। মানুহৰ মস্তিষ্কত প্ৰকৃতি তথা বন্যপ্ৰাণী সম্পৰ্কে জনাৰ তাড়নাৰ উদ্ভৱ হয় তেতিয়াৰ পৰাই। কিয়নো যি পৰিবেশত মানুহে তেতিয়া জীৱন নিৰ্বাহ কৰিছিল তেনে পৰিস্থিতিত বন্যপ্ৰাণী সম্পৰ্কে জ্ঞান থকাটো আছিল অতি প্ৰয়োজন। মানুহৰ স্মৃতিশক্তি অন্যান্য বন্যপ্ৰাণীবোৰতকৈ বেছি হোৱাৰ কাৰণে বা মানুহৰ মস্তিষ্ক পশুবোৰতকৈ বহুত উন্নত হোৱাৰ বাবে মানুহে বন্যপ্ৰাণীবোৰৰ সম্পৰ্কে বহু তথ্য নিজৰ স্মৃতিত লিপিবদ্ধ কৰিবলৈ সক্ষম হৈছিল। কালক্ৰমে এটা প্ৰজন্মৰ পৰা মানুহৰ পৰৱৰ্তী প্ৰজন্মলৈ এই স্মৃতিত সংৰক্ষিত জ্ঞান হস্তান্তৰ হবলৈ ধৰিলে। সভ্যতাৰ ক্ৰমবিৱৰ্তনৰ প্ৰক্ৰিয়াৰ লগে লগে প্ৰৱাহিত হৈ এই আদিম মানুহৰ অভিজ্ঞতাপুষ্ট জ্ঞান চিৰস্থায়ীৰূপে মানুহৰ মাজত বা জীৱন প্ৰক্ৰিয়াৰ অবিচ্ছিন্ন অংগৰূপে থাকি গ'ল। পৰৱৰ্তী কালত তথা বৰ্তমানৰ উন্নত সমাজ ব্যৱস্থাত আমি সেই পুঞ্জীভূত জ্ঞানকেই পৰম্পৰাগত জ্ঞান বা Traditional Knowledge বুলি অভিহিত কৰো।

পৰম্পৰাগত জ্ঞান কিন্তু আহৰণ হৈছিল হাজাৰ হাজাৰ বছৰ ধৰি মানুহৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ ভিত্তিত। সেই সময়ত প্ৰকৃতি তথা বন্যপ্ৰাণীবোৰ আছিল পৰম্পৰাগত জ্ঞান সঞ্চয়ৰ একো একোটা উপাদানস্বৰূপ। বৰ্তমানেও জনজাতীয় লোকসকলৰ যিসকলে সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশত জীৱন ধাৰণ কৰি আছে তেওঁলোকৰ মাজত এই পৰম্পৰাগত

জ্ঞানৰ উপলব্ধি আৰু প্ৰয়োগ আমি দেখিবলৈ পাওঁ।

মানুহে নিজৰ মগজুৰ শক্তিত বৰ্তমানে, বন্যপ্ৰাণীবোৰতকৈ হয়তো হাজাৰ হাজাৰ গুণ বা তাতোকৈও বহু বেছি ক্ষিপ্ৰগতিত উন্নতিৰ পিনে বা আধুনিক সভ্যতাৰ ফালে আগুৱাই গৈছে; কিন্তু প্ৰথম অৱস্থাত মানুহে বন্যপ্ৰাণীবোৰকেই অনুসৰণ বা অনুকৰণ কৰিছিল। এই অনুসৰণ বা অনুকৰণ প্ৰক্ৰিয়াই মানুহক পৃথিৱীত মানুহৰ সাম্ৰাজ্য বিস্তাৰ কৰিবলৈ সক্ষম কৰি তুলিছিল। ই আছিল এক নিৰন্তৰ প্ৰক্ৰিয়া। সেয়েহে বৰ্তমানেও আমাৰ বহু জনজাতিয়েই বিশ্বাস কৰে যে তেওঁলোক কোনোবা এটা বন্যপ্ৰাণীৰ বংশধৰ আৰু বৰ্তমানেও জনজাতীয় মানুহসকলে সেইবোৰ বন্যপ্ৰাণীক হত্যা বা ভক্ষণ নকৰে। এই কথাটো বহুতৰ বাবে অলপ আশ্চৰ্যজনক বোধ হ'লেও এইটো ঠিক যে পৃথিৱীত মনুষ্য সভ্যতাৰ অংকুৰণৰ সময়তেই আদিম মানুহৰ চেতনাবোধত বন্যপ্ৰাণী সংৰক্ষণৰ আৰম্ভণি হৈছিল। কিন্তু বহুক্ষেত্ৰত বাস্তৱতে আমি বৰ্তমানে জনজাতীয় বহু সম্প্ৰদায়ৰ মাজতেই বেছিকৈ বিভিন্ন বন্যপ্ৰাণীৰ মাংস ভক্ষণ কৰাৰ প্ৰৱণতা দেখিবলৈ পাওঁ। এই প্ৰৱণতা লক্ষ্য কৰাৰ পিছত আমাৰ বহুতৰ মনতেই হয়তো এই প্ৰশ্নৰ উদয় হ'ব যে -- জনজাতীয় লোকসকলে দেখোন সকলো ধৰণৰ বন্যপ্ৰাণীৰ মাংস ভক্ষণ কৰে, তেনেহ'লে বন্যপ্ৰাণী সংৰক্ষণৰ ভাবনা বা চিন্তা জনজাতীয় সম্প্ৰদায়ৰ মাজত ক'ত?

কিন্তু বন্যপ্ৰাণী সংৰক্ষণৰ দৃষ্টিভংগীত যদি আমি জনজাতীয় সমাজ আৰু পৰম্পৰাগত ধাৰণাক বিশ্লেষণ কৰো তেনেহ'লে আমি দেখিম যে জনজাতীয় সম্প্ৰদায়ৰ মাজত বা জনজাতীয় সমাজত পৰম্পৰাগতভাৱেই বন্যপ্ৰাণী সংৰক্ষণৰ অনুশাসন সম্প্ৰসাৰিত হৈ আছে। উদাহৰণ হিচাপে যদি আমি ৰাভা জনজাতিৰ কথা কওঁ তেনেহ'লে আমি দেখিম যে পৰম্পৰাগতভাৱে ৰাভাসকলৰ প্ৰত্যেক পৰিয়ালেই কিবা নহয় কিবা একোটা বন্যপ্ৰাণীক তেওঁলোকৰ বংশধৰ বুলি বিশ্বাস কৰে আৰু সেই বন্যপ্ৰাণীৰ মাংস ভক্ষণ নকৰে। অকল স্তন্যপায়ী বন্যপ্ৰাণীয়েই নহয় বিভিন্ন থলুৱা মাছৰ ক্ষেত্ৰতো এই সংৰক্ষণ প্ৰক্ৰিয়া সক্ৰিয়। বৰ্তমান বৈজ্ঞানিক দৃষ্টিভংগীৰ অধিকাৰী হৈও আমাৰ আধুনিক সমাজ তথা চৰকাৰে থলুৱা মাছ সংৰক্ষণৰ ওপৰত সিমান গুৰুত্ব দিয়া নাই, যিমান পৰম্পৰাগতভাৱে আমাৰ জনজাতীয় লোকসকলে তেওঁলোকৰ সমাজত, সামাজিক বিধিৰ মাধ্যমেৰে সেই গুৰুত্ব আৰোপ কৰিছে। পশ্চিম অসমৰ ধুবুৰী জিলাৰ কেইখনমান ৰাভা জনজাতীয় গাঁৱত মই বহু বছৰ অতিবাহিত কৰিছো। সেই গাঁওবোৰৰ কোনো এটা পৰিয়ালে কেটেলা পহু নাখায়। কোনোবাই আকৌ সুগৰী পহু ভক্ষণ নকৰে, কোনোবাই নাখায় বনৰীয়া গাহৰি, কোনোবাই বৰালি মাছ ইত্যাদি। আৰু অকল ভক্ষণ নকৰাই নহয় তেওঁলোকে এইবোৰ বন্যপ্ৰাণী হত্যাও নকৰে। বৰ্তমান পৃথিৱীৰ উন্নত দেশ বা যিকেইখন দেশ বন্যপ্ৰাণী সংৰক্ষণত যথেষ্ট কৃতকাৰ্য হৈছে সেইবোৰ দেশৰ বন্যপ্ৰাণী সংৰক্ষণৰ দৃষ্টিভংগী আৰু আমাৰ জনজাতীয় পৰম্পৰাগত দৃষ্টিভংগীৰ মাজত বৰ এটা পাৰ্থক্য নাই। কিন্তু দুৰ্ভাগ্যজনক কথাটো হৈছে আমাৰ জনজাতীয় পৰম্পৰাগত সংৰক্ষণ প্ৰক্ৰিয়াবোৰ আমাৰ আধুনিক সমাজত সংৰক্ষণৰ দৃষ্টিভংগীৰে পৰিৱেশিত নহয়, তাৰ পৰিৱৰ্তে বিদেশী কোনো শ্লোগানকে জনপ্ৰিয় কৰাৰ কাৰণে আমি প্ৰয়োজনতকৈ বেছি সক্ৰিয় হৈ পৰো।

বৰ্তমান বাঘ সংৰক্ষণক কেন্দ্ৰ কৰি বিশ্বৰ বন্যপ্ৰাণী সংৰক্ষকসকল যথেষ্ট তৎপৰ। ভাৰতবৰ্ষৰ

বিভিন্ন স্থানত ব্যাঘ্র প্রকল্প কৰা হৈছে— এইটো বৰ ভাল কথা। কিন্তু বহুতেই হয়তো নাজানে যেতিয়া পৃথিৱীৰ আধুনিক বন্যপ্ৰাণী বিশেষজ্ঞসকল তথা ভাৰতৰ ক'তো ব্যাঘ্ৰ সংৰক্ষণৰ সামান্য চেতনাবোধো নাছিল তেতিয়া আমাৰ বড়ো জনজাতিৰ মাজত বাঘ সংৰক্ষণৰ ধাৰণা, প্ৰয়োজনীয়তা আৰু চেতনা গোটেইখিনিয়েই বিদ্যমান আছিল। বড়ো ভাষাত বাঘক কোৱা হয়— মৌচা। মৌচাহাৰী বা মুচাহাৰী হ'ল তেওঁলোক যিসকলে বাঘ সংৰক্ষণৰ পৰম্পৰাক নিজৰ ধৰ্মীয় তথা সামাজিক আচৰণত স্থান দিছে। ভাৰতবৰ্ষত বাঘ সংৰক্ষণৰ চেতনাই নিশ্চিতভাৱে বড়ো জনজাতিসকলৰ মাজত প্ৰথম প্ৰসাৰ লাভ কৰিছিল। অৰুণাচলৰ ইদু মিচিমিসকলে হলৌ বান্দৰ হত্যা বা ভক্ষণ নকৰে। কাৰণ ইদু মিচিমিসকলৰ বিশ্বাস হলৌ বান্দৰবোৰ তেওঁলোকৰে আত্মীয়। আমাৰ জনজাতীয় সমাজত বন্যপ্ৰাণী সৰ্বদা শক্তি আৰু অলৌকিক ক্ষমতাৰ প্ৰতীকৰূপে সন্মানিত হৈ আহিছে। সেই কাৰণে কিছুমান জনজাতিৰ লোকসকলে কিছুমান বন্যপ্ৰাণীক তেওঁলোকৰ উপৰি পুৰুষ বুলি ভাবি লৈছিল বা বংশৰ অন্তৰ্ভুক্ত কৰিছিল। পৰম্পৰাগতভাৱে জনজাতীয় লোকসকলে এই সত্য উপলব্ধি কৰিববৈলে সক্ষম হৈছিল যে বন্যপ্ৰাণীবোৰ মানুহতকৈ শাৰীৰিক শক্তি আৰু অশান্ত প্ৰকৃতিৰ লগত যুঁজাৰ সামৰ্থ্যত বেছি শক্তিধৰ। সেয়েহে বন্যপ্ৰাণীবোৰ প্ৰাক্-জনজাতীয় সমাজত অলৌকিক শক্তিৰ অধিকাৰী বুলি বিবেচিত হৈছিল। ঠিক সেই কাৰণতেই জনজাতীয় সমাজত যিয়ে বেছি শক্তিৰ অধিকাৰী তাৰ শৰীৰ বেছিকৈ বন্যপ্ৰাণীৰ অংগ-প্ৰতংগৰে সুসজ্জিত। জনজাতীয় সমাজৰ প্ৰধান বা ওজা তথা পুৰোহিতৰ শৰীৰত আমি বিভিন্ন বন্যপ্ৰাণীৰ অংগ-প্ৰত্যংগৰ অলংকাৰ দেখিববৈলে পাওঁ। মনস্তাত্বিকভাৱে ইয়ে যেন এই কথা প্ৰতিবিম্বিত কৰে যে— যাৰ শৰীৰত যি বন্যপ্ৰাণীৰ অংগ-প্ৰত্যংগ আছে সেই ব্যক্তি সেইবোৰ বন্যপ্ৰাণীৰ গুণৰ বা দক্ষতাৰ অধিকাৰী। বাস্তৱিকভাৱে যদিও এইটো এটা ভুল ধাৰণা কিন্তু পৰোক্ষভাৱে তথা সুপ্তভাৱে ই যেন জনজাতীয় লোকসকলৰ বন্যপ্ৰাণীৰ প্ৰতি পৰম্পৰাগত শ্ৰদ্ধাহে। সঠিক মূল্যাংকনৰ মাজেৰে এই চেতনাই আধুনিক বন্যপ্ৰাণী সংৰক্ষণৰ ভেটি আৰু সুদৃঢ় কৰিব। কিন্তু জনজাতিসকলৰ এই বন্যপ্ৰাণী সংৰক্ষণকামী প্ৰক্ৰিয়াটোক বাস্তৱ ৰূপ দি আমি প্ৰতিবিম্বিত কৰিব লাগিব সমাজৰ স্বচ্ছ দাপোণত। জনজাতিসকলে বিভিন্ন ধৰণৰ বন্যপ্ৰাণী মাংস ভক্ষণ কৰে, হত্যাও কৰে -- এই চেতনাৰ পৰিৱৰ্তে জনজাতিসকলৰ যে এক সুদৃঢ়, পৰম্পৰাগত সংৰক্ষণ প্ৰক্ৰিয়া আছে সেই কথাটো আমি নিজেও অনুভৱ কৰিব লাগিব। লগে লগে জনজাতিসকলৰ মাজতো যিসকল এই উপলব্ধিৰ পৰা আঁতৰত তেওঁলোককো উপলব্ধি কৰাব পাৰিব লাগিব, তেওঁলোকৰ গৰ্বিত বন্যপ্ৰাণী সংৰক্ষণৰ পৰম্পৰাগত চেতনাত।

আমাৰ দেশৰ অৰণ্য তথা বন্যপ্ৰাণী সংৰক্ষণৰ চেতনা যুগ যুগ ধৰি আমাৰ জনজাতি আৰু অজনজাতি সমাজত বিৰাজ কৰিছে। অসমৰ প্ৰতিটো সম্প্ৰদায়, জনজাতি, গোষ্ঠী তথা থলুৱা জনসাধাৰণৰ আচাৰ, অনুষ্ঠান, ৰীতি-নীতি আৰু জীৱন ধাৰাত, বন্যপ্ৰাণী আৰু অৰণ্য সংৰক্ষণৰ অনুশাসন তথা নিয়ম সংপৃক্ত হৈ আছে। ভাৰতৰ বিভিন্ন প্ৰান্তত এনেকুৱা বহু জনজাতি আৰু সম্প্ৰদায় আছে যিসকলে বন্যপ্ৰাণী সংৰক্ষণক নিজৰ সম্প্ৰদায়ৰ ধৰ্ম বুলি জ্ঞান কৰে।

আজিৰ পৰা প্ৰায় ৫৫০ বছৰ আগতে ৰাজস্থানৰ বিশ্নৈ (Bishnoi) সম্প্ৰদায়ৰ লোকসকলে সেই সময়ৰ যোধপুৰৰ মহাৰজাৰ বিৰুদ্ধে সংঘবদ্ধ হৈ

আন্দোলন কৰি ৰজাৰ বৃক্ষ নিধন পৰিকল্পনা বন্ধ কৰি দিছিল। এই আন্দোলনৰ গুৰি ধৰিছিল শ্ৰীমতী অমৃতা দেৱীয়ে-- যি আজিও স্মৰণীয় হৈ আছে। এই সম্প্ৰদায়ৰ লোকসকলে বৃক্ষক আৰু বন্যপ্ৰাণীক দেৱতা জ্ঞানে পূজা কৰে, লগতে বৃক্ষ আৰু বন্যপ্ৰাণীক ৰক্ষাও কৰে। ভাৰতত পৰম্পৰাগতভাৱে বন্যপ্ৰাণী সংৰক্ষণৰ ধাৰা প্ৰবাহিত হৈ আছিল। সমগ্ৰ ভাৰতবৰ্ষত লক্ষ লক্ষ এনেকুৱা পৱিত্ৰ স্থান অৰ্থাৎ Sacred grove আছে যিবোৰ মানুহৰ পৰম্পৰাগত সামাজিক তথা পৱিত্ৰ বিশ্বাসৰ আধাৰত সংৰক্ষিত হৈ আছে। যাৰ মাজত সংৰক্ষিত হৈ আছে অসংখ্য বন্যপ্ৰাণী আৰু অসংখ্য প্ৰজাতিৰ উদ্ভিদ।

ভাৰতৰ মৌলিকতা তথা প্ৰাচীন সংৰক্ষণ পৰম্পৰা, বাৰে বাৰে বিপৰ্যস্ত হৈছিল বহিঃশত্ৰুৰ আক্ৰমণৰ ফলত। প্ৰাচীন ভাৰতৰ দৰ্শন আৰু সভ্যতা বহুবাৰ চূৰ্ণ-বিচূৰ্ণ হ'ল বিদেশী শত্ৰুৰ হাতত। ফলত ভাৰতীয় সংৰক্ষণ প্ৰচেষ্টাৰ সামাজিক ভেটিটোৱেই অবক্ষয়ৰ পিনে অলপ হ'লেও গতি কৰিলে। অনুকৰণ আৰু অনুপ্ৰৱেশৰ ফলত ভাৰতীয়ৰ চিন্তাধাৰা আৰু বাস্তৱ আচৰণৰ মাজত দূৰত্ব অলপমান বাঢ়ি আহিল। বহু ভাৰতীয়ই নিজৰ পৰম্পৰাক পাহৰি ব্ৰিটিছৰ প্ৰৱৰ্তিত অৰণ্য আত্মসাৎ আৰু বন্যপ্ৰাণী হত্যাৰ পৰম্পৰাক ভ্ৰমবশতঃ নিজৰ সমাজত স্থান দিবলৈ আৰম্ভ কৰিলে। ব্ৰিটিছৰ শিক্ষাৰে শিক্ষিত তথা ব্ৰিটিছৰ ছত্ৰছায়াত লালিত-পালিত আমাৰ বহুত শিক্ষিত ব্যক্তি তথা সমাজৰ প্ৰতিপত্তিশীল ব্যক্তিৰ দৃষ্টিভংগীত ব্ৰিটিছৰ দৃষ্টিভংগীৰেই প্ৰতিফলন ঘটিল। ভাৰতৰ অন্যান্য ৰাজ্যবোৰৰ তুলনাত অসমত বহিঃশত্ৰুৰ আক্ৰমণ বা আগমন ঘটিছিল বহুত পিছত। সেই কাৰণে ভাৰতৰ অন্যান্য প্ৰান্তত যেতিয়া বন্যপ্ৰাণী হত্যাৰ ঘটনা 'চিকাৰ খেল' বা 'প্ৰমোদ অনুষ্ঠান' বুলি জনপ্ৰিয় হৈ উঠিছিল অসমত কিন্তু তেতিয়া বন্যপ্ৰাণী হত্যাৰ উন্মাদনা আৰম্ভ হোৱা নাছিল। অসমত পৰিকল্পিত চিকাৰৰ তথা বন্যপ্ৰাণী হত্যাৰ মাজেৰে আনন্দ লাভ কৰা কাৰ্যসূচীৰ সূচনা হয় ব্ৰিটিছৰ দিনৰ পৰা।

ব্ৰিটিছে যেতিয়া প্ৰথমতে অসমত আহি থিতাপি ল'বলৈ আৰম্ভ কৰিছিল সেই সময়ৰ অসমৰ মানুহ আৰু বন্যপ্ৰাণীৰ সম্পৰ্কৰ কথা লিখিত ৰূপত বৰ এটা পোৱা নাযায়। কিয়নো সেই সময়ৰ লেখকসকলে বন্যপ্ৰাণীক সিমান গুৰুত্ব দিয়া নাছিল। কিন্তু দুই-এজন ব্ৰিটিছ লেখকৰ লেখাৰ পৰা আমি নিশ্চিত হ'ব পাৰো যে সেই সময়ত অসমত চিকাৰৰ প্ৰচলন সিমান প্ৰকট নাছিল। তেনেকুৱা এজন ব্ৰিটিছ লেখক হ'ল পেট্ৰিক হেনলি। পেট্ৰিক হেনলিয়ে ইংৰাজীত লিখা 'Tiger Trails in Assam' নামৰ কিতাপখনত আমি তাৰ স্পষ্ট প্ৰমাণ পাওঁ। কিতাপখন 'অসমৰ অৰণ্যৰ বাঘৰ খোজ' নাম দি অসমীয়া ভাষালৈ অনুবাদ কৰিছে বিৰাজ চৌধুৰীয়ে। এই কিতাপখনৰ এঠাইত পেট্ৰিক হেনলিয়ে লিখিছে যে 'ছিয়নী, কুমাও, মহীশূৰ বা অন্যান্য অঞ্চলত মই দেখাৰ দৰে মানুহে নিজৰ অহমিকা চৰিতাৰ্থ কৰিবৰ বাবেই নিষ্ঠুৰ অত্যাচাৰ আৰু নিধনৰ দ্বাৰা বন্যপ্ৰাণীবোৰক ক্ৰুদ্ধ কৰি তোলাৰ পৰিবেশ অসমত নাই।' হেনলিয়ে তেওঁৰ এই কিতাপত উল্লেখ কৰা বহু মন্তব্যৰ পৰা এই কথা স্পষ্ট হৈছে যে অসমৰ হাবিত বন্যপ্ৰাণীবোৰে সেই সময়ত চিকাৰীৰ নিষ্ঠুৰতাৰ অভিজ্ঞতাত অভিজ্ঞ নাছিল। অৰ্থাৎ অসমৰ মানুহে নিজৰ আনন্দ, অহমিকা, বীৰত্ব বা প্ৰমোদৰ বাবে বন্যপ্ৰাণী হত্যা কৰা নাছিল। কেতিয়াবা দুই-এটা বন্যপ্ৰাণীক নিজৰ প্ৰয়োজনত খাদ্য হিচাপে গ্ৰহণ কৰা বেলেগ কথা, কিন্তু আত্মহাৰা হৈ বন্যপ্ৰাণীক নিৰ্বিচাৰে হত্যা কৰি আনন্দ লভা

অসমীয়াৰ পৰম্পৰা কেতিয়াও নাছিল।

আমাৰ পূৰ্বপুৰুষসকলে তেওঁলোকৰ অভিজ্ঞতাৰ পৰাই এই সত্যক উপলব্ধি কৰিব পাৰিছিল যে পানী, বায়ু, মাটি, অৰণ্য, বন্যপ্ৰাণী আৰু মানুহৰ সমন্বয় তথা এটা আনটোৰ পৰিপূৰক হৈ থাকিলেহে পৃথিৱী জীৱন প্ৰবাহৰ বাবে অনুকূল হৈ থাকিব। মানুহক স্বাভাৱিকভাৱে বাচি থাকিবলৈ হ'লে প্ৰকৃতিৰ এইবোৰ সত্তাক সযতনে ৰক্ষা কৰি চলিব লাগিব। অৰণ্য তথা বৃক্ষক মানুহে সদায় পৰমহিতৈষী ৰূপে উপলব্ধি কৰি আহিছে। শ্বেতাশ্বাৰতাৰ (Svetasvavatara ) উপনিষদত বৃক্ষক ঈশ্বৰৰ লগত তুলনা কৰি তাক Universal Soulৰ 'বিশ্বৰূপাস্য' বা জীৱনৰ মূল উৎস হিচাপে ভবা হৈছে। পাঁচবিধ বৃক্ষক— বট, অশ্বত্থ, পাকৰী, নিম আৰু বেলক পঞ্চবটী নামে অভিহিত কৰি দেৱতা জ্ঞানেৰে বাৰীত ৰোপণ কৰি পূজা কৰাৰ বিধান দিয়া আছে। আমাৰ পূৰ্বসূৰীসকলে ব্যাপক অনুসন্ধান কৰি প্ৰায় ৩০,০০০ বৃক্ষক ভেষজ উদ্ভিদৰূপে চিহ্নিত কৰিছে— যিবোৰৰ ফুল, ফল, পাত, শিপা, গুটি, ছাল আৰু ৰসত ৰোগ নিৰাময়যোগ্য ৰাসায়নিক পদাৰ্থৰ উপস্থিতিৰ কথা জনা যায়। তেখেতসকলে ভাৰতবাসীক এইবোৰ বৃক্ষক সংৰক্ষণ কৰিবলৈ কৈছে। পৰৱৰ্তীকালত বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে পূৰ্বসূৰীসকলৰ বৰ্ণিত পঞ্চবটী আৰু অন্যান্য ভেষজ উদ্ভিদৰ পৰা ৰোগ নিৰাময়যোগ্য বিভিন্ন ৰাসায়নিক পদাৰ্থ আৱিষ্কাৰ হয়। অকল নিম গছৰ পৰাই তেনেকুৱা এশটা ৰাসায়নিক যৌগ আৱিষ্কৃত হৈছে। সংৰক্ষণৰ চিন্তাক বাস্তৱায়িত কৰাৰ প্ৰয়াসেৰে বিভিন্ন ঋতুত বিভিন্ন ফল, ফুল, শিপা, কাণ্ড, পাত ইত্যাদিৰ ব্যৱহাৰ বন্ধ কৰা হৈছে। আমাৰ মুনি-ঋষিসকলেও নিৰামিষ খাদ্য গ্ৰহণ কৰিছিল -- যাতে সাধাৰণ মানুহে জীৱৰ প্ৰতি হিংসা ত্যাগ কৰে।

সেয়েহে আমাৰ দেশৰ অৰণ্য সংৰক্ষণৰ পৰম্পৰা বিশ্বৰ অন্যতম প্ৰাচীন পৰম্পৰাৰ প্ৰবাহিত ধাৰাৰ বাস্তৱ, জীৱন্ত আৰু সক্ৰিয় পৰম্পৰা। আমি ভাৰতবাসী এই পৰম্পৰাৰ ধাৰক-বাহক তথা প্ৰয়োগৰ যুগান্তকাৰী সত্তা।

যোৱা দুই দশক ধৰি বন, বন্যপ্ৰাণী আৰু পৰিৱেশ সংৰক্ষণৰ উদ্দেশ্যে যিকেইটা শব্দ বৰ বেছিকৈ ব্যৱহৃত হৈ আহিছে তাৰ ভিতৰত অন্যতম হৈছে 'বায়'ডাইভাৰচিটী' নামৰ শব্দটো। Bio-diversity নামৰ ইংৰাজী শব্দটোৰ অসমীয়া প্ৰতিশব্দ জৈৱ-বৈচিত্ৰ বা জীৱ বৈচিত্ৰতা। জীৱ-বিচিত্ৰতা বা জৈৱ-বিচিত্ৰতা নামৰ শব্দটোও অসমীয়াত আজি বহুলভাৱে ব্যৱহৃত। কিন্তু শব্দৰ বহুল ব্যৱহাৰ হ'লেও কাৰ্যক্ষেত্ৰত জৈৱ-বিচিত্ৰৰ বাস্তৱ সংৰক্ষণৰ প্ৰচেষ্টা অসমত দুৰ্বল। তাৰ কাৰণ আমাৰ সাধাৰণ মানুহবোৰৰ মাজত জৈৱ-বিচিত্ৰ সংৰক্ষণৰ চেতনাবোধ আৰু ইয়াৰ সম্পৰ্কে স্পষ্ট ধাৰণাৰ অভাৱ। জৈৱ-বৈচিত্ৰ সম্পৰ্কে সাধাৰণ মানুহৰ স্বচ্ছ ধাৰণাই, মানুহক জৈৱ-বিচিত্ৰতা সংৰক্ষণৰ কাৰণে অধিক আগ্ৰহী কৰি তুলিব।

সাধাৰণতে আমি জৈৱ-বৈচিত্ৰ বুলি ক'লে প্ৰাণৰ বিচিত্ৰতা বা জীৱনৰ বিচিত্ৰতাকে বুজোঁ, আমি যে আমাৰ চাৰিওপাশে বিভিন্ন প্ৰজাতিৰ প্ৰাণী দেখোঁ, বিভিন্ন প্ৰজাতিৰ উদ্ভিদ দেখোঁ, এই সকলোবোৰকেই সামগ্ৰিকভাৱে কোৱা হয় জৈৱ-বৈচিত্ৰতা, অৰ্থাৎ আমি ব্যৱহাৰ কৰা বিভিন্ন ধৰণৰ শাক-পাচলি, বিভিন্ন ধৰণৰ দাইল, চাউল, মচলা, ফল-ফুল, বিভিন্ন ধৰণৰ মাছ, শামুক,পোক-পৰুৱা, বিভিন্ন ধৰণৰ স্তন্যপ্ৰায়ী প্ৰাণী, বিভিন্ন প্ৰজাতিৰ চৰাই, সৰীসৃপ, গৃহপালিত জন্তু আৰু সমস্ত বন্যপ্ৰাণী, সকলো একত্ৰিতভাৱে 'বায়'ডাইভাৰচিটী' বা 'জৈৱ-বৈচিত্ৰ'। এতিয়া জৈৱ-

বৈচিত্র বা জীৱ-বৈচিত্ৰতা বুলি ক'লে অকল জীৱ বা জৈৱকে বুজায় নেকি? অজৈৱ বা জড় পদাৰ্থ কি জৈৱ-বৈচিত্ৰতাৰ অংগ নহয়? এই কথাটো ভালকৈ বুজিবলৈ হ'লে জৈৱ-বিচিত্ৰতাৰ কথা আমি অলপ বহলাই আলোচনা কৰিব লাগিব।

জৈৱ-বৈচিত্ৰক সাধাৰণতে তিনিটা প্ৰধান ভাগত ভাগ কৰা হয়। তাৰ প্ৰথমটো হৈছে -- Species Diversity বা প্ৰজাতিৰ বিচিত্ৰতা। প্ৰজাতিৰ বিচিত্ৰতা মানে ভিন্ ভিন্ প্ৰজাতি, যেনে -- বাঘ, হাতী, গঁড়, শিয়াল, মেকুৰী, বৰটোকোলা চৰাই, ভাটৌ চৰাই, গুঁই, অজগৰ, আমগছ, শিমলু গছ, পানীমেটেকা ইত্যাদি। অৰ্থাৎ আমি এই পৃথিৱীত যিমান ধৰণৰ ভিন্ ভিন্ জীৱ বা প্ৰাণী দেখিবলৈ পাওঁ সিহঁত সকলো প্ৰজাতিৰ বিচিত্ৰতাৰ ভিতৰত পৰে। জৈৱ-বিচিত্ৰতাৰ দ্বিতীয় ভাগ হ'ল -- বাসস্থানৰ ভিন্নতা বা Habitat Diversity। বাসস্থানৰ ভিন্নতাৰ অৰ্থ হৈছে পৃথিৱীৰ ভিন্ন ভিন্ন প্ৰজাতিবোৰৰ কাৰণে ভিন্ন ভিন্ন বাসস্থানৰ প্ৰয়োজন হয়, যেনেধৰণে মাছৰ কাৰণে প্ৰয়োজন পানীৰ বাসস্থান, বান্দৰৰ কাৰণে প্ৰয়োজন ডাঙৰ গছৰ বাসস্থান, উটৰ কাৰণে প্ৰয়োজন মৰুভূমিৰ বাসস্থান, আকৌ তিমি মাছৰ কাৰণে প্ৰয়োজন সাগৰীয় বাসস্থান। ঠিক তেনেকৈ যদি এখন হাবিত বাঘ থাকে, তেনেহ'লে সেই বাঘৰ কাৰণে এক বিশেষ ধৰণৰ অৰণ্যৰ প্ৰয়োজন। সেই একেখন অৰণ্যতে যদি শিয়াল থাকে তাৰ কাৰণে আকৌ ভিন্ন ধৰণৰ বাসস্থানৰ প্ৰয়োজন। অনুৰূপভাৱে একেখন অৰণ্যত বাস কৰা কেৰ্কেটুৱা, বনৰৌ, নেউল, গুই, লতা মাকৰি ইত্যাদি প্ৰাণীবোৰে স্বতন্ত্ৰ সুকীয়া সুকীয়া বাসস্থানত জীৱন নিৰ্বাহ কৰে। এই যে ভিন্ ভিন্ প্ৰজাতিৰ কাৰণে ভিন্ন ভিন্ন বাসস্থানৰ তাৰতম্যৰ প্ৰয়োজন হয় আৰু এই বাসস্থানৰ ভিন্নতাক কোৱা হয় Habitat Diversity। এইটোও জৈৱ-বিচিত্ৰতাৰ এক গুৰুত্বপূৰ্ণ ভাগ। যিহেতু ভিন্ন ভিন্ন প্ৰজাতিৰ বাসস্থান ভিন্ ভিন্ আৰু এই বাসস্থানত অন্তৰ্ভুক্ত হৈ আছে বহু অজৈৱ পদাৰ্থ, যেনে -- মাটি, পাথৰ বা পাথৰৰ গুহা, শিল-বালি-পানী ইত্যাদি সেয়েহে অজৈৱ পদাৰ্থবোৰৰ যিবোৰ প্ৰাণীৰ বাসস্থানৰ সৈতে অংগাংগীভাৱে জড়িত সেইবোৰো জৈৱ-বিচিত্ৰতাৰ অংগ।

জৈৱ-বিচিত্ৰতাৰ তৃতীয়টো ভাগ -- জিনগত বিচিত্ৰতা বা Genetic Diversity। এইটোও জৈৱ-বিচিত্ৰতাৰ এক গুৰুত্বপূৰ্ণ ভাগ। একে প্ৰজাতিৰ মাজত যি ভিন্নতা বা তফাৎ পৰিলক্ষিত হয়, সেয়া হয় জিনৰ তাৰতম্যৰ কাৰণে। সেই কাৰণে তাক কোৱা হয় জিনগত বিচিত্ৰতা। অৰ্থাৎ একে প্ৰজাতিৰ মাজত যি ভিন্নতা থাকে তাকে কোৱা হয় জিনগত বিচিত্ৰতা। কথাটো আৰু অলপ সহজভাৱে বুজাবলৈ চেষ্টা কৰিলো; যেনে ধৰক আমি সকলোৱেই মানুহ (এটা প্ৰজাতি) কিন্তু একে প্ৰজাতি হোৱা সত্বেও আমাৰ প্ৰত্যেকৰ মাজত যথেষ্ট তফাৎ বা তাৰতম্য আছে। আমি কোনোবা ওখ, কোনোবা চাপৰ, আমাৰ শৰীৰৰ ত্বক বা ছাল কাৰোবাৰ বগা, কাৰোবাৰ ক'লা, কাৰোবাৰ আকৌ তামবৰণীয়া, আমাৰ চকুৰ মণিৰ বৰণ ভিন্ন ভিন্ন, আমাৰ চুলিৰ বৰণ-গঠন আৰু ঘনত্ব ভিন ভিন, কাৰোবাৰ মাংসপেশীত শক্তি বেছি, কাৰোবাৰ আকৌ চিন্তা কৰাৰ শক্তি বেছি ইত্যাদি। এই যে এটা প্ৰজাতি হোৱা সত্বেও আমাৰ মাজত এই ব্যাপক তাৰতম্য পৰিলক্ষিত হয়, যাক কোৱা হয় জিনগত বৈচিত্ৰতা বা Genetic Diversity, এইটোও জৈৱ-বৈচিত্ৰতাৰ এটা প্ৰধান ভাগ।

এতিয়া ধৰক, মই যদি কওঁ নেচাৰ্ছ বেকন নামৰ সংগঠনটোৰ সদস্যসকলে জৈৱ-বিচিত্ৰতা সংৰক্ষণৰ

কাৰণে কাম কৰে, লগে লগে আপুনি বুজিব পাৰিব যে তাৰমানে—এই সংগঠনৰ সৈতে যুক্ত ব্যক্তিসকলে প্ৰজাতিৰ সংৰক্ষণৰ কাৰণে কাম কৰে, প্ৰজাতিৰ বাসস্থান সংৰক্ষণৰ বাবে কাম কৰে আৰু একেই প্ৰজাতিৰ ভিতৰৰ ভিন্নতা সংৰক্ষণৰ কাৰণেও কাম কৰে। 'জৈৱ-বিচিত্ৰতা' বহুকথাৰ সামগ্ৰিকভাৱে এটা পৰিভাষা।

জৈৱ-বিচিত্ৰতা আমাৰ প্ৰত্যেকৰ জীৱনৰ সৈতে ওতঃপ্ৰোতঃভাৱে জড়িত এক অবিচ্ছেদ্য জীৱনীশক্তিৰ নামান্তৰ মাত্ৰ। আপোনাৰ-মোৰ স্বাস্থ্য, জীৱন ধাৰণ, জীৱিকা, বিকাশ গোটেইখিনি নিৰ্ভৰ কৰে জৈৱ-বিচিত্ৰতাৰ ওপৰত। আমি বহু সময়ত এক মাৰাত্মক ভুল ধাৰণাৰ বশৱৰ্তী হৈ আমাৰ চিন্তাক পৰিচালিত কৰো বা আমাৰ চিন্তা ভুল ধাৰণাৰ বশৱৰ্তী হৈ থাকে। ভ্ৰমবশতঃ আমি ভাবোঁ—'অৰ্থ বা টকাই আমাক সকলো বস্তু দিব পাৰে।' কিন্তু 'টকা' হ'ল প্ৰয়োজনীয় বস্তু সংগ্ৰহ কৰাৰ এটা মাধ্যম, টকাই আপোনাৰ সুস্বাস্থ্য দিব নোৱাৰে, অকল টকাই ছাত্ৰ-ছাত্ৰী আৰু সন্তানৰ পৰিপুষ্টি আৰু মানসিক বিকাশ সাধন কৰিব নোৱাৰে, টকাই আমাৰ পৰৱৰ্তী প্ৰজন্মক এই পৃথিৱীত বা এই ভূমিত সুৰক্ষিত কৰি ৰখাৰ প্ৰতিশ্ৰুতিও দিব নোৱাৰে; কিন্তু এই গোটেইখিনি সম্ভৱ হ'ব পাৰে জৈৱ-বিচিত্ৰতাৰ ন্যায্য ব্যৱহাৰ আৰু সংৰক্ষণৰ মাধ্যমেৰে। টকা এনেকুৱা এটা কৃত্ৰিম উপাদান যিটোৰে আমি মানুহৰ শ্ৰম ক্ৰয় কৰোঁ, কিন্তু প্ৰকৃতিত যদি জৈৱ-বিচিত্ৰতাৰ অভাৱ ঘটে বা কোনো কাৰণত যদি জৈৱ-বিচিত্ৰতা বিপৰ্যস্ত হয়, তেনেহ'লে টকা আমাৰ ওচৰত হৈ পৰিব মূল্যহীন।

পৃথিৱীত আমিয়ে হয়তো সকলোতকৈ গৰ্বিত আৰু অহংকাৰী প্ৰজাতি, যিসকলে আত্ম-অহংকাৰত বিপৰ্যস্ত কৰি তুলিছো পৃথিৱীৰ পৰিৱেশ। আমাৰ মাজত এনেকুৱা এটা ধাৰণাৰ আবিৰ্ভাৱ হৈছে যাৰ দ্বাৰা আমি ভাবো যে আমাৰ বৰ্তমানৰ সুখ-স্বাচ্ছন্দ্যৰ যিবোৰ আহিলা আছে সেই আটাইবোৰকে আমি অৰ্থাৎ মানুহবোৰে তৈয়াৰ কৰিছে। কিন্তু আপুনি ভালদৰে আকৌ এবাৰ ভাবি চাওক, আপোনাৰ চাৰিওকাষত যিবোৰ কৃত্ৰিম বস্তু আছে তাৰ কোনোটোৱেই মানুহে তৈয়াৰ কৰা নাই, যেনে ধৰক -- আপুনি বৰ্তমান পিন্ধি থকা কাপোৰ-কানিবোৰ, যিখন চকীত আপুনি বহি আছে সেই চকীখন, যিটো ঘৰত আপুনি আছে সেই ঘৰটো, আপোনাৰ কোঠাটোৰ বিজুলীবাতি, ফোন আৰু তাৰ বিদ্যুৎবোৰ, আপোনাৰ হাতত থকা বাতৰি-কাকতখন ইত্যাদি গোটেইবোৰ বস্তু। আমি কওঁ -- 'এইবোৰ মানুহে তৈয়াৰ কৰিছে'; 'মানুহে বনাইছে; কিন্তু আচলতে এই গোটেইবোৰ বস্তু আমি অৰ্থাৎ মানুহে শ্ৰম আৰু বুদ্ধি প্ৰয়োগ কৰি অকল ৰূপান্তৰহে কৰিছো, এই বস্তুবোৰ আচলতে উৎপাদিত হৈছিল জৈৱ-বিচিত্ৰতাৰ মাজত। জৈৱ-বিচিত্ৰতাই আচল প্ৰগতি আৰু সমৃদ্ধিৰ আঁকৰস্বৰূপ। প্ৰত্যেক দিনা বা প্ৰত্যেক সপ্তাহত আপুনি যেতিয়া বজাৰলৈ যায় বা আপোনাৰ পৰিয়ালৰ কাৰণে যেতিয়া কাৰোবাক কিছু টকা দি বজাৰ কৰিবলৈ পঠিয়ায় তেতিয়া আচলতে জৈৱ-বিচিত্ৰতা সংগ্ৰহ কৰিবলৈ যোৱা হয়। এতিয়া যদি আমাৰ প্ৰকৃতিত বা ৰাজ্যত জৈৱ-বিচিত্ৰতাৰ প্ৰাচুৰ্যই নাথাকে, তেনেহ'লে আপুনি সংগ্ৰহ কৰিব কি? আজি জৈৱ-বিচিত্ৰতাৰ পৰা আমাৰ বজাৰবোৰলৈ আহে বিভিন্ন প্ৰজাতিৰ মাছ, শাক-পাচলি, ফল-মূল, ফুল আৰু বিভিন্ন বীজ আৰু বিভিন্ন ব্যৱহাৰ্য বস্তু। জৈৱ-বৈচিত্ৰতাৰ ওপৰত আমি প্ৰত্যেকেই সম্পূৰ্ণ নিৰ্ভৰশীল -- যিয়ে যিমানেই ধনী নহওক কিয় বা যিমানেই দুখীয়াই নহওক কিয় জৈৱ-বিচিত্ৰতাৰ নিৰ্ভৰশীলতাৰ

মাপকাঠিত সকলোৰে সমান। আজি ইউৰোপ, আমেৰিকা আৰু পাশ্চাত্যৰ দেশবোৰে লক্ষ লক্ষ টকা বা ডলাৰ আফ্ৰিকা, এছিয়া আৰু দক্ষিণ-পূব এছিয়াৰ দেশবোৰৰ অৰণ্য তথা জৈৱ-বিচিত্ৰতাৰ সংৰক্ষণৰ কাৰণে খৰচ কৰে -- তাৰ কাৰণ, এইবোৰ শিক্ষিত আৰু দূৰদৃষ্টিসম্পন্ন দেশৰ নাগৰিকসকলে জানে— পৃথিৱীত জৈৱ-বৈচিত্ৰতাৰ অভাৱ হ'লে তেওঁলোকৰ অৰ্থ হৈ পৰিব মূল্যহীন। সেয়েহে জৈৱ-বিচিত্ৰতাৰ সংৰক্ষণৰ কাৰণে অৰ্থ ব্যয় কৰা মানেই হৈছে প্ৰকৃতাৰ্থত অৰ্থৰ মূল্য অটুত ৰখা।

বৰ্তমানে আমাৰ ব্যৱসায়-বাণিজ্য, পৰম্পৰাগত সংস্কৃতি আনকি ৰোগ নিবাৰণৰ কাৰণে প্ৰয়োজনীয় ঔষধ-পাতি, গোটেইখিনি নিৰ্ভৰ কৰে জৈৱ-বিচিত্ৰতাৰ ওপৰত। আমাৰ অৰণ্য আৰু জলাহ ভূমিবোৰ জৈৱ-বিচিত্ৰতাৰ ভাণ্ডাৰ স্বৰূপ। জৈৱ-বিচিত্ৰতাক সংৰক্ষণ কৰাৰ অৰ্থ হৈছে সম্পূৰ্ণ পৰিস্থিতি-তন্ত্ৰটোকেই এক স্থিৰ বিন্দুত প্ৰতিষ্ঠিত কৰা। জৈৱ-বিচিত্ৰতাত সমৃদ্ধশালী হোৱা যেন এক প্ৰাকৃতিক আশীৰ্বাদ। ইউৰোপ, আমেৰিকা বা পাশ্চাত্যৰ দেশবোৰতকৈ জৈৱ-বিচিত্ৰতাত ইমান সমৃদ্ধিশালী হৈয়ো ইয়াৰ সংৰক্ষণৰ ক্ষেত্ৰত আমি ইমান উদাসীন কিয়? তাৰ কাৰণ হ'ল, আমি আমাৰ তৃণমূল পৰ্যায়ৰ মানুহবোৰক জৈৱ-বিচিত্ৰতা সম্পৰ্কে ভালকৈ বুজাবলৈ সক্ষম হোৱা নাই। এটা সময় আছিল যেতিয়া আমাৰ সমাজ পৰিচালিত হৈছিল ধাৰ্মিক, আধ্যাত্মিক আৰু পৰম্পৰাগত পৰিকাঠামোৰ আধাৰত। তেতিয়া আমাৰ পিতামহ, প্ৰ-পিতামহ আৰু আধ্যাত্মিক মহাপুৰুষসকলে সামাজিক নীতি-নিয়মৰ মাজেৰে আমাক শিকাইছিল জৈৱ-বিচিত্ৰতা সংৰক্ষণৰ কথা আৰু আমাৰ জীৱন প্ৰক্ৰিয়াত তাৰ প্ৰভাৱ আছিল অপৰিসীম। কিন্তু আধুনিক প্ৰগতিৰ লগত, তালত তাল মিলাবলৈ গৈ আমি যেন আজি কক্ষচ্যুত। আজি আমি পৰম্পৰাগত ধ্যান-ধাৰণাৰ মাজত আবদ্ধ নহয়, আকৌ সম্পূৰ্ণ আধুনিক বিজ্ঞানভিত্তিক যুক্তিৰ ন্যায্য সমৰ্থকো নহয়। সেই কাৰণে আজি আমাৰ সমাজত সংৰক্ষণৰ কাৰ্য দুৰ্বল।

আমাৰ প্ৰাকৃতিক অৰণ্যবোৰ জৈৱ-বিচিত্ৰতাৰ ভাণ্ডাৰ স্বৰূপ। সেয়েহে অৰণ্য সংৰক্ষণৰ লগতে জৈৱ-বিচিত্ৰতা সংৰক্ষণৰ কথাটো ওতঃপ্ৰোতঃভাৱে জড়িত হৈ আছে। অসমত জৈৱ-বিচিত্ৰতা সংৰক্ষণৰ লক্ষ্য আগত ৰাখি অসমৰ কিছুমান সমৃদ্ধিশালী অৰণ্যক অভয়াৰণ্য ৰূপে সংৰক্ষিত কৰাৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। অসমত এই অভয়াৰণ্য গঠনৰ আন্দোলনৰ জৰিয়তে বহু গুৰুত্বপূৰ্ণ জৈৱ-বিচিত্ৰতাপূৰ্ণ অঞ্চলক অভয়াৰণ্য ৰূপে সংৰক্ষিত কৰা সম্ভৱ হৈছে। শেহতীয়াভাৱে অসমত সংৰক্ষিত হৈছে এখন অতুলনীয় জৈৱ-বিচিত্ৰতাৰ ভঁৰাল, যাৰ নাম -- 'দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান'।

আমাৰ অসমত যিমান অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যান আছে তাৰ ভিতৰত অন্যতম সমৃদ্ধিশালী ৰাষ্ট্ৰীয় উদ্যান হৈছে উজনি অসমৰ দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান। বৰ্তমান ৰাষ্ট্ৰীয় উদ্যানলৈ উন্নীত হোৱাৰ পূৰ্বে ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ জয়পুৰ, আপাৰদিহিং আৰু দিৰাক বৰ্ষাৰণ্যৰ এক ক্ষুদ্ৰ অঞ্চলক লৈ গঠন কৰা হৈছিল এই অভয়াৰণ্য। এই অভয়াৰণ্যৰ জন্মৰ মূলতে আছে নেচাৰ্ছ বেকন নামৰ প্ৰকৃতি সংৰক্ষণকাৰী গোষ্ঠী আৰু শত-সহস্ৰ প্ৰকৃতিপ্ৰেমী অসমীয়া লোক। যদিও এই অভয়াৰণ্য গঠনৰ প্ৰক্ৰিয়া বা ইয়াৰ সম্পূৰ্ণ অঞ্চলৰ সংৰক্ষণ প্ৰক্ৰিয়া এতিয়াও সম্পূৰ্ণ হোৱা নাই, তথাপি নেচাৰ্ছ বেকনে লক্ষ্য হিচাপে বাছি লোৱা ইয়াৰ পাঁচশ বৰ্গ কিলোমিটাৰ অঞ্চলৰ ১১১.১৯ বৰ্গ কিলোমিটাৰ অঞ্চলক সামৰি

২০০৪ চনৰ ১৩ জুনত গঠন কৰা হৈছিল এই অভয়াৰণ্য আৰু পৰৱৰ্তী সময়ত ২০২০ চনৰ ১৩ ডিচেম্বৰত ৰাজ্য চৰকাৰে দিহিং-পাটকাই অভয়াৰণ্যক ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰাৰ পিছত ২০২১ চনৰ ৯ জুনত পুনৰ ১১২.৪৬ বৰ্গ কিলোমিটাৰ অঞ্চলকে ধৰি মুঠ ২৩১.৬৫ বৰ্গ কিলোমিটাৰ বনাঞ্চলক সামৰি দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান গঠন কৰে। অদূৰ ভৱিষ্যতত নেচাৰ্ছ বেকন, অসমৰ প্ৰকৃতিপ্ৰেমী ৰাইজ আৰু অসমক আন্তৰিকভাৱে ভাল পোৱা ৰাজনৈতিক নেতা তথা বুদ্ধিজীৱীৰ প্ৰচেষ্টাত উজনিৰ সম্পূৰ্ণ বৰ্ষাৰণ্য সংৰক্ষিত হ'ব বুলি মোৰ বিশ্বাস। উজনি অসম অৰ্থাৎ ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ সমৃদ্ধিশালী বৰ্ষাৰণ্যৰ এটা অঞ্চলে বৰ্তমানেও আইনী সুৰক্ষা পোৱা নাই, কিন্তু এই অৰণ্য দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ লগত সংলগ্ন এক অবিচ্ছিন্ন অংশ। সেই সমৃদ্ধিশালী অৰণ্যক কঠোৰভাৱে সংৰক্ষিত ৰখাৰ দায়িত্ব বৰ্তমানে অসমৰ বেচৰকাৰী সংগঠন তথা ৰাইজৰ। বৰ্তমান দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান আৰু ইয়াৰ সংলগ্ন বৰ্ষাৰণ্য অঞ্চল ভাৰতৰ এক উৎকৃষ্ট জৈৱ-বৈচিত্ৰ্যপূৰ্ণ অঞ্চল।

এই অভয়াৰণ্যৰ অৰণ্য আৰু বৃক্ষ-বিন্যাস অসমৰ প্ৰকৃতি ইতিহাসত এক বিস্ময়। কোনো প্ৰকৃতিপ্ৰিয় ব্যক্তি, প্ৰকৃতি বিজ্ঞানী বা প্ৰকৃতি ইতিহাসৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই অৰণ্যৰ উদ্ভিদৰাজি নিশ্চিতভাৱে এক গুৰুত্বপূৰ্ণ গৱেষণা তথা অনুসন্ধানৰ বিষয়। অসমৰ অন্যান্য অভয়াৰণ্য তথা ৰাষ্ট্ৰীয় উদ্যান প্ৰত্যক্ষ কৰাৰ পিছত কোনোবাই যদি এই ৰাষ্ট্ৰীয় উদ্যানৰ উদ্ভিদৰাজি প্ৰত্যক্ষ কৰে, তেনেহ'লে তেওঁ এই তাৰতম্য বৰ সহজেই উপলব্ধি কৰিব পাৰিব। স্তন্যপায়ী বন্যপ্ৰাণীৰ বৈচিত্ৰ্যৰ ফালৰ পৰাও এই অৰণ্য অতি সমৃদ্ধ। ৪০ বিধ প্ৰজাতিৰ স্তন্যপায়ী বন্যপ্ৰাণী পোৱা যায় এই ৰাষ্ট্ৰীয় উদ্যানত। এই চল্লিশবিধ প্ৰজাতিৰ স্তন্যপায়ী বন্যপ্ৰাণীৰ ভিতৰত ১৮টা প্ৰজাতি স্তন্যপায়ী বন্যপ্ৰাণী বিশ্বব্যাপি লুপ্তপ্ৰায় প্ৰজাতিৰ তালিকাত অন্তৰ্ভুক্ত। এই লুপ্তপ্ৰায় স্তন্যপায়ী বন্যপ্ৰাণীবোৰ হ'ল— হাতী, ঢেঁকীয়াপতীয়া বাঘ, নাহৰফুটুকী, গোধা ফুটুকী, হিমালয়ৰ ভালুক, মাটি ভালুক, কেঁকোৰাখোৱা নেউল, হলৌ বান্দৰ, লাজুকী বান্দৰ, টুপীমূৰীয়া বান্দৰ, গাহৰিনেজীয়া বান্দৰ, ষ্টাম্পটেল মেকাক, ৰাং কুকুৰ, বনৰৌ, দেওশৰ, হালধীয়া মাৰটিন ইত্যাদি। এই বৰ্ষাৰণ্য সংৰক্ষণৰ লগতে এই গোটেইবোৰ প্ৰজাতিৰ সংৰক্ষণৰ দিশটো ওতপ্ৰোতভাৱে যুক্ত হৈ আছে। এই অভয়াৰণ্য তথা বৰ্ষাৰণ্য বান্দৰজাতীয় প্ৰাণীৰ বৈচিত্ৰ্যৰ ক্ষেত্ৰত ভাৰতৰ ভিতৰতে সৰ্বোৎকৃষ্ট। এই অঞ্চলৰ নিচিনা সাতটা প্ৰজাতিৰ বান্দৰজাতীয় প্ৰাণী ভাৰতৰ কোনো অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত স্বাভাৱিক পৰিস্থিতিত দেখা পোৱা নাযায়।

বনৰীয়া চৰাইৰ ক্ষেত্ৰত দিহিং-পাটকাই ৰাষ্ট্ৰীয় উদ্যান অতি সমৃদ্ধ। এই অঞ্চলত ৩০০ টা প্ৰজাতিৰ বনৰীয়া চৰাইক নথিভুক্ত কৰা হৈছে, যাৰ ভিতৰত বহুকেইটা প্ৰজাতিৰ সংখ্যা অত্যন্ত কম তথা বিশ্বব্যাপি লুপ্তপ্ৰায়। উল্লেখযোগ্য যে এই অঞ্চলৰ চৰাইৰ বৈচিত্ৰ্যৰ ওপৰত এক অধ্যয়ন চলোৱা হৈছিল। এই অধ্যয়নত নেচাৰ্ছ বেকন, বম্বে নেচাৰেল হিষ্ট্ৰী ছ'চাইটি আৰু বাৰ্ড লাইফ ইণ্টাৰনেচনেল নামৰ এটা সংস্থাই একত্ৰিতভাৱে কাম কৰিছিল। এই অধ্যয়নৰ পিছত এই অঞ্চলক IBA অৰ্থাৎ Important Bird Area Site বুলি প্ৰতিপন্ন কৰা হৈছে। এই অঞ্চলত পোৱা যায় পাঁচটা প্ৰজাতিৰ ধনেশ চৰাই, বিভিন্ন প্ৰজাতিৰ শেন, ঈগল, হুদু অৰ্থাৎ মাংসাহাৰী চিকাৰী চৰাই, ভদৰকলী, মৌপিয়া, হাইঠা, ফেঁচু, ভীমৰাজ, ৰূপহী,

চুলতান টিট্, বুলবুলি, ট্ৰগন, ডৰিক, বাঢ়ৈটোকা, শিলকপৌ ইত্যাদি চৰাই। পৃথিৱীৰ অন্যতম দুষ্প্ৰাপ্য বনৰীয়া হাঁহ তথা অসমৰ ৰাজ্যিক চৰাই দেওহাঁহৰ এক উৎকৃষ্ট বাসস্থানএই অঞ্চল। পৃথিৱীৰ ভিতৰতে দেওহাঁহৰ সংখ্যা ইয়াতে বেছি।

বিভিন্ন প্ৰজাতিৰ পখিলা আৰু হাজাৰ হাজাৰ পতংগৰ বাসস্থান দিহিং পাটকাই অৰণ্য অঞ্চল, সৰীসৃপ আৰু উভচৰ গোষ্ঠীৰ কিছুমান আপুৰুগীয়া প্ৰজাতি পোৱা যায় এই অঞ্চলত। অঞ্চলটো এক অতি গুৰুত্বপূৰ্ণ হস্তীবসতি অঞ্চল। ভাৰত চৰকাৰৰ হস্তী প্ৰকল্পত এই অঞ্চলক সামৰি লোৱা হৈছে। ফলত হস্তী সংৰক্ষণৰ বা হাতী প্ৰকল্পৰ কৃতকাৰ্যতা বহুখিনি নিৰ্ভৰ কৰিছে অঞ্চলটোৰ অৰণ্য সংৰক্ষণৰ ওপৰত। ইয়াৰ বাহিৰেও বিভিন্ন প্ৰজাতিৰ বন্যপ্ৰাণী, যেনে -- শৰ পহু, সুগৰী পহু, কেটেলা পহু, জহামাল, নেউল, লতামাকৰি, হেপা, কেৰ্কেটুৱা ইত্যাদিও আছে এই অৰণ্যত যথেষ্ট। বন্যপ্ৰাণীৰ প্ৰাচুৰ্য, পৰিস্থিতিভিত্তিক বৈশিষ্ট্য আৰু ব্যাপ্তিয়ে দিহিং পাটকাই অঞ্চলক এক অসাধাৰণ মাত্ৰা প্ৰদান কৰিছে। উজনি অসমৰ পৰ্যটন শিল্পৰ ভৱিষ্যৎ বহুখিনি নিৰ্ভৰ কৰিছে এই অঞ্চলৰ ওপৰত। কিয়নো উজনি অসমৰ দিহিং পাটকায়েই একমাত্ৰ অঞ্চল, যিয়ে পৰ্যাপ্ত পৰিমাণে আন্তৰ্জাতিক আৰু ঘৰুৱা পৰ্যটকক এই অঞ্চললৈ আকৃষ্ট কৰিব পাৰে। এই অঞ্চলক কেন্দ্ৰ কৰি পৰ্যটন-শিল্প গঢ়ি উঠাৰ বাবে যি সুবিধা আৰু সমল আছে, উজনি অসমৰ ক'তো তেনেকুৱা নাই। এই অঞ্চলত পৰ্যটন শিল্প গঢ়ি উঠাৰ সুবিধাখিনি লৈ যদি আমি আলোচনা কৰোঁ, তেনেহ'লে আমাৰ ওচৰত ইয়াৰ সম্ভাৱনাৰ কথা স্পষ্ট হৈ উঠিব। প্ৰথমতে এই অঞ্চল এক অবিশ্বাস্য বৰ্ষাৰণ্য তথা বন্যপ্ৰাণী সমৃদ্ধ অঞ্চল। এই বৰ্ষাৰণ্য আৰু ইয়াৰ বন্যপ্ৰাণীয়ে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰকৃতিপ্ৰেমী পৰ্যটকক আকৰ্ষিত কৰিব পাৰে। দ্বিতীয়তে এই অঞ্চল বানপানীৰ দ্বাৰা আক্ৰান্ত অঞ্চল নহয়, ফলত বছৰৰ যিকোনো ঋতুতেই ইয়াত ভ্ৰমণ কৰিব পাৰি। তৃতীয়তে এই অঞ্চলত বৰ সহজে গাড়ী লৈ, মটৰ চাইকেল লৈ, চাইকেলেৰে বা খোজকাঢ়িও যাব পৰা যায়। ডিব্ৰু-ছৈখোৱা বা পানীদিহিং অঞ্চলৰ অভ্যন্তৰত যেনেকৈ গাড়ী লৈ যোৱা সম্ভৱ নহয়, তেনেকুৱা অসুবিধা ইয়াত নাই। চতুৰ্থতে এই অভয়াৰণ্য বিভিন্ন চহৰৰ লগত পকী ৰাস্তাৰে সংযোজিত। ডিব্ৰুগড়, তিনিচুকীয়া, দুলীয়াজান, মাকুম, ডিগবৈ, নাহৰকটীয়া, নামৰূপ, জয়পুৰ ইত্যাদি সমস্ত অঞ্চলৰ পৰা এই অঞ্চললৈ নিয়মিত বাছ চলাচল কৰে। পঞ্চমতে ভাৰতৰ বিভিন্ন প্ৰান্ত তথা মহানগৰীবোৰৰ পৰা ৰে'লেৰে অহা-যোৱাৰ সুবিধা আছে। দিল্লী, কলকাতা, গুৱাহাটী, বাগডোগ্ৰা ইত্যাদিৰ সৈতে নিয়মিত বিমান সেৱাৰ ব্যৱস্থা ইতিমধ্যেই এই অঞ্চলত প্ৰচলিত। ডিব্ৰুগড়ৰ মোহনবাৰী বিমানবন্দৰৰ পৰা গাড়ীৰে এই অঞ্চললৈ যাবৰ বাবে সময় লাগে মাত্ৰ দুঘণ্টা। পৰ্যটকসকলে এই অঞ্চলত যিবোৰ সুবিধা গ্ৰহণ কৰিব পাৰে ভাৰতৰ বেলেগ কোনো অভয়াৰণ্যত বা ৰাষ্ট্ৰীয় উদ্যানত তেনেকুৱা সুবিধা বিৰল। এই অঞ্চলত চৰাই পৰ্যবেক্ষণ কৰিব পাৰি, জংঘল ট্ৰেকিং, মেমালছ ৱাচিং (mammalwatching), ৰেফ্টিং, এলিফেণ্ট ৰাইডিং, জংঘল কেম্প, নেচাৰ ফটোগ্ৰাফী ইত্যাদি সকলোধৰণৰ অৰণ্যভিত্তিক কাম-কাজ হ'ব পাৰে যিবোৰৰ বাবে পৰ্যটকসকল ব্যাকুল হৈ থাকে। দিহিং-পাটকাই অভয়াৰণ্যক প্ৰধান দ্ৰষ্টব্য স্থান হিচাপে বাছি লৈ পৰ্যটকসকলে অৰুণাচলৰ বিভিন্ন স্থান, যেনে -- খুনছা, দেওমালী, বৰদুৰীয়া, আনকি তেজু, পাছিঘাট, মালিনীথান ইত্যাদি দৰ্শনৰো সুবিধা ল'ব পাৰে। দিহিং-



পাটকাই পৰিভ্ৰমণ কৰাৰ পিছত পৰ্যটকসকলে শিৱসাগৰ জিলাৰ বিভিন্ন মন্দিৰ আৰু স্থাপত্য পৰিদৰ্শন কৰিব পাৰে। মুঠতে বৰ্ষাৰণ্য তথা দিহিং পাটকাই এনেকুৱা এটা অঞ্চল, যিখনে বিশ্ব পৰ্যটকক এই অঞ্চলৰ পিনে আকৃষ্ট কৰিব, ফলত এই অঞ্চলৰ ওচৰ-পাঁজৰৰ পৰ্যটনস্থলীবোৰো তাৰ দ্বাৰা উপকৃত হ'ব। দিহিং-পাটকাইক কেন্দ্ৰ কৰি তাৰ চাৰিওপিনৰ জনজাতীয় কৃষ্টি-সংস্কৃতি আৰু জীৱনশৈলী পৰ্যবেক্ষণ কৰাৰো প্ৰত্যক্ষ সুযোগ পায় পৰ্যটকসকলে। দিহিং-পাটকাই তথা বৰ্ষাৰণ্যৰ চাৰিওপিনে যিবোৰ গাঁও আছে, তাৰ মানুহবোৰ অতিথিপৰায়ণ তথা সহযোগিতা আগবঢ়োৱাত তেওঁলোকে কাৰ্পণ্য নকৰে। ভাৰতৰ প্ৰথম বৰ্ষাৰণ্য উৎসৱৰ সময়ত এই কথাৰ সত্যতা প্ৰমাণিত হৈছে। সেই সময়ত জয়পুৰবাসীয়ে পৃথিৱীৰ বিভিন্ন দেশৰ পৰা অহা পৰ্যটকসকলক যিদৰে আদৰ-আপ্যায়ন কৰিছিল, তাৰ বাবে সমগ্ৰ অসমবাসী গৰ্বিত হোৱা উচিত।

সেই সময়ত ডিব্ৰুগড় জিলাৰ জয়পুৰবাসীয়ে এইটো কথা প্ৰমাণ কৰিছিল যে অসমীয়া ৰাইজে স্বদেশী-বিদেশী পৰ্যটকসকলক আকোৱালি ল'ব জানে। জয়পুৰলৈ আহি থাকি যোৱা থাইলেণ্ড, আমেৰিকা, ইণ্ডোনেছিয়া, বলিভিয়া আৰু অষ্ট্ৰেলিয়াৰ বন্ধুসকলে এতিয়াও মোক চিঠিৰে জয়পুৰবাসীৰ কথা সোধে, আকৌ আহিবলৈ বিচাৰে জয়পুৰলৈ। আমাৰ বৰ্ষাৰণ্যই এই বিদেশী পৰ্যটকসকলক যিমান মোহিত কৰিছিল, সিমানেই মোহিত কৰিছিল জয়পুৰবাসীয়ে। জয়পুৰ অঞ্চলত যদি অলপ পৰিকাঠামোগত ব্যৱস্থাৰ উন্নতি সাধন কৰিব পৰা যায়, তেনেহ'লে এই অঞ্চল হ'ব উজনি অসমৰ পৰ্যটন শিল্পৰ প্ৰাণকেন্দ্ৰ। মোৰ বোধেৰে এই অঞ্চলৰ বিধায়ক-মন্ত্ৰী তথা ৰাজনৈতিক নেতৃবৃন্দই পৰ্যটন শিল্পৰ বিকাশৰ বাবে অলপ চিন্তা তথা কাম কৰা উচিত। এই অঞ্চলৰ পৰ্যটন বিকাশৰ মাজেৰে সামগ্ৰিকভাৱে এই অঞ্চলৰ লোকৰ অৰ্থনৈতিক বিকাশ ঘটোৱাও সম্ভৱ। প্ৰকৃতি সংৰক্ষণ

আৰু জয়পুৰ অঞ্চলৰ তথা সমগ্ৰ বৰ্ষাৰণ্যক কেন্দ্ৰ কৰি এই অঞ্চলক উল্লেখযোগ্য পৰ্যটনস্থলীলৈ উন্নীত কৰিবলৈ আমি অংগীকাৰবদ্ধ।

দিহিং-পাটকাই অভয়াৰণ্যৰ জন্মৰ পূৰ্বৰে পৰা আজিলৈকে নেচাৰ্চ বেকনে এই অমূল্য সম্পদ সংৰক্ষণৰ বাবে নিৰন্তৰভাৱে কাম কৰি আহিছে। ২০০১চনত জয়পুৰত প্ৰথম বৰ্ষাৰণ্য উৎসৱৰ আৰম্ভ কৰিছিল নেচাৰ্চ বেকনে। সেই ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখি ২০১৩চনত আকাশবাণী ডিব্ৰুগড়ৰ লগত যুগ্মভাৱে নেচাৰ্চ বেকনে জয়পুৰতে ধৰিত্ৰী উৎসৱ-২০১৩ অনুষ্ঠিত কৰে।

পৰিৱেশ সংৰক্ষণ বৰ্তমান সময়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়। আমাৰ বনাঞ্চলবোৰক কোনো কাৰণতে আৰু অধিক বিনষ্ট হ'বলৈ নিদি সংৰক্ষণ কৰাটো কিমান প্ৰয়োজনীয় তাক প্ৰকৃতিয়ে আমাক বুজাবলৈ ইতিমধ্যে আৰম্ভ কৰিছে। আমি কিছুমান অস্বাভাৱিক প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছো। কিন্তু সেয়া হ'লেও এতিয়াও পৰিস্থিতিয়ে আমাৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱা নাই। এতিয়াও আমাৰ হাতত সম্পদ হৈ বহুতো বনাঞ্চল আছে। কিছুমান সুৰক্ষিত আৰু কিছুমান এতিয়াও অসুৰক্ষিত। এই সম্পদ ৰক্ষা কৰিব পৰিম যদিহে ইয়াৰ মাহাত্ম্য আৰু গুৰুত্ব আমি সকলোৱে জানো আৰু বুজো। সেয়েহে প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয়ৰ পৰ্যায়লৈ পাঠ্যক্ৰমত পৰিৱেশ শিক্ষা অন্তৰ্ভুক্ত কৰাৰ লগে লগে সেই বনাঞ্চলবিলাকত বাধ্যতামূলকভাৱে ছাত্ৰ-ছাত্ৰীক ভ্ৰমণ কৰোৱাই প্ৰায়োগিক শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। প্ৰয়োজন সাপেক্ষে এনে বনাঞ্চলৰ আশে-পাশে কোনো শিক্ষানুষ্ঠানৰ অধ্যয়ন কেন্দ্ৰ বা গৱেষণাগাৰো প্ৰতিষ্ঠিত হ'ব পাৰে।

আমাৰ বৰ্ষাৰণ্য, দিহিং-পাটকাই অভয়াৰণ্যৰ পৰাই আমি এনেধৰণৰ প্ৰচেষ্টা আৰম্ভ কৰিব পাৰোঁ। জৈৱ-বিচিত্ৰতাৰ সংৰক্ষণৰ বাবে আমি আমাৰ সমৃদ্ধিশালী অৰণ্যবোৰক অভয়াৰণ্যলৈ উন্নীত কৰিব লাগিব। এই সামগ্ৰিক প্ৰক্ৰিয়াত আমি সাধাৰণ মানুহবোৰকো অন্তৰ্ভুক্ত কৰিব লাগিব। আমাৰ নতুন প্ৰজন্মই আমাৰ অবিশ্বাস্য জৈৱ-বিচিত্ৰতাৰ ভঁড়াল স্বৰূপ আমাৰ অৰণ্যবোৰক সংৰক্ষণ দিয়াৰ বাবে নিশ্চয় আগবাঢ়ি আহিব।

দূৰভাষ ঃ ০৯৭০৬৩ ০৯৩৩১
ই-মেইল ঃ bapatidatta@gmail.com

কবিতা

# শংখধ্বনিৰ সৰৱ নিনাদ হৈ

✍ স্নেহাংকৰ

ৰ'ল যি ৰ'লেই থমকি
বেথা পাহৰিব নোৱাৰা মন
চমকি নৰ'লনে ক'ৰ'বাত কাৰোবাৰ
সময়
অফুট
গোজৰণি নিজতে সামৰি
নিৰৱ নিতাল সাগৰ
ভৰিৰ তলতো ওপৰতো
এধানি মেঘে নমাইছে উৰুৱাইছে আজিও আকাশ
ওলোটাকৈ আজিও বৈ নাযায় জানো নৰ্মদা
ইমান অভিমানী নদী

একেখনেই পৃথিৱীৰ
ছমাহ তিমিৰাচ্ছন্ন কৰি নৰৱে'ত নোলোৱাকৈ নাথাকেনে বেলি

শিলবোৰ সদায় শিল হৈ নাথাকে
কংক্ৰিটৰ ছাদতো মাটি অবিহনে
ছানি ধৰা দেখা নাইনে
শিপা
কোনো নৈ মাথোঁ নৈ হৈয়েই নাথাকে বৈ
উজায়ে হওক অথবা ভটীয়াই
শেহত পৰেগৈ সমুদ্ৰ ভেদি

বুকু ভালপোৱাৰ ধান গোন্ধোৱা উন্মাদনাই
শংখধ্বনিৰ সৰৱ নিনাদ হৈ
চিৰ উজাগৰে ৰাখে এমুঠি মানুহ স্বাভিমানী।

দুৰভাষ ঃ ০৮৭২৪০ ২৪০৭১
ই-মেইল ঃ snehankar@gmail.com

ৰচনা- ২০২৫

কবিতা

# খুনা-খুনি খেলোঁ আহা

✍ অপৰাজ

(এক)
খুনা-খুনি খেলোঁ আহা

তুমি মোৰ, মই তোমাৰ
বুকুত ঠিক একে সময়তে
ছুৰিখন বহাই দিম—
কলিজা উঘালি আনি
শ্ব'কেচত সজাম
চকু ঘুকটিম, একুৱেৰিয়ামত সাঁতুৰিব।

বুকুৱে-চকুৱে তেজ সানি
ৰাজপথলৈ ওলাই যাম—
ভাবুকৰ চিন্তা শেষ হ'ব
মুহূর্ত্তহীন কৰ্মঠ মানুহবোৰে
ৰ লাগি চাব

মাতাল ঘোঁৰাৰ হেঁহনি
উদ্দাম অংকুশৰ খোচত
ৰজনজ্‌নাই যাব
নীলা আকাশ আচ্ছাদিত, ৰঞ্জিত সময়

আৰু আমি আমাৰ
অভিনয় অথবা খেল প্ৰদৰ্শনত
১০০ শতাংশই হ'ম—

মাথো চুৰি বহোৱা মুহূৰ্ত্তটো মিলিলেই হ'ল।

(দুই)
আৰু আমি কি কৰিব পাৰো
মঙহ টনাৰ খেলো যেতিয়া নিষিদ্ধ
ওপৰে-তলে ফান্দ

কুকুৰনেছীয়া দাঁত দুটা
জাগলাৰি ছুৰি দুখনেই
সৰ্বস্ব বুলি ভাবিবলৈ আমি বাধ্য

কি নিপুণ কাৰিকৰৰ সৃষ্টি
এই বধ্যভূমি
গৰ্ভধাৰণো য'ত প্ৰহসন।

প্ৰসূতি বিভাগৰ ৰক্ত বিজড়িত দুৰ্নীতিয়ে যদি
মেল নুখুৰায় চকু
অথবা জপাই নিদিয়ে চিৰদিনৰ বাবে—

কি প্ৰয়োজন কবিতাৰ।

তাতোকৈ, কাইলৈ জন্ম হ'বলৈ উৎসুক হৈ থকা
শিশুটোৰ মৃত্যুৰ বিষয়ে
প্ৰত্যেকেই এটাকৈ গাজা কোৰা

ফলাফল শুদ্ধ হ'ল— আধা ৰাজ্য তোমাৰ

(তিনি)
স্বীকাৰ্য্য ঃ যিমানেই ভাল খেলুৱৈ
সিমানে ভালকৈ বাগি দিব
অথবা ভালকৈ বাগি দি ধৰা দিব
ক্ৰিকেট বল বা জাগলাৰি ছুৰি।

ধৰাহওক, প্ৰতিটো কবিতাই একোঠা ধাপ্পাবাজি
প্ৰতিযোগী দুখন গাড়ীৰ ব্যৱধান
যুদ্ধ বিধ্বস্ত নগৰত কল্যাণ-ৰাগিনী
ধুমুহা বিধ্বস্ত অৰণ্যত পখীৰ নীড়

তথাপিও, অস্তিত্ব সংকটত- 'নোৱাৰ' নাও হৈ
এজন কবিয়েই পাঠ কৰিব
ঐতিহাসিক শান্তি-কল্যাণ প্ৰস্তাৱ

আপোনালোকে হাত-তালি
দিব, জমি উঠিব বহুৱা মেল।

ৰচনা- ১৯৯১

দূৰভাষ ঃ ০৭০০২ ৩১২৭৪৯
ই-মেইল ঃ 000xyz420@gmail.com

কবিতা

# চহৰখনত যেতিয়া জুই লাগে

✍ **প্ৰশান্ত কুমাৰ বৰুৱা**

চহৰখনত যেতিয়া জুই লাগে
চহৰৰ বাহিৰলৈ দৌৰ মাৰো তেতিয়া
চহৰপ্ৰান্ত পাঁওতেই দেখো ভিৰত পদপিষ্ট হৈ পৰিছে
মানুহ
শৰদেহ গচকি আমি গুচি যাঁও
নিৰাপদ এডোখৰ ঠাই বিচাৰি

কাষৰ ঘৰৰ ল'ৰাজন আগতেই দৌৰি ওলাই যায়
আস্! কেনেকৈ!
কেনেকৈ আগতেই তেওঁ ওলাই আহিল অগ্নিপিণ্ড
চহৰৰপৰা

ধুমুহাই ভাঙি নেপেলোৱালৈকে
কোনোৱেই এৰিব বিচৰা নাছিলো নিজৰ ঘৰখন
জুয়ে ছাই কৰোঁতেও ঘৰৰ বাহিৰতে ৰৈ আছিলো
দীঘল শিপা গজা এজোপা গছৰ দৰে

কোনটো কাৰ উপাসনা গৃহ কোনে চিনে!
কোনটো কাৰ টঙী ঘৰ!
কিহৰ বৰণ উৰি আহে বতাহত
ৰামেধেনু বৰণীয়া সময়বোৰ কৰি পেলায় কৃষ্ণ কায়

চহৰখনত যেতিয়া জুই লাগে
আমি উন্মাদ হৈ পৰো
চিনি নাপাঁও কোনটো কাৰ ভস্মশৰীৰ

আমি পুতলাবোৰ পুৰি ছাই হৈ যাও
ছাই হৈ যায় পুতলা নাচৰ নাটঘৰ
আঁৰকাপোৰ লৈ দৌৰি গুচি যায় বাজীকৰ
ৰামেধনু বৰণীয়া সময়বোৰ কৰি পেলায় তামবৰণীয়া
এই চহৰখনত যেতিয়া জুই লাগে
ছাই হৈ নোযোৱালৈকে ৰৈ থাকো
আন এজন বাজীকৰৰ আগমনৰ বাবে

সখী কোনেও নাজানো আমি...
কিমান চামনি পৰে বেদুইন সময়ৰ সীমনাত!
এই সময়ৰ আস্তাবলত ৰৈ থাকো
জুয়ে পোৰা মোৰ চহৰৰ বেহেলাবোৰ আকৌ বাজিব...

ৰচনা- ২০২৩

দূৰভাষ ঃ ০৮৪৭২৮ ১৫৫৫২
ই-মেইল ঃ prasantakumarbaruahdk@gmail.com

কবিতা

# কেঁচি

✍ বিজয় শংকৰ বৰ্মন

তুমি জন্ম হোৱাৰ আগদিনা
এটা তাড়নাই তোমাৰ মাৰাক
খেদি ফুৰিছিল
তুমি জন্ম হ'লা
কিন্তু
পংগু হৈ
তোমাৰ দুখন ভৰি আছে
মানুহৰ দৰে আছে দুটা শূন্য
সেই শূন্যত আঙুলি বুলাই
কেতিয়াবা
গজিব ধৰা দুবৰি
কেতিয়াবা মৰিব ধৰা লঠঙা গছক
তুমিয়েই আনি দিয়া
টলমল জোনাক
কাৰোবাৰ সেওঁতা ফালি
আঁকি দিয়া ৰান্ধনি বেলি

যৌৱন ফাটিলেও নাফাটে হাড়
তোমাৰ যে
ডিঙিলৈ ধাৰ

ৰচনা- ২০০০

দূৰভাষ ঃ ০৯৮৬৪১ ৪৭৮৬৬
ই-মেইল ঃ rain80bsb@gmail.com

কবিতাৰ শিল্পকৰ্ম ঃ জয়ন্ত তুইচিন্দ্ৰাই
ই-মেইল ঃ jayantaartist@gmail.com

শিক্ষণ- বীক্ষণ

# স্মৃতিশক্তি, বুদ্ধিমত্তা আৰু ৰুবিক্স কিউব

✍ কাব্যনীল তালুকদাৰ

সাধাৰণতে পুতলা সামগ্ৰীৰ দোকান, উৎসৱ, পূজা-মেলা আদিত সহজতে কিনিবলৈ পোৱা ৰুবিক্স কিউবৰ বিষয়ে নজনা মানুহৰ সংখ্যা তেনেই কম । কণমানি শিশু এগৰাকীৰ পৰা আৰম্ভ কৰি প্ৰাপ্তবয়স্ক ব্যক্তি এগৰাকীলৈ, সকলোৱে এই সামগ্ৰীবিধ খেলি আমোদ পায়, সেয়া হয়তো শিশুৰ বাবে ৰঙৰ খেলা, নতুবা প্ৰাপ্তবয়স্ক এগৰাকীৰ বাবে এক কঠিন গাণিতিক সমস্যা। পিছে এই সাধাৰণ পুতলা সামগ্ৰীবিধৰ ভিতৰত এখন বিশাল পৃথিৱী লুকাই আছে। আহক, ৰুবিক্স কিউবৰ এই জগতখনৰ বিষয়ে কিছু কথা শিকো ।

ৰুবিক্স কিউব কি?

১৯৭৪ চনত হাংগেৰীৰ বুডাপেষ্ট চহৰত বাস কৰা এগৰাকী অধ্যাপক আৰ্নো ৰুবিকে (Erno Rubik) এটা ঘনক (Cube) আকৃতিৰ ৰঙীন আৰু আকৰ্ষণীয় সামগ্ৰী সাজি উলিয়ায়। স্ৰষ্টাগৰাকীৰ উপাধিৰে নামাকৰণ কৰা এই সামগ্ৰীবিধ পিছলৈ ৰুবিক্স কিউব (Rubik's Cube) নামেৰে জনাজাত হৈ পৰে। ৰুবিক্স কিউবৰ সৃষ্টিৰ মাত্ৰ ৬ বছৰৰ মূৰতেই ই বিশ্বৰ সৰ্বাধিক সংখ্যক বিক্ৰী হোৱা পুতলা সামগ্ৰীৰ (Best selling toy, 1980) খিতাপ অৰ্জন কৰে । জনপ্ৰিয়তাৰ সমান্তৰালকৈ ৰুবিক্স কিউবৰ সমাধান বিচাৰিও বিভিন্নজনে অধ্যয়ন আৰম্ভ কৰে আৰু ইয়াৰ লগে লগে ৰুবিক্স কিউবে বিশ্বব্যাপী খ্যাতি লাভ কৰে।

**ৰুবিক্স কিউবৰ গঠন** (mechanism)ঃ

ৰুবিক্স কিউবটো দীঘ, প্ৰস্থ আৰু উচ্চতাই তিনিটা ব্লকৰ (block) সমান। সেয়েহে ইয়াক ৩x৩x৩ কিউব (3×3×3 cube) বুলিও কোৱা হয়। ঘনক আকৃতিৰ হোৱা হেতুকে ইয়াৰ ছ খন পিঠি (6 sides) আৰু প্ৰতিখন পিঠি ক্ৰমানুসৰি ৰঙা, কমলা, সেউজীয়া, নীলা, হালধীয়া আৰু বগা ৰঙী। ৰুবিক্স কিউবত তিনি ধৰণৰ অংশ (piece) থাকে।

center piece (৬ টা)
edge piece (১২ টা)
corner piece (৮ টা)

এই আটাইবোৰ pieceক ধৰি ৰাখিবলৈ কিউবটোৰ মাজত এটা core piece থাকে। ৰুবিক্স কিউব এটা সমাধান কৰাটো কিয় কঠিন?

৪৩,২৫২,০০৩,২৭৪,৪৮৯,৮৫৬,০০০

ওপৰত উল্লেখিত সংখ্যাটো আপুনি পঢ়িব পৰিছেনে? এয়া হৈছে ৪৩ কুইনটিলিয়ন (43 quintillion)। ই এটা যথেষ্ট ডাঙৰ সংখ্যা। পিছে এই সংখ্যাৰ এটা বিশেষ মহত্ব থকা বাবেহে আমি ইয়াৰ বিষয়ে আলোচনা কৰিব খুজিছোঁ।

ই হৈছে এটা ৰুবিক্স কিউবক যাদৃচ্ছিকভাৱে (randomly) খেলি-মেলি (scramble) কৰিব পৰা সৰ্বমুঠ সম্ভাৱনা (total number of possible combinations)। ই কিমান ডাঙৰ সংখ্যা, এটা উদাহৰণৰ সহায়ত বুজোঁ আহক। ধৰি লওক আপোনাৰ হাতত এটা ইতিমধ্যে সমাধান হৈ থকা ৰুবিক্স কিউব আছে। আপুনি কিউবটো নিজ ইচ্ছা অনুসৰি খেলি-মেলি

(scramble) কৰক। এতিয়া কিউবটোৰ আটাইবোৰ ৰং সানমিহলি হৈ যাব। এই অৱস্থাটোক আপুনি এটা combination বুলি গণ্য কৰক আৰু এখন কাগজত এই combination টো অংকন কৰক । তাৰ পিছত আপুনি কিউবটো পুনৰ খেলি-মেলি (scramble) কৰক আৰু নতুনকৈ দেখা দিয়া combination টো নতুন এখন কাগজত অংকন কৰক ।নতুন কাগজখন এইবাৰ আগৰ কাগজখনৰ ওপৰত স্তূপীকৃত (stack) কৰক। এই প্ৰক্ৰিয়াটো অব্যাহত ৰাখিলে আপোনাৰ কাগজৰ দ'মটো ৪৩ কুইনটিলিয়ন পাওঁতে কিমান ওখ হ'ব বাৰু? Eiffel Tower, Big Ben নে the Burj Khalifa ৰ সমান? নহয়, আপোনাৰ কাগজৰ দ'মটো পৃথিৱীৰ পৰা গৈ প্লুটো (Pluto) পাব, প্লুটোৰ পৰা আকৌ ঘূৰি আহি পৃথিৱী পাব। এই যাত্ৰাক যদি আমি এটা পাক (1 lap) বুলি গণ্য কৰোঁ, তেন্তে ৪৩ কুইনটিলিয়ন কাগজ স্তূপ (stack) কৰিবলৈ আপুনি সৰ্বমুঠ ৭২৮ টা পাক (728 laps) অতিক্ৰম কৰিব লাগিব। তেনে কৰিলেহে আপুনি ৰুবিক্স কিউবৰ possible combinations খিনি কাগজত আঁকি শেষ কৰিব পাৰিব। আৰু এই আটাইবোৰ কাগজৰ ভিতৰৰপৰা আপোনাৰ কাম হ'ব এনে এখন কাগজ বিচাৰি উলিওৱা, যিখনত অংকন কৰা ৰুবিক্স কিউবৰ চিত্ৰটোত ৬ খন পিঠিয়েই সমাধান হৈ আছে। ৪৩ কুইনটিলিয়ন কাগজৰ মাজৰ মাত্ৰ এখন কাগজতহে এই চিত্ৰটো অংকিত থাকিব। সেয়েহে ৰুবিক্স কিউব সমাধান কৰাটো যথেষ্ট কঠিন। ৰুবিক্স কিউব এটা সমাধান কৰাটো কিয় সহজ?

ওপৰত উল্লেখিত কথাখিনি পঢ়ি হয়তো ৰুবিক্স কিউব সমাধান কৰাটো আপোনাৰ দ্বাৰা অসম্ভৱ বুলিয়েই ভাবি লৈছে। কিন্তু দৰাচলতে ইয়াৰ সমাধান প্ৰক্ৰিয়া ইমান জটিল নহয় ।আমি সকলোৱে গণিতত সূত্ৰৰ বিষয়ে পঢ়িছোঁ। ঠিক তেনেদৰে ৰুবিক্স কিউব সমাধান কৰোঁতেও কিছুমান সূত্ৰৰ (algorithm) ব্যৱহাৰ কৰা হয়। তেনে এটা সূত্ৰ তলত লিখিছোঁ —

R U R' U' R' F R2 U' R' U' R U R' F'

দেখিবলৈ জটিল যদিও ইয়াৰ অৰ্থ থুলমূলকৈ এনেধৰণৰ —

R = Right face rotate 90° clockwise

U = Upper face rotate 90° clockwise

F = Front face rotate 90° clockwise

R2 = Right face rotate 180° clockwise

R' = Right face rotate 180° counter clockwise ইত্যাদি

এনেধৰণৰ algorithm বোৰে কোনখন পিঠি কেইপাক ঘূৰাব লাগে, তাক নিৰ্দেশ কৰে ।

এনে ১০-১২টা মান algorithm মনত ৰাখিয়েই আমি এটা ৰুবিক্স কিউব সমাধান কৰিব পাৰো। সেয়েহে ৰুবিক্স কিউব সমাধান কৰাটো সহজ। ৰুবিক্স কিউব অনুশীলন কৰি কেনেকৈ লাভান্বিত হব পাৰি?

ৰুবিক্স কিউব অনুশীলন কৰাৰ আগত ইয়াৰ উপকাৰীতাৰ বিষয়ে জানো আহক। কিউব অনুশীলনৰ দ্বাৰা আমি বিভিন্নধৰণে উপকৃত হব পাৰো। ই যিহেতু এটা মানসিক খেল, ইয়াক অনুশীলন কৰিবলৈ আমাক কোনোধৰণৰ অত্যাৱশ্যকীয় সামগ্ৰীৰ প্ৰয়োজন নহয়, লগতে ইয়াক অতি সহজতে কঢ়িয়াব পৰা যায় ।

ৰুবিক্স কিউবৰ দৈনিক অনুশীলনে আমাৰ মগজু আৰু হাতৰ সমন্বয় (hand eye coordination) বিকাশ কৰে। এই ক্ষমতা গাড়ী চালক এজনৰ পৰা আৰম্ভ কৰি পাইলট এজনলৈ, সকলোৰে বাবে দৰকাৰী ।

যিদৰে শাৰীৰিক ব্যায়ামৰ বাবে যোগাভ্যাস, জিম (gym) আদি হ'ল আহিলা, ঠিক তেনেদৰে

মানসিক ব্যায়ামৰ বাবে ৰুবিক্স কিউব তেনে এবিধ আহিলা। ৰুবিক্স কিউবৰ অভ্যাসে স্মৃতিশক্তি, সহজাত জ্ঞান (intuition), বিন্যাস স্বীকৃতি (pattern recognition) আদি বিকাশত সহায় কৰে।

আজিৰ দিনত পৃথিৱীৰ বহুতো দেশত মানসিক ৰোগত আক্ৰান্ত ব্যক্তিৰ মানসিক কচৰতৰ বাবে ৰুবিক্স কিউব অভ্যাস কৰোৱা হয়। অৰ্থাৎ ইয়াক এক therapy হিচাপেও ব্যৱহাৰ কৰা হয় ।

তাৰ উপৰিও, ৰুবিক্স কিউবৰ অনুশীলনে পেশী স্মৃতি (muscle memory) গঠনত যথেষ্ট সহায় কৰে। এই ক্ষমতাই দৈনন্দিন জীৱনত কৰা বহুতো কামত আমাক আৰু অধিক দক্ষ কৰি তোলে।

মনোবিজ্ঞানীসকলে মানুহৰ বুদ্ধিমত্তাক (intelligence) সৰ্বমুঠ ৮ টা ভাগত বিভক্ত কৰিছে। তাৰ ভিতৰৰে এটা হৈছে spatial intelligence। এই বুদ্ধিমত্তাৰ দ্বাৰা মানুহে ছবি অঁকা, সাঁথৰ সমাধান কৰা, ত্ৰিমাত্ৰিক ধাৰণা ( 3D visualization ) কৰাকে ধৰি বহুতো কাম সম্পন্ন কৰে। ৰুবিক্স কিউবৰ অনুশীলনে এই বুদ্ধিমত্তাৰ দ্ৰুত বিকাশ সাধন কৰে ।

**ৰুবিক্স কিউব আৰু মই**

২০১২ চনৰ কথা। আন্তঃৰাষ্ট্ৰীয় দবা প্ৰতিযোগিতা এখনত ভাৰতক প্ৰতিনিধিত্ব কৰি অংশ লবলৈ দেউতাৰ লগত দিল্লীলৈ গৈছিলোঁ। প্ৰতিযোগিতাৰ অন্তত ঘৰলৈ ট্ৰেইনেৰে ঘূৰি আহি থাকোঁতে মাত্ৰ ২০ টকাৰে এটা ৰুবিক্স কিউব কিনিছিলোঁ। সেয়াই আৰম্ভণি। মোৰ জীৱনৰ প্ৰথমখন প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল IIT গুৱাহাটীত। জীৱনৰ প্ৰথম প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰাত ভাৰতৰ বিভিন্ন প্ৰান্তৰ পৰা অহা খেলুৱৈসকলে মোক অসমৰ বাহিৰৰ প্ৰতিযোগিতাত অংশ লবলৈ অনুপ্ৰাণিত কৰিছিল। তাৰ পিছত ক্ৰমে VIT, IIT Madras, IIT Kharagpur আদিকে ধৰি ভাৰতৰ উচ্চতম শিক্ষানুষ্ঠানসমূহলৈ খেলিবলৈ গৈছিলোঁ। ২০১৪ চনৰ নৱেম্বৰ মাহত জাপানৰ ট'কিও (Tokyo ) চহৰত অনুষ্ঠিত হোৱা Asian Championshipত ২টা গোল্ড, ১টা ব্ৰঞ্জ আৰু ২০১৫ চনৰ জুলাই মাহত ব্ৰাজিলৰ চাও পাওলোত (Sao Paulo) অনুষ্ঠিত হোৱা World Championship ত 3×3 blindfolded শাখাত চকুৰে নোচোৱাকৈ ২৪.৮৬ ছেকেণ্ডত ৰুবিক্স কিউব সমাধান কৰি গোল্ডৰ পদক পাবলৈ সক্ষম হৈছিলোঁ। উক্ত প্ৰতিযোগিতাত বিশ্বৰ ৩৪ খন দেশৰ পৰা প্ৰায় ৩০০ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ইয়াৰ লগতে Limca Book of Records আৰু Guinness Book of World Records টো নিজৰ নাম অন্তৰ্ভুক্ত কৰিবলৈ সক্ষম হৈছিলোঁ। পাছলৈ থাইলেণ্ড আৰু চীন দেশতো ভাৰতক প্ৰতিনিধিত্ব কৰি যোৱাৰ সৌভাগ্য হৈছিল। পিছলৈ বিশ্ব বিখ্যাত কোম্পানী RedBull এ মোৰ ওপৰত এখন চুটি চিত্ৰও নিৰ্মাণ কৰি উলিয়াইছিল। ২০১৫ চনৰ ডিচেম্বৰ মাহত অৰ্থাৎ মোৰ মেট্ৰিক পৰীক্ষাৰ প্ৰস্তুতিৰ সময়ছোৱাত মই ৰুবিক্স কিউবৰ বিষয়ে এখন কিতাপো লিখি উলিয়াইছিলোঁ।

বৰ্তমান সময়ত ৰুবিক্স কিউবৰ জ্ঞান প্ৰসাৰ আৰু প্ৰচাৰৰ অৰ্থে কিছু কাম কৰিবলৈ যত্ন কৰিছোঁ। ৱৰ্কশ্বপ, প্ৰতিযোগিতা, প্ৰদৰ্শনৰ দৰে পদক্ষেপ লৈ অসমত খেলবিধৰ জনপ্ৰিয়তা বৃদ্ধি কৰিবলৈ চেষ্টা কৰিছোঁ । আশা কৰিছোঁ আগন্তুক দিনত অসমত এই খেলবিধে মৰ্যদা লাভ কৰিব।

আপুনিও এবাৰ ৰুবিক্স কিউবটো সমাধান কৰিবলৈ চেষ্টা কৰক, কিজানি এক নতুন পৃথিৱীৰ সন্ধান পায় ?

দূৰভাষ ঃ ০৭০৮৬৭ ৩৩৭৩৭
ই-মেইল ঃ kabyaniltalukdarindia@gmail.com

গল্প

# এটা বাতিল গল্প

✍ প্ৰশান্ত কুমাৰ দাস

নাই নাই, মই এনে গল্প নিলিখো।

ওহো, মই এনে গল্প কাহানিও লিখিব নোৱাৰো, য'ত এজন মুছলমানে শিৱৰ ছদ্মৱেশ লোৱাৰ কথা থাকিব। মই নৈষ্ঠিক হিন্দু মানুহ। মোক এনে গল্প লিখিবলৈ নক'ব। এজন হিন্দু হৈ মই মুছলমান এজনক শিৱ ৰূপ লবলৈ দিম! কেনেকৈ এই প্ৰস্তাৱ দিব পাৰিছে আপুনি? এনে প্লট মোক নালাগে, মুছলমানক শিৱৰ বেশ লোৱাৰ গল্প মই লিখিব নোৱাৰো। তাকো চাওকচোন, এনে এজন শিৱ, যি পথৰ দাঁতিৰ দোকানে দোকানে ভিক্ষা মাগি ফুৰে। কি ক'লে। মানে আপুনি দাবী কৰিছে যে এনেকৈ ভিক্ষা মাগি ফুৰা শিৱক সচক্ষে দেখিছে। অ', আপুনি দেখিব পাৰে, অস্বীকাৰ নকৰো, ময়ো দেখিছো। সেইটোনো কি আচহুৱা কথা। আজিকালিৰ ব্যস্ত চহৰ-নগৰত এইবোৰ চিৰাচৰিত দৃশ্য। দৰিদ্ৰ মানুহৰ সংখ্যা বাঢ়ি আহিছে, সেই কথা সঁচা। মানুহৰ জীয়াই থকাৰ উপায় নোহোৱা হৈছে, জীৱিকা অবলম্বনৰ পথ নোহোৱা হৈ পৰিছে। দৰিদ্ৰ মানুহৰ প্ৰতি সমব্যথা নোহোৱা হৈছে কাৰো। সাধাৰণ মগনীয়াক আজিকালি কোনেও ভিক্ষা দিব নিবিচাৰে। কোনে কিমানক ভিক্ষা দিব? কি ক'লে? মানুহৰ দয়া-মমতা নোহোৱা হৈ আহিছে। আচ্ছা, সেইটো যদি আপোনাৰ উপলব্ধি, মোৰ ক'বলগীয়া নাই। মই মুঠতে ক'ব বিচৰা কথা এয়াই যে সাধাৰণ ভিক্ষাৰীক সহায় কৰিবলৈ মানুহ অনিচ্ছুক। সেইবাবেই দৰিদ্ৰজনে ভিক্ষা বৃত্তিত অবলম্বন কৰিছে কিছু নতুন কৌশল। যেনে ধৰক ঈশ্বৰৰ বেশ লোৱা। মানে ভিক্ষাবৃত্তিৰে চলাসকলে জানিছে যে এনেই ভিক্ষা মাগি ফুৰিলে কোনেও ঘূৰি নাচায়, কিন্তু ঈশ্বৰৰ বেশত গ'লে সকলোৰে দৃষ্টি আকৰ্ষিত হয়। ঈশ্বৰ বুলি ভাবি পাপ-পুণ্যৰ কথা চিন্তা কৰিয়ে দুপইচা দান দিবলৈ ইচ্ছা কৰে। কি ক'লে? অ, হয়তো হয়, মানুহে ঈশ্বৰ বেশী এনে ভিক্ষাৰীক দেখিলে কিছু হয়তো ভক্তিভাৱৰ উদ্ৰেক হয়। বিমুখ কৰিবলৈ ইতস্ততঃবোধ কৰে। মগনীয়াজনে যদি কেনেবাকৈ শাও দিয়ে, সেই শাও স্বয়ং ঈশ্বৰে দিয়া বুলি ভ্ৰমিত হয়। গতিকে কথাটো হ'ল, মানুহ এজনে যদি তেনে ভিক্ষাৰীক দুটা পইচা দিয়েও, তেওঁ আচলতে সেই পইচা ভিখাৰীজনক নিদিয়ে, দিয়ে ঈশ্বৰক। আপুনি সুধিছে ঈশ্বৰে মৰতত ভিক্ষা মাগি নুফুৰে বুলি জানিও ভিখাৰীৰ এনে চালাকিক কিয় মানুহে প্ৰশ্ৰয় দিয়ে। এইটোনো কি সুধিবলগীয়া কথা আমাৰ গোটেই দেশখন জুৰি কত শত মঠ-মন্দিৰ, কত পাষাণ ঈশ্বৰ প্ৰতিমা, হাজাৰ বছৰ ধৰি মানুহে জানো তাকেই পূজা অৰ্চনা কৰি থকা নাই? ক'তনো আপুনি দেখিছে জীৱন্ত ঈশ্বৰ মন্দিৰৰ বেদীত বহি থকা? আমি হিন্দু মানুহ। নানান ঈশ্বৰত বিশ্বাস ৰাখি ভাল পাওঁ। ঈশ্বৰৰ সাধু কথা আমি বাস্তৱৰ সঁচা কহিনী বুলি গ্ৰহণ

কৰো। আমাৰ বাবে সৰ্বত্ৰ ঈশ্বৰৰে উপস্থিতি। যত জীৱ, তত শিৱ। হাতত ভিক্ষা পাত্ৰ লৈ হাটে-বজাৰে ঈশ্বৰৰ বেশ লৈ মগনীয়া এটাক ঘূৰি ফুৰা দেখিলেও আমাৰ মানুহৰ মনত ভক্তি ভাব জাগে। পুণ্যৰ আশাৰে আমি দুটা পইচা দান কৰো। কিন্তু তেওঁ যদি ঈশ্বৰৰ বেশ আঁতৰাই সাধাৰণ মনুষ্য ৰূপ প্ৰকট কৰি দেখুৱায়, মানুহে হেই যা যা, ভাগ, দূৰ হ বুলি খেদি পঠিয়ায়। নপঠিয়াব নে পঠিয়াব? নিৰ্ঘাত পঠিয়াব।

নাই, নাই, কৃপা কৰি মোক প্ৰৰোচিত নকৰিব। যি নহ'লেও মই এনে গল্প নিলিখো। মুছলমান মানুহ এটাক শিৱ হ'বলৈ কেনেকৈ দিব পাৰো? এইটো মোৰ এথিকছ নহয়। সত্য ঘটনা হ'ব পাৰে, হ'ব পাৰে ঘটনাটো সঁচা। ময়ো মানো যে গল্প উপন্যাসৰ কাহিনী কল্পনা আশ্ৰিত হোৱাতকৈ সত্য আধাৰিত হোৱাই ভাল। আপুনি দেখিব, বহু বিখ্যাত গল্প-উপন্যাসৰ কাহিনী লেখকগৰাকীৰ জীৱনৰ বাস্তৱ অভিজ্ঞতাৰে ফচল। মানে সঁচা কাহিনীত অতিৰঞ্জন নাথাকে, সঁচা কাহিনীৰ বাস্তৱতাৰ যি মহত্ত্ব, তাৰ তুলনা নহয়। সেয়ে এনে গল্প-উপন্যাসৰ কাহিনীৰ আবেদনে কালক অতিক্ৰম কৰিব পাৰে, তাৰ সাৰ্থকতা চিৰকালীন। কেতিয়াবা হয়তো তেনে কাহিনীৰ অলপ ৰদ-বদল হ'ব পাৰে বা মেটাফোৰ ঘটিব পাৰে, সেইটো বেলেগ কথা। কি ক'লে? এই কাহিনীটোতো মহত্ত্ব আছে? অ, থাকিব পাৰে। মইতো অস্বীকাৰ কৰা নাই। কিন্তু প্লীজ, আপুনি মোক লালায়িত নকৰিব। এনে ধৰণৰ টুইষ্ট থকা কাহিনীয়ে সৃষ্টিশীল লেখকক প্ৰলুব্ধ কৰে। আপুনি কোৱাৰ দৰে যদি কথাবোৰ সঁচা হয়, ময়ো মানি ল'বলৈ অস্বীকাৰ নকৰো যে কাহিনীটোত মানৱীয় আবেদন আছে। অ, কি ক'লে? প্ৰেৰণাদায়ক মানে কাহিনীটো আজিৰ যুগৰ মানৱ সমাজৰ বাবে প্ৰেৰণাদায়ক? আদৰ্শনীয় মানে, আপুনি কবলৈ বিচাৰিছে যে কাহিনীটো ধৰ্মীয় চিন্তা-ভাৱনাৰ পৰা উৰ্দ্ধত থাকি বিচাৰ কৰিব লাগিব। মহাশয়, মই আপোনাৰ কথাৰ উদ্দেশ্য কি বুজি পাইছো আৰু নৈতিক সমৰ্থনো দিছো। হ'লেও মই এই গল্প লিখিবলৈ অপৰাগ। এজন মুছলমানক মই কেনেকৈ শিৱৰ বেশ লবলৈ দিব পাৰো? আপুনি কোৱাৰ দৰে হ'ব পাৰে মানুহজনৰ মনত এটা সৎ উদ্দেশ্য আছিল। অ' কি নাম কৈছিল তাৰ? মহম্মদ অ, মহম্মদ। ঠিক আছে মই বাৰু বুজি পাইছো যে মহম্মদ পৰোপকাৰী মানুহ আছিল, সি কেৱল হিন্দু বন্ধুজনৰ ফেমিলিটোক সহায় কৰিব বিচাৰিছিল। আপুনি মহম্মদৰ বন্ধুৰ নামটো কি বুলি ক'লে? দীনদয়াল, আচ্ছা, আপুনি যিখিনি জানে, মানে দীনদয়ালৰ স'তে মহম্মদৰ পূৰ্বে কোনো চিনাকি নাছিল। নহয় জানো? নগৰখনলৈ অহাৰ আগতে সিহঁতে কেতিয়াও কোনেও কাকো লগ পোৱা নাছিল। হয়নে? মানে দুয়ো আছিল দুটা বিপৰীত প্ৰান্তৰ মানুহ। হ'ব পাৰে। কিন্তু এইবোৰ কথাত নতুনত্ব অৱশ্যে একো নাই। গাঁৱৰ ঘৰ-ভেটী এৰি নিতৌ এই চহৰলৈ মানুহ আহিয়ে আছে। জীৱন-জীৱিকাৰ তাগিদাত সন্তৰ্পণে নগৰৰ পৰিত্যক্ত প্ৰতিটো চুক-কোণত থিতাপি লৈছে। আপুনি কৈছে মহম্মদ গৰাখহনীয়াত ঘৰ-বাৰী হেৰুওৱা সৰ্বস্বান্ত মানুহ। পৰিয়ালক চৰতে এৰি থৈ আহি এই নগৰত দিন হাজিৰা কৰিবলৈ গুচি আহিছিল। বুজিছো, পিছে এইখন বেছ পুৰণি ছবি। খহনীয়া-বানপানী, দৰিদ্ৰতা--মাইগ্ৰেছনৰ এই নেৰেটিভবোৰ শুনি শুনি পাঠক ক্লান্ত হৈ পৰিছে। আমি নগৰবাসীয়ে এইবোৰ দেখিয়ে আছো কিদৰে মিঞা মানুহেৰে নগৰখন ভৰি গ'ল। কেৱল জানো দিন হাজিৰা। মিঞা

মানুহবোৰে জীয়াই থকাৰ তাগিদাত কিনো কৰিবলৈ লোৱা নাই? সকলো শ্ৰমবৃত্তিয়ে গ্ৰহণ কৰি লৈছে। শিকিছে, কৰিছে। যোগ্য ভোগ্য বসুন্ধৰা। শ্ৰম কৰিছে, ধৈৰ্য ধৰিছে বাবে খোপনি পুতিবলৈকো পাৰিছে। মিঞাসকলে তলৰ খাপৰ শ্ৰমৰ বজাৰখন ধৰি ৰাখিছে বাবে নাগৰীয় সমাজখনৰ কামত আহিছে বুলি আপুনি দেখোন নিজেই কৈছে। অৰ্থনীতিতো সহায়ক হৈছে বুলিছে আপুনি। বুজিছো আপোনাৰ কথা। কি ক'লে? আমাৰ মানুহে সৰু সৰু শ্ৰমৰ কামবোৰ নকৰা হৈছে। এলেহুৱা হৈছে, কৰ্মবিমুখ হৈছে আৰু চৰকাৰ-নিৰ্ভৰশীলতা বাঢ়িছে বুলিছে আপুনি আয়াসতে ক'ব পৰা হৈছে। ঠিকেই, এইবোৰ হয়তো অপ্ৰিয় সত্য কথা। মই এইবিষয়ত একো মন্তব্য কৰিব নোখোজো। মই মাথোঁ এইখিনিকে স্বীকাৰ কৰিম যে জীয়াই থাকিবলৈ বিচৰাটো মানুহৰ সহজাত প্ৰবৃত্তি। মানুহে যিকোনো উপায়েৰে জীয়াই থাকিব বিচাৰে। দৰিদ্ৰ মানুহৰ জীয়াই থকাটো বৰ কষ্টকৰ। কিছুমানে সৎ ভাৱে থাকি সেই চেষ্টা চলায়, কিছুমানে অপৰাধ কৰি হ'লেও জীয়াই থাকিব খোজে। জীৱিকাৰ সৎ পথবোৰ যদি বন্ধ হৈ যায়, বা কঠিনতৰ হৈ পৰে, তেতিয়া মানুহে মৰেল এথিকছক খামুচি ধৰি থাকিব নোৱৰা হয়। মানুহে আপোচ কৰিবলৈ লয় নীতিবোধৰ ওচৰত। বাৰু সেইবোৰ কথাকলৈ মই তৰ্ক জুৰিব নোখোজো। আপুনি কি ক'লে, মহম্মদ সৎ মানুহ আছিল হ'ব, পাৰে। তাত মোৰ মতলব নাই । মই সঁচা বুলি মানি লৈছো যে মহম্মদে চৰ এৰি আহি এইচহৰত বিল্ডিঙৰ কামত শ্ৰমিক হিচাপে নিযুক্ত হৈছিল। দালালে তাক নি ঠিকাদাৰৰ ওচৰ পোৱাইছিল। এই কথাও মোৰ বিশ্বাস কৰাত একো আপত্তি নাই যে বিল্ডিঙৰ ওপৰৰ পৰা সৰি পৰি তাৰ হাত এখন চিৰকালৰ বাবে ঘূণীয়া হ'ল, সেইখন হাতেৰে কেৱল ত্ৰিশূল এডাল ধৰি ৰাখিব পৰা শক্তিহে ৰ'লগৈ। মানুহটো কোনো প্ৰকাৰে মৰাৰ পৰা বাচিল। আপোনাৰ যুক্তি এইটোৱে নহয় জানো যে তেতিয়াৰে পৰা সি কাম কৰি খোৱাৰ শক্তি হেৰুৱাই পেলোৱা বাবেহে সি হিজৰাৰ ৱেশ লৈ ভিক্ষা মাগিবলৈ ল'লে। আচ্ছা মহাশয় আপুনি বেয়া নাপাব, এই যে আপুনি ক'লে যে মহম্মদ সৎ মানুহ-- এইটো জানো স্ব বিৰোধ কথা নহয়। যে স্বাভাৱিক মানুহ এজনে হিজৰাৰ বেশ লৈ ভিক্ষা মগাটো জানো এক ধৰণৰ চলনা নহয়? কি ক'লে, আপুনি তাৰ পক্ষত যুক্তি দিছে ! আপুনি মানে কৈছে যে চোকা চোকা ল'ৰা-ছোৱালীবোৰে যে ডাঙৰ ডাঙৰ চৰকাৰী চাকৰি কৰে, ৰাজনীতি কৰাবোৰে যে দেশৰ সেৱা কৰিম বুলি মন্ত্ৰী-এমেলে হয়, কিছু কিছু শিল্পী-সাহিত্যিক-পণ্ডিতে শাসকক তোষামোদ কৰি যে চৰকাৰী বিষয়-বাব, বঁটা-বাহনেৰে প্ৰতিষ্ঠা বা জনপ্ৰিয়তা পাবলৈ বিচাৰে, দেশ সেৱক-সমাজ সেৱকৰ ভাও লৈ নিজৰ স্বাৰ্থ পূৰোৱা সেইসকল আপোনাৰ মতে বেছি ছদ্মৱেশী চলনাকাৰী? আপোনাৰ দাবীৰ বিৰোধিতা নকৰো বাৰু, কিন্তু মোৰ নিজা মত প্ৰকাশো কৰিবলৈ নিবিচাৰো। মুঠতে আপোনাৰ যুক্তি এইটোৱে নহয় জানো যে সেইসব সমাজ স্বীকৃত সকলৰ তুলনাত মহম্মদ বহু কম অসৎ মানে আপোনাৰ কথাটো হ'ল মহম্মদে কেৱল পৰিয়ালৰ ভাত মুঠি মোকলাবলৈ ছলনা কৰিছে। সি কাৰো ক্ষয়-ক্ষতি কৰিবলৈ যোৱা নাই। মানে ভিক্ষাহে মাগিছে, কাৰো কাঢ়ি খোৱা নাই আৰু বাকীবোৰে লাহ-বিলাসৰ জীৱন কটাবলৈ পাব্লিকক ছলনা কৰিছে, লুটি-পুটি খাইছে। ঘোৰ শঠতা-প্ৰবঞ্চনাৰ আশ্ৰয় লৈছে। বাৰু, বাৰু এইবোৰ বিতৰ্কিত কথা। মই এইবোৰ কথাক

লৈও তৰ্ক জুৰিব নোখোজো। মহম্মদৰ প্ৰতি আপুনি সহানুভূতিশীল হৈছে, সেইটো বুজিছো। পিছে মই লেখক মানুহ। মই কাহিনীৰ কোনো চৰিত্ৰৰ প্ৰতি দয়া দেখুৱাব নোৱাৰো। কাৰো পক্ষ ল'ব নোৱাৰো। আৰু শুনক মহাশয়, মই স্পষ্ট কৰি দিছো মই অন্ততঃ মহম্মদৰ গল্প লিখিব নোৱাৰো। আপুনি মোক অন্য কিবা প্লট দিয়ক। এজন মুছলমানে শিৱৰ ৱেশ লৈ ৰাস্তাই ৰাস্তাই ভিক্ষা মাগি ফুৰিব সেইটো বাৰু কথা হ'ল নেকি? কাহিনীটো যিমানে সঁচা নহওক কিয়? আজিৰ দিনত কোন হিন্দু লেখকে এনে গল্প লিখিবলৈ সাহস কৰিব? কোন হিন্দু পাঠকে এইবোৰ সহ্য কৰিব? মই বাৰু লিখিলো, প্ৰকাশৰ পাছত মোক যেতিয়া মৌলবাদীবোৰে যাঠি-জোং লৈ খেদি আহিব, তেতিয়া জানো মোক আপুনি সুৰক্ষা দিব? মোক এৰি পলাই যোৱা প্ৰথম মানুহজনেই জানো আপুনি নহ'ব? চাওঁক মহাশয়, সমাজখনৰ বিচাৰত মহম্মদৰ জীৱনটো যিমানে কৰুণ বা সংঘাতপূৰ্ণ নহওক কিয়, মই গল্পটো লিখা মানেই চৰিত্ৰটোক মহিমাময় কৰা। প্ৰথম কথা মই গল্পৰ কাহিনী এটাত মুছলমান এজনক কেতিয়াও মহিমাময় কৰিবলৈ নিবিচাৰিম। দ্বিতীয়তে মহম্মদে শিৱৰ বেশ লৈ ভিক্ষা মাগি ফুৰা কথাটো সনাতনী হিন্দু সভ্যতাৰ প্ৰতি কৰা এক ঘোৰ উপহাস। ঘোৰ মজাক। এই কামটো যদি কোনোবাই কৰেও, তেনেহ'লে কেৱল হিন্দুৰহে সেই অধিকাৰ আছে। কোনো মুছলমানৰ শিৱৰ বেশ লোৱাৰ অধিকাৰ নাই। তৃতীয়তে ঈশ্বৰৰ ভেশছন ধৰি ভিক্ষা কৰাটোও ধৰ্মবিশ্বাস, ঈশ্বৰ বিশ্বাসৰ প্ৰতি অপমান। আপুনি যদি দেখে যে কোনো বিজি মাৰ্কেট প্লেছৰ ফুটপাথেৰে ভিক্ষাৰ বাটি এটা লৈ শিৱ গৈ আছে, মূৰত জঁটা, নিম্নাংশত বাঘৰ নকল ছাল, স্ফীত উদৰ প্ৰকট কৰি উদং দেহাটোত নীলা ৰং সানিছে, এহাতে ত্ৰিশূল আৰু আনহাতে এলমুনিয়ামৰ বাটি এটা লৈ মেকডোনাল্ডৰ সমুখত ৰৈ খাদ্য ভিক্ষা মাগিছে শিৱই। যদি মই মহম্মদক প্ৰটাগনিষ্ট কৰি গল্পটো লিখো, এজন মুছলমানে ভিক্ষাবৃত্তিৰে হিন্দু ঈশ্বৰক অবমাননা কৰা কাম এটাকো জানো মান্যতা দিয়া নহ'ব? নাই, নাই, মই এই কাম নকৰো মহাশয়। আপুনি মোক প্ৰৰোচিত নকৰিব। কি ক'লে, কোনোবা দোকানীয়ে যেতিয়া শিৱৰ ভেশচনধাৰী ভিক্ষাৰীটোক দোকানৰ ভিতৰৰ পৰা পইচা এটা দলিয়াই দিয়ে, সেইটোহে বেছি ঈশ্বৰ অবমাননা সূচক? বুজি পাইছো, এই কথাত ময়ো আপোনাক সমৰ্থন দিছো। ময়ো কৈছো যে ভিক্ষাদাতাই জানে যে ঈশ্বৰে ভিক্ষা বিচাৰি কেতিয়াও মৰতলৈ নামি নাহে। কোনো মগনীয়াক ঈশ্বৰ মানি ভিক্ষা দান কৰা মানেই ঈশ্বৰক ভিক্ষাৰীৰ শাৰীলৈ নমাই অনা। চাওঁক মহাশয়, ভিক্ষাৰীৰ এই ৰেহৰূপৰ কথা ভাবি, তাৰ তাৎপৰ্য বিচাৰ কৰি থাকিবলৈ কাৰ সময় বা ধৈৰ্য আছে? ধৰ্ম বিশ্বাসত কোনো যুক্তি নাখাটে মহাশয়। কি ক'লে আপুনি? শিৱ কোনো দিন আৰ্য হিন্দুৰ ঈশ্বৰ নাছিল? অ', হয়তো নাছিল। ময়ো জানো--ধৰ্মৰ পুৰণি কিতাপ-পত্ৰ খুচৰি পণ্ডিতসকলে কৈছে যে শিৱ হেনো আচলতে অনাৰ্য মানুহৰ ঈশ্বৰহে আছিল। আৰ্যই বৰ্গীয় সমাজ পাতি সেইসমাজত অনাৰ্যসকলক উচ্চবৰ্গৰ পদতলত থাকিবলৈ বাধ্য কৰাইছিল, অথচ অনাৰ্যৰ শিৱক নি আৰ্যই ঈশ্বৰ পাতি থৈছিল। কি ক'লে মহাশয়ে, আকৌ কওকচোন, অ' বুজিছো, মানুহক দমন আৰু বশীভূত কৰি ৰাখিবলৈ ঈশ্বৰক শাসকেই সৃষ্টি কৰো বুলি কৈছে, আপোনাৰ

মতে অনাৰ্যৰ ঈশ্বৰক আৰ্যকৰণ কৰাৰ উদ্দেশ্যও সেয়াই নহয়, মহাশয়, ইমান সংবেদনশীল বিষয়বোৰকলৈ আমি চৰ্চা নকৰাই ভাল। আনে নুশুনাকৈ অলপ লাহেকৈ কথাবোৰ কওক। হ'ব, মহাশয়, ব্যাখ্যা নকৰিলেও হ'ব। মই বুজি পাইছো আপুনি কি ক'ব খুজিছে। আপুনি ক'ব খুজিছে যে ধৰ্মৰ ৰঙ-চঙীয়া বাহ্যিকতাইহে মানুহক বেছি আকৰ্ষিত কৰে, মানুহক ধাৰ্মিক কৰি তোলে। ধৰ্মভীৰু আৰু ধৰ্মান্ধও কৰি তোলে। ময়ো জানো যে ধৰ্মকথাৰ গভীৰতালৈ যোৱাৰ চেষ্টা কাৰো নাই। মানুহে ৰাজনীতিকৰ দৃষ্টিৰেই ধৰ্মক বিচাৰ কৰি আহিছে। চাওক মহাশয়, এইবোৰ কথা পতাৰ সময় নহয় এতিয়া। মানুহ এতিয়া মন্দিৰ-মছজিদৰ নামত উত্তপ্ত। কেতিয়াবা মুকলি দিন আহিলে পাতিম কথাবোৰ। এতিয়া আমি এই প্ৰসংগ ইয়াতে সামৰো। মুঠতে জানি থওক, মই এই গল্প নিলিখো, এইটো মোৰ দৃঢ় সিদ্ধান্ত। আপুনি মোক পৰামৰ্শ দিছে একো কথা গ্লৰিফাই নকৰাকৈ সঁচা কথাটোকে গল্প হিচাপে লিখিবলৈ। চাওঁক মহাশয়, মই আপোনাৰ উদ্দেশ্য বুজি পাইছো, মই বুজি পাইছো যে আপুনি বিচাৰিছে, কাহিনীটোৰ মহৎ বাৰ্তা পাঠকৰ ওচৰ পাবগৈ লাগে। আপুনি যে কৈছে জীৱন ধৰ্মতকৈ বহু ডাঙৰ বস্তু। মই মানি লৈছো সেই কথা। মহম্মদ আৰু দীন দয়ালে মানুহৰ ধৰ্মীয় জীৱনৰ প্ৰহসনক উদঙাই দি মানৱীয় সম্প্ৰীতিৰ এক বিৰল দৃষ্টান্ত তৈয়াৰ কৰিছে বুলি আপুনি কোৱা কথাষাৰৰো মই বিৰোধিতা নকৰো। কিন্তু হ'লেও আপোনাৰ এই সত্য কাহিনীৰ প্লটটোত যিমানেই মহৎ আবেদন নাথাকক কিয়, মোৰ বিচাৰত ই অতি স্পৰ্শকাতৰ। আজিকালিৰ পাঠকে গল্পত কোনো মেচেজ বিচাৰি নুফুৰে, তেওঁলোকে কেৱল গল্পটো পাঠ কৰে আৰু বিনোদন বিচাৰে। তেওঁলোকে গল্পটো পাঠ কৰি দেখিব যে এই গল্পটো এনে এজন মুছলমানৰ গল্প, যি শিৱৰ বেশ ধাৰণ কৰি ৰাস্তাত ভিক্ষা মাগি ফুৰিছে, কি ক'লে, মহম্মদে ভিক্ষা কৰি পোৱা পইচাৰে দীনদয়ালৰ ৰুগ্ন শিশুটিৰহে চিকিৎসা কৰিব বিচাৰিছিল অ, হ'ব পাৰে তাৰ উদ্দেশ্য মহৎ। আপোনাৰ মতে দীনদয়ালৰ মৃত্যুৰ পাছত মহম্মদে দীনদয়ালৰ পৰিয়ালটোৰ পোহপালৰ দায়িত্ব লৈছিল। হ'ব পাৰে মহাশয়, আপোনাৰ কথা মই একোৱে অস্বীকাৰ কৰিব খোজা নাই। কিন্তু পাঠকে জানো প্ৰশ্ন নুতুলিব যে মহম্মদে অন্য কাম নকৰি শিৱনো কিয় হ'বলৈ পালে? সিতো ইছলামৰ কোনো নৱীকে বিচাৰি ল'ব পাৰিলেহেঁতেন। বুজিছো মহাশয়, বুজিছো, আপুনি কৈছে যে মহম্মদে কি পৰিস্থিতিত পৰি শিৱ হ'বলগীয়া হ'ল, সেয়া গল্পৰ বাকীখিনি পঢ়ি পাঠকে বুজিব পাৰিব। আপোনাৰ মতে গল্প শেষ কৰাৰ পাচত কোনেও মহম্মদক দোষ নিদিয়ে, লেখককো দোষ দিয়াৰ কথা নাহে। আচ্ছা। পিছে মহাশয়, মই আপোনাৰ কথাত আশ্বস্ত হ'ব নোৱাৰো। পাঠকে গল্প শেষ হোৱালৈ ধৈৰ্য ধৰিব জানো? দৰিদ্ৰজনৰ বাবে ধৰ্ম এটাই--ক্ষুধা নিবৃত্তি। ভাত-আশ্ৰয়ৰ সমস্যাৰে জৰ্জৰিতজনৰ ওচৰত ধৰ্মৰ প্ৰাসংগিকতা কি? গৃহহাৰা, বস্তুহাৰাক মন্দিৰেই আশ্ৰয়-পোহপাল দিয়ে নে মছজিদেই দিয়ে। গতিকে মই এই কথা বুজিব পাৰিছো যে মহম্মদ আৰু দীন দয়ালৰ সম্পৰ্কটো ধৰ্মৰ বিচাৰেৰে বিচাৰ কৰিব নোৱাৰি। আপুনি কোৱাটোৰে হয়তো ঠিক যে দুয়োৰে ভিক্ষা মগাৰ প্ৰধান স্থলী আছিল ৰে'লৰে ষ্টেছনটো। তাতে দুয়ো চাগে দুফালৰ পৰা আহি ওলাইছিল। প্ৰায়ে দেখা দেখি হৈছিল। কি ক'লে, দুয়ো প্ৰায়ে একেখন হোটেলত দুপৰীয়াৰ সাজ খাইছিল? অ' বুজিছো

বুজিছো, সেইখন আচলতে ঠিক হোটেল বুলিব নোৱাৰি। ফুটপাথত দিয়া ভাতৰ দোকান। হয়তো বিছ-ত্ৰিছ টকাতে একাঁহী ভাত পোৱা যায়। আচ্ছা, আপোনাৰ কথা হ'ল, তাতে বহি সিহঁতে ভাত-তাত খাওতে সদায় দেখাদেখি হওঁতে দুয়োৰে যোগাযোগ ঘটিল। তেনেকৈয়ে সম্পৰ্ক এটা হ'ল, অ' আচ্ছা, একেলগে বহি বিড়ি বা ভাঙৰ চিলিম টানোতে বন্ধুত্ব হ'ল, হ'ব পাৰে, এই নগৰত ক'ত দৰিদ্ৰ মানুহ পোক-পতংগৰ দৰে কিলবিলাই ফুৰিছে, সিহঁতে কিদৰে চলাফিৰা কৰিছে বা জীৱন কটাইছে চাই ফুৰিবলৈ কাৰ আহৰি আছে? জীৱিকাৰ পথত দুজন মানুহৰ যোগাযোগ ঘটিবই পাৰে, বন্ধুত্বৰ সম্পৰ্কও হ'ব পাৰে। ইয়াত হিন্দু-মুছলমানৰ প্ৰসংগ অৰ্থহীন। এইবোৰত নটকীয়তা বিচাৰিও লাভ নাই। আপুনি যে কৈছে যে দীনদয়ালে পৰিস্থিতিত পৰি ঘটনাক্ৰমে ঈশ্বৰৰ বেশ লৈ ভিক্ষা মাগি ফুৰা দল এটাত সোমাই পৰিছিল আৰু একেদৰে মহম্মদেও সেইখিনি সময়ত নকল হিজৰা সাজি ভিক্ষা মাগি ফুৰিছিল। মই নাভাৱো যে মানুহৰ জীৱনৰ এনেবোৰ ঘটনা কিবা নাটকীয় পাকচক্ৰত পৰিহে সংঘটিত হৈছে। শত দৰিদ্ৰ মানুহৰ জীৱনবোৰ এই ধৰণৰ বৈচিত্ৰময়। মানে আমাৰ দৰে মধ্যবিত্তীয় লেখকৰ দৃষ্টিত দৰিদ্ৰজনৰ এই ধৰণৰ জীৱন বৈচিত্ৰক আমি ৰোমাণ্টিচাইজ কৰি পেলাওঁ। গল্পৰ সমল কৰি লওঁ। গল্পও শেষ, আমাৰ আৱেগো শেষ। আপুনি কৈছে যে দীনদয়ালে গাঁৱৰ যি টুকুৰা পৈতৃক মাটিত বাস কৰিছিল আৰু খেতি-বাতি কৰিছিল, সেয়া ম্যাদী পট্টাৰ মাটি নাছিল, আছিল চৰকাৰী খাচ মাটি। গতিকে চৰকাৰে সেই মাটি অধিগ্ৰহণ কৰি দীনদয়াল বা ওচৰ পাজৰৰ সমস্ত পৰিয়ালক উচ্ছেদ কৰি কোনো পুঁজিপতিক দিয়ালে। পুঁজিপতিয়ে তাতে পেপছিৰ কাৰখানা খুলিলে আৰু চৰকাৰ আৰু কোম্পানিয়ে পূৰ্বে দিয়া প্ৰতিশ্ৰুতি অনুসৰি স্থায়ী চাকৰি প্ৰদানৰ পৰিৱৰ্তে দীনদয়ালক কেৱল অস্থায়ী লেৱাৰৰ কাম এটাহে দিলে আৰু দুদিনমান পাছত কামত হেমাহি দেখুওৱাৰ অভিযোগ তুলি দীন দয়ালক খেদি দিয়া হ'ল। শেষত কথাটো এয়াই হ'ল গৈ যে যিটুকুৰা মাটি তাৰ জন্ম, যি টুকুৰা মাটিত তাৰ পৰিয়ালৰ আশ্ৰয়, জীৱিকা—এদিন সেই মাটিতে ভৰি থোৱাৰ অধিকাৰ নোহোৱা হ'ল তাৰ। তাৰ জন্মভেটিত বহি ল'লে কোনো বিদেশী কোম্পানীয়ে। এয়াই নহয় জানো আপোনাৰ দীনদয়ালৰ জীৱনৰ গল্প? কি ক'লে, সি যেতিয়া গাঁৱৰ অন্যান্য ভুক্তভোগী মানুহৰ স'তে কাৰখানাৰ সন্মুখত প্ৰতিবাদ কৰিলে, পুলিচে ধৰি নি তাক দুচাট মানতো দিলেই, লকআপতো ভৰাই থলে? মই বুজিছো মহাশয়, মোক ইমান বিতং বুজোৱাৰ আৱশ্যকতা নাই। শেষত দীনদয়ালৰ পৰিণতি কি হ'লগৈ, তাৰ আন্দাজ কৰাৰ ক্ষমতা মোৰ আছে। এইটো কেৱল এজন দীনদয়ালৰ গল্প নহয়, সেই কথাও মই বুজি পাওঁ। মই বুজি পাওঁ যে হাজাৰ হাজাৰ দীন দয়ালে জীৱনৰ পৰিণতি নিয়তিৰ পৰিহাস বুলি মানি লৈ এই নগৰত থিতাপি লৈছে আৰু জীৱনৰ স'তে সংঘৰ্ষ কৰিছে। আপুনি ইতিমধ্যেই কৈছে যে দীনদয়ালে ভাগ্যক ধিয়াই চহৰলৈ গুচি আহিছিল। মাটিৰ যিহেতু কোনো ক্ষতি পূৰণ তাক দিয়া নহ'ল, গতিকে গৰু-ছাগলী যি দুটামান আছিল, তাকে বেচি মূলধন হিচাপে লৈ নগৰলৈ গুচি আহিল। নহয় জানো? আপুনি কোৱা মতে সি আহি ফুটপাথত চাহ-দোকান এখন দিলে। থাকিবলৈ ল'লে চহৰৰ গাতে লাগি থকা পাহাৰত। তৰ্জাৰ বেৰেৰে সজা একোঠলীয়া ভাড়াঘৰ এটা লৈ জীৱনটো নতুনকৈ

আৰম্ভ কৰিলে। নহয়নে? পিছে আপোনাৰ মতে তাতো তাৰ বিড়ম্বনা। প্ৰথমবাৰ যিজন লোকেল নেতাই পাহাৰবাসীক ভোটৰ বিনিময়ত সুৰক্ষাৰ প্ৰতিশ্ৰুতি দিছিল, পাছৰবাৰ সেইজনেই নতুন চৰকাৰৰ পক্ষ লৈ হাতী লগাই বাছি বাছি কিছুমান ঘৰ ভাঙি দিলে। বুজিছো মহাশয়, এইবোৰ নিউজ টিভি-কাকতত সততে পাওঁ। তাৰ মানে তাৰে ভুক্তভোগীসকলৰ মাজত আপোনাৰ দীনদয়ালো এজন? অ', তাৰ মানে দীনদয়াল এইবাৰ পাহাৰৰ পৰা নামি আহিল, ৰে'ল লাইনৰ দাঁতিৰ বস্তিত থাকিবলৈ ল'লে? আপুনি কৈছে যে তাতো দীন দয়ালৰ শান্তি নাই। তাতো মাজে মাজে উচ্ছেদ চলে। ভাঙি দিয়া প্লাষ্টিক পলিথিনৰ ঘৰবোৰ পাছদিনা সিহঁতে আকৌ সাজি লয়। এনেকৈ চলি থাকে দীন দয়ালৰ সংসাৰ। বুজিছো মহাশয়, এনেধৰণৰ দৃশ্যও আমি সঘনাই দেখি থাকো--বস্তি অঞ্চলৰ উচ্ছেদ। এইবোৰতো নগৰীয়া জীৱনৰ দৈনন্দিন চিত্ৰ। অতি সাধাৰণ চিত্ৰ। তাৰ মাজত দীনদয়াল আৰু তাৰ পৰিয়ালটো থাকিবই পাৰে। অ', তাৰ পাছত কি কৈছিল? দীনদয়ালে ইটো সিটো কৰি ল'ৰা-ছোৱালীহাল আৰু ঘৈণীয়েকক পোহপাল দিয়াৰ চেষ্টা চলাই গৈছিল। আপুনি কৈছে যে ঘৈণীয়েকেও পাৰ্ট টাইম বাঈৰ কাম বিচাৰি ল'লে। ল'ৰা-ছোৱালীহালক স্কুলত দিছিল যদিও টকা-পইচাৰ অভাৱত সিহঁতৰ স্কুল যোৱা বন্ধ হ'ল। ল'ৰাটোক ওচৰৰ হোটেলখনত মাজে মধ্যে কাম-বন কৰিবলৈ লগাই দিয়া হ'ল। আপুনি দীনদয়ালৰ যি জীৱন বৃত্তান্ত মোক শুনাইছে, মই গল্প লেখক হিচাপে কওঁ যে এইবোৰ কৰুণ কাহিনীৰ চোক কেতিয়াবাই হেৰাই গৈছে। পাঠকক খুশ কৰিব নোৱাৰি। পাঠকে ট্যুইষ্ট বিচাৰে। আৰু দীনদয়ালৰ কাহিনীত ট্যুইষ্ট তেতিয়াহে আহিছে, যেতিয়া মূৰত ফ্লাই অভাৰৰ ৰড পৰি দীনদয়ালে অকাল মৃত্যুক সাবটি ল'বলগীয়া হৈছে আৰু তাৰ পৰিয়ালটোক ভৰণ-পোষণ দিবলৈ গৈ মহম্মদে শিৱৰ ৱেশ লৈ ভিক্ষা মাগিবলৈ লৈছে। কি ক'লে আপুনি, মহম্মদে শিৱৰ ৱেশ ল'বলগীয়া হোৱাৰ ঘটনাটো নিত্যান্তই আকস্মিক? জানো আকস্মিক। দীনদয়ালে যে ফুটপাথৰ চাহ দোকান এৰি ঈশ্বৰৰ ভেশছন্নধাৰী দলত সোমাবলগীয়া হ'ল, সেইটো জানো আকস্মিক নহয়? দীনদয়ালৰ দোকানলৈ মাজে মধ্যে ঈশ্বৰৰ ভেশছন্নধাৰী ভিক্ষাৰীৰ দলটো আহে। এজন শিৱ, এজন ঢুলীয়া, বাকীজন খুটি-তাল বাদক। সন্ধিয়া ঘৰলৈ উভতিবলৈ বাছ ধৰিবলৈ আহি দীনদয়ালৰ দোকানত চাহ খায়। আপুনি লগতে এই কথাও কৈছে যে এনেকৈ আঁহোতে যাওঁতে দীনদয়ালৰ স'তে দুই চাৰিটা কথাও পাতে সিহঁতে। কথা পাতি পাতিয়ে দীনদয়ালৰ স'তে ঘনিষ্ঠতা বাঢ়ে। আপুনি কোৱা অনুসৰি যেতিয়া ৰাস্তাটোত উৰণ সেঁতু নিৰ্মাণৰ কাম আৰম্ভ হ'ল, আন আন দোকান-পোহাৰৰ লগতে ভাঙি দিয়া হ'ল দীন দয়ালৰো দোকানখনো। নতুনকৈ দোকান পাতি বহিবলৈ কোনো সুবিধাজনক ঠাই বিচাৰি নাপাই দীনদয়ালৰ এক প্ৰকাৰ হাঁহাকাৰ অৱস্থা। কি ক'লে, উপাৰ্জনৰ অভাৱত দীন দয়ালৰ পৰিয়ালটো কেবাদিনো লঘোণ পৰিবলগীয়া হৈছিল? আচ্ছা। বুজিছো দীনদয়ালৰ জীৱনটো বহুত ষ্ট্ৰাগলৰ। আপুনি আৰু কি কথা কৈছিল? অ', মনত পৰিছে, আপুনি যিটো কথা কৈছিল সেয়া বৰ নাটকীয়, কিন্তু আমোদজনকো। আপুনি কৈছিল যে ইশ্বৰৰ বেশধাৰী দলটোৱে সিদিনা সিহঁতৰ ৱেশভূষা-- মানে বাঘৰ নকল ছাল, নকল জঁটা, ত্ৰিশূল, ডম্বৰুৰ লগতে ঢোল-তালযোৰো ৰাতিটোৰ বাবে দীনদয়ালৰ জিম্মাত থৈ গৈছিল। পিছদিনা ওভতাই নিয়াৰ কথা। পাছদিনা

সিহঁতে সেইবোৰ বিচাৰি আহিছিল নে নাই, দীনদয়ালে কাহানিও জানিব নোৱাৰিলে। কিয়নো সেইদিনাই পৌৰসভাৰ মানুহ আহি তাৰ দোকান ভাঙি দিলে আৰু তাৰ দোকানৰ বস্তু-বাহানিবোৰ গাড়ীত তুলি লৈ গ'ল। অ' তাৰ পাছত কি হৈছিল কওকচোন। আচ্ছা, তাৰ পাছত দীনদয়ালে কাম-বন নোহোৱাকৈ এনেয়ে দুদিনমান ঘৰতে বহি থকাৰ পাছত মানুহ কেইজনে এৰি থৈ যোৱা বয়বস্তুখিনি উলিয়ালে। নহয়নে গাত নীল সানিলে, কপালত তৃতীয় নয়ন আঁকিলে, নকল চুলিৰ জঁটা পৰিধান কৰি কঁকালত মেৰিয়াই ললে বাঘৰ নকল ছাল, হাতত ত্ৰিশূল আৰু এলুমিনিয়ামৰ বাটিটো লৈ দীনদয়াল চহৰখনৰ ব্যস্ত এলেকালৈ ওলাই আহিল? আপুনি লগতে ইয়াকো কৈছে যে এনেকৈয়ে দীনদয়াল চহৰখনৰ শিৱ হৈ পৰিল। তাৰ উপাৰ্জনো মোটামুটি ভালেই হ'ল। আপোনাৰ মতে কামটো আছিল অস্বস্তিদায়ক, কিন্তু সি বিকল্প পথ বিচৰাৰ ইচ্ছা নকৰিলে। ঘাইকৈ সি কাষৰ ৰে'লৰে ষ্টেছনৰ বাহিৰত ঘূৰা-পকা কৰি ভিক্ষা মাগে। কেতিয়াবা মহম্মদৰ লগত দোকানে দোকানেও যায়। ভাগৰ লাগিলে দুয়ো বন্ধুৱে ক'ৰবাত বহি ভাং খায়। এনেদৰে দিনবোৰ গৈ আছিল। মহম্মদৰ ক্ষেত্ৰত কি হৈছিল মহাশয়? কি ক'লে, অ আচ্ছা, পুলিচ আৰু পাব্লিকৰ মাৰধৰত মহম্মদে নকল হিজৰাৰ ৱেশ লৈ থকাটো অসম্ভৱ হৈ পৰিছিল? মানে সি উপায়হীন হৈ কামটো এৰি দিলে? সেইটো বাৰু বুজিলো, দীনদয়ালৰ মৃত্যুৰ পাছত মহম্মদে শিৱৰ ৱেশভূষাখিনি পালে ক'ত? অ' আচ্ছা। মানে সি হিজৰাগিৰী এৰি দীন দয়ালৰ লগ লাগিল। দুয়ো মিলিজুলি নকল ঈশ্বৰৰ দল খুলিলে। মহম্মদে ঢাক বজায়, দীনদয়ালে নটৰাজ নৃত্য প্ৰদৰ্শন কৰে। আপুনি জানো কোৱা নাছিল যে মহম্মদে দীনদয়ালৰ জুপৰিতে আশ্ৰয় লৈছিল? অ, কৈছিল আপুনি। তাৰ পাছত অঘটনটো কেনেকৈ ঘটিল, মানে দীনদয়ালৰ দূৰ্ঘটনাটো? কেনেকৈ মৰিল সি? এদিন সন্ধিয়া জুপৰিলৈ উভতি আহোঁতে নিৰ্মাণ কৰি থকা ফ্লাই অভাৰৰ পৰা লোৰ গধুৰ কিবা এটা সৰি দীনদয়ালৰ মূৰতে পৰিছিল নহয় জানো? কি ক'লে? ঠাইতে নিধন হ'ল দীনদয়াল? ঠিক আছে তাৰ পাছৰ কাহিনীটো নক'লেও হ'ব। সেই সময়ত দীনদয়ালৰ ল'ৰাটো গুৰুতৰ ভাৱে অসুস্থ। তাক জৰুৰী চিকিৎসাৰ প্ৰয়োজন আছিল। মহম্মদে দীন দয়ালৰ অসহায় পৰিয়ালটোক সেই বিপদৰ মাজত এৰি থৈ যাব পৰাকৈ নিৰ্দয় হ'ব নোৱাৰিলে। সিহঁতৰ কণমানি জুপৰিটোত আশ্ৰয় লৈ থাকিবলৈ লওঁতে তাৰ আত্মীয়তা বোধ জাগি উঠিছিল। স্বাৰ্থপৰৰ দৰে দীনদয়ালৰ পত্নী আৰু সন্তান দুটিক এৰি থৈ যাবলৈ তাৰ অন্তৰে নক'লে— নহয় জানো? কিন্তু সিহঁতক পোহপাল দিবলৈ, ভাত মুঠিৰ যোগান ধৰিবলৈ, ল'ৰাটোৰ চিকিৎসা কৰাবলৈ মহম্মদৰ কোনো উপায় নাছিল, নহয়নে? বুজিছো, বুজিছো মহাশয়, তাৰ পাছত কি হ'ল? কিন্তু মহাশয়, এজন হিন্দু হোৱা সূত্ৰে এই গল্প মই লিখিব নোৱাৰিম। মহম্মদে শিৱ হোৱাৰ সাহস দেখুৱাব পাৰে, কিন্তু মই নিৰুপায়। ধৰ্মীয় বিধি-নিষেধৰ ওখ দেৱাল ভঙাৰ সাহস মই কৰিব নোৱাৰো। সততাৰে কৈছো। মই দুখিত। এই গল্প মই নিলিখো। ওঁহো, কোনো কাৰণতে নিলিখো।

দূৰভাষ ঃ ০৯১০১ ৩২২৫৭৭
ই-মেইল ঃ pratidinparikrama@gmail.com

গল্প

# প্ৰযত্নেঃ ৰাৱণ_১০২০@ফেন্টাছী.কম

✍ মৌচুমী কন্দলী

Yahoo Messenger
LOG ON
User id : paramveer
Password:. *********
Chatroom: grapevine

**জেচিকা ৩২ ঃ** হাই পৰমবীৰ,—চ' ডেয়াৰ য়ু আৰ। মই ৰৈ আছো আপোনাৰ কাহিনী শুনিবলৈ।

**পৰমবীৰ ঃ** কাহিনী নহয় মিজ, এ ৰিয়েল লাইফ ইন্সিডেন্ট- অ' পিছে কালি আমি ক'ত আছিলো?

**জে ঃ** আপোনালোক তেতিয়া নৌশ্বেৰাত।

**প ঃ** অ' ইয়েছ, ঝাংগাৰৰ পতনৰ পাছত মীৰপুৰৰ পৰা পুঞ্চলৈ সমগ্ৰ অঞ্চল তেতিয়া শত্ৰুৰ হাতত। আমাৰ ৫০ পেৰা ব্ৰিগেডৰ ব্ৰিগেডিয়াৰ ওচমানে ঠিকেই অনুমান কৰিছিল যে সিহঁতৰ পৰৱৰ্তী লক্ষ্য হ'ব নৌশ্বেৰা। সেয়ে তেওঁ শত্ৰু অহা বাটত কেইবাটাও পহৰাদাৰী চকী বহুৱাই দিলে। তাৰে এটা আছিল নৌশ্বেৰাৰ উত্তৰে টাইনধৰ টিলাত।

**জে ঃ** তাৰ পাছত?

**প ঃ** চাৰিওফালে শাৰী শাৰী পাহাৰৰ মাজৰ টাইনধৰ টিলাৰ ২ নং চকীত আমি। সেইদিনা আছিল ১৯৯২ চনৰ ৬ ফেব্ৰুৱাৰীৰ পুৱা। প্ৰচণ্ড শীত। ঘন কুঁৱলীৰ বগা আচ্ছাদনৰে ঢকা পাহাৰবোৰ হঠাৎ কামানৰ শব্দত কঁপি উঠিল-হেই আৰ য়ু ষ্টিল ডেয়াৰ?

**জে ঃ** ইয়েছ, ইয়েছ, প্লিজ কৈ যাওক।

**প ঃ** লাহে লাহে ৰ'দে ফেন্থুঁজালি দিয়াত আমি দেখিলো হাজাৰ হাজাৰ শত্ৰুসৈন্যই চাৰিওপিনৰ পৰা আমাৰ ফালে আগুৱাই আহিছে। টাইনধৰ দুই নং চকীত তেতিয়া আমি মাত্ৰ ন জন। ধাৰাষাৰ এজাক বৰষুণৰ দৰে শত্ৰুৰ গুলী আমাৰ পজিছনৰ ওপৰত পৰিবলৈ ধৰিছে। প্ৰত্যুত্তৰত আমিও এনেকৈ মৰ্টাৰ আৰু এল এম জি চলাবলৈ ধৰিলো যে শত্ৰুৰ ভাৱ হ'ল আমাৰ পিকেটত অগণন সৈন্য আছে ইফালে এজন এজনকৈ মোৰ লগৰীয়া সৈনিক কেইজন ধৰাশায়ী হৈ পৰিবলৈ ধৰিছে। এনেতে এটা গুলী মোৰো শৰীৰেৰে সৰকি গ'ল। শত্ৰুসৈন্যই তেতিয়া আমাৰ পিকেটৰ দেৱাল বগাবলৈ আৰম্ভ কৰিছে- বাংকাৰত মই অকলে ; বাকী আটাইকেইজনেই ইতিমধ্যে প্ৰাণত্যাগ কৰিছে।

**জে ঃ** মাই গড; তেতিয়া আপুনি কি কৰিলে?

**প ঃ** হঠাৎ কি হ'ল নাজানো, কাষৰ মৃতদেহটোৰ পৰা এল এম জি টো আজুৰি আনি মই চিঞৰি চিঞৰি বাংকাৰৰ পৰা ওলাই আহি সিহঁতৰ ওপৰত জঁপিয়াই পৰিলো। ঘটনাৰ আকস্মিকতাত বিমুঢ় হৈ সিহঁত চেদেলী ভেদেলী হৈ পলাবলৈ ধৰিলে আৰু মই সিহঁতৰ পিছে পিছে খেদি গ'লো। হে ঈশ্বৰ, নাজানো সেই অতিমানবীয় শক্তি মই কেনেকৈ পাইছিলো! কাৰ প্ৰেৰণাত মই যুদ্ধৰ পৰা পিছ নুহুঁহুকি কাণ্ডজ্ঞান ৰহিত হৈ কেৱল যুঁজি গ'লো? ইতিমধ্যে পাঁচোটা গুলি মোৰ শৰীৰ ভেদি সৰকি গৈছে। কিন্তু মোৰ হুঁচ নাই। মই

কেৱল এল এম জি চলাই গৈ আছো মোৰ হেলমেটত এক প্ৰচণ্ড ঢাকা আৰু তাৰ পিছত সকলো আন্ধাৰ। আৰু যেতিয়া আন্ধাৰ আঁতৰিল তেতিয়া মই জন্মুৰ কমাণ্ড হাস্পতালত।

**জে ঃ** গড, ইটচ ইনক্ৰেডিবল। হেই আই এম টকিং টু এ হিৰ'।

**প ঃ** থেংক য়ু...

**জে ঃ** সঁচাকৈয়ে, পৰিস্থিতিত পৰিলেহে আমি নিজকে প্ৰকৃততে চিনি পাওঁ-নহয়নে? আৰু তেতিয়াই আমি আমাৰ প'টেনচিয়েলখিনি আৱিষ্কাৰ কৰো।

**প ঃ** হয়, হয় মিজ, একদম ঠিক কথা কৈছে আপুনি।

**জে ঃ** পিছে এটা কথা মেজৰ সিং—কেতিয়াবা আপোনাৰ ভাৱ নহয়নে— এই যে যুদ্ধ বিগ্ৰহ— হেজাৰজন সবল সুঠাম লোকৰ অকাল প্ৰাণ আহুতি— ব্যক্তিগত শত্ৰুতা নথকাকৈ ৰাষ্ট্ৰযন্ত্ৰৰ অথবা কোনো ভাবাদৰ্শৰ বাবেই এই পাৰস্পৰিক ঘৃণা-বিদ্বেষ-প্ৰতিশোধ-এইবোৰ কেৱল এক নিষ্ফল কছৰৎ- মানৱ সম্পদৰ অপচয়?

সাৱধান, সাৱধান, চিত্ৰভানু মজুমদাৰৰ মস্তিষ্কৰ এন্টেনাত বিপদ সংকেতৰ ৰেড এলাৰ্ট বাজি উঠিল। এহাতত পলিটিকেল কাৰেক্টনেছৰ নিচান আৰু আনখনেৰে হাইফাণ্ডা লেকচাৰ তত্ত্বকথা-নাৰীবাদী-মাতৃবাদী-মানৱতাবাদী-বাণীৰ বৰ্ষণ আৰু ওঁঠত অৰ্থহীন পেনপেনীয়া কথাৰ নেগিঙেৰে এয়া অতিআধুনিক বিদ্যাদেৱীৰ আবিৰ্ভাৱ হৈ গ'ল। ডিজগাষ্টিং, এইবাবেই এনে ছোৱালীবোৰক সহ্য নহয়-দেশৰ বিদ্যা জাহিৰ কৰি দুনীয়া বাজীমাৎ কৰিবলৈ বিচৰা এই জেচিকা ৩২ বোৰক। বিৰক্তি আৰু বিদ্ৰূপৰ যুগ্ম ছাঁত চিত্ৰভানু মজুমদাৰৰ মুখখন বেঁকা হৈ গ'ল। আৰু 'টক টু য়ু লেইতাৰ, গট্টা গ' নাও, চি য়ু' বুলি জেচিকা ৩২ৰ পৰা বিদায় লৈ, সেই চাইবাৰ স্থানৰ পৰা চিত্ৰভানু মজুমদাৰে অন্য এক চেট ৰুমলৈ গতি কৰিলে। আৰু কি ভাগ্য, লগে লগে সেই ৰুমৰ মজিয়াত লগ পাই গ'ল 'ডেয়াৰডেভিল'ক। ৰ'টাৰডামৰ ডেয়াৰডেভিলক। 'উড লাভ টু ছি য়ু' বুলি এবাৰ জাষ্ট ফ্লাৰ্ট মাৰোতেই 'হাউ মাচ্ছ?- দিছ মাচ্ছ?' বুলি লগে লগে নিজৰ স্নেপশ্বট প্ৰক্ষেপ কৰা ডেয়াৰডেভিল। সোণালী চুলি, নীলা চকু আৰু উদং বক্ষত সগৌৰৱে জিলিকি থকা ৰঙা বৃত্তৰ মাখনৰঙী দুটি উদ্ধত স্তনেৰে শোভিত এক অপূৰ্ব স্নেপশ্বট, আ-হা; আ ৰিয়েল ব্লণ্ড-চিত্ৰভানুৰ শৰীৰত যেন হেজাৰ বিলিয়ন ভ'ল্ট বিদ্যুতৰ উত্তেজনা। বিনিময়ত সিও ছুপাৰ মডেল ডিন' ম'ৰিয়াৰ ছবি এখনকে নিজৰ বুলি পঠিয়াই দিছিল। ডিঙিত ৰুদ্ৰাক্ষৰ মালা আৰু কঁকালত ফুলাম কাপোৰেৰে উদং দেহাৰ ডিন' ম'ৰিয়া। তেতিয়াৰে পৰা দুয়োৰে মাজত বৈ আছে অনন্ত আনন্দ পৰিবাহী এই অন্তহীন চাইবাৰ চেক্সৰ প্ৰবাহ। অৱশ্যে জেচিকা ৩২ৰ সৈতে সংযোগ স্থাপনৰো এক মজা নোহোৱা নহয়। এই মজা ভিন্নধৰ্মী। গহীন প্ৰকৃতিৰ। এক ফেশ্বন ডিজাইনাৰ বুলি ডেয়াৰডেভিলক পৰিচয় দিয়াৰ বিপৰীতে টেক্সাচৰ জেচিকাৰ বাবে চিত্ৰভানু পৰিচিত মেজৰ যদুনাথ সিঙৰ ৰূপত। দৰাচলতে জেচিকাক সি দিয়া যুদ্ধৰ বিৱৰণটো ৰাজপুত ৰেজিমেণ্টৰ নায়ক যদুনাথ সিঙৰ জীৱনত ঘটা সত্য কাহিনীৰ বিৱৰণি। ১৯৪৮ চনৰ কাশ্মীৰ যুদ্ধত নৌশ্বেৰাৰ ৰণত দেখুওৱা বীৰত্বৰ বাবে পৰমবীৰ চক্ৰ বিজেতা নায়ক যদুনাথ সিং। ভাৰত ৰক্ষক ৱেবছাইটৰ পৰা ডাউনল'ড কৰা এই কাহিনীটোত চিত্ৰভানুৱে এটা টুইষ্ট দিছে। সেই সংঘৰ্ষত যদুনাথ সিঙৰ মৃত্যু ঘটিছিল; চিত্ৰভানুৱে পিছে নিজক মৰিবলৈ দিয়া নাই। যি পৰিস্থিতিয়েই নহওক কিয় চিত্ৰভানুৱে নিজকে মৰিবলৈ নিদিয়ে। দিব নোৱাৰে। আফটাৰ অল, জীয়াই

থাকিবলৈকেটো এই চাৰভাইভেল ষ্ট্ৰেটেজি— ফেণ্টাছীৰ এই খেলা- এই মাল্টিপল প্যাৰ্ফৰ্ম্যানচ্, নিত্য নতুন উদ্ভাৱনাৰ আনন্দ, আৰু ক্ষন্তেকতে অন্য এজনলৈ ৰূপান্তৰিত হোৱাৰ উত্তেজনাৰে চাইবাৰ স্পেচত এই নিৰন্তৰ পৰিভ্ৰমণ। এক মায়াবী বহুৰূপী যাদুকৰৰ দৰে অজস্ৰ ছদ্মবেশেৰে ভাৰ্চুৱেল টেৰিটৰীত এনে বহুধা পৰিচয়ৰ avatar, এজনৰ পৰা বহুজনলৈ ৰূপান্তৰিত হোৱাৰ এই প্ৰক্ৰিয়া- যেন হঠাতে এটা মুৰৰ পৰা দহটা মুৰ, দুখন হাতৰ পৰা বিশখন হাতৰ অধিকাৰী হোৱাৰ এক অতিচমৎকাৰী পৰিঘটনা। বিভ্ৰমৰ এই পৰিক্ৰমা- বিবৰ্ণ একমাত্ৰিকতাৰ পৰা বহুবৰ্ণী ভিন্নমাত্ৰিকতালৈ। একঘেঁয়ে নিৰ্জনতাৰ পৰা উৎসৱমুখৰ কলৰৱলৈ। মৃত্যুৰ জঠৰতাৰ পৰা জীৱনৰ তৰংগময়তালৈ আৰু, ‘আৰু কি ক’ম? পত্নীৰ মৃত্যুৰ পাছত, অৱসৰপ্ৰাপ্ত সত্তৰ বছৰীয়া সাধাৰণ এজন বৃদ্ধৰ জীৱন যেনেকুৱা হয় ঠিক তেনেকুৱাই আৰু—’

ছেণ্ট-পিটাৰ্চবাৰ্গৰ এই ভদ্ৰলোকৰ গাড়ী-মটৰ সম্বন্ধে কাৰিকৰী জ্ঞান প্ৰচুৰ। প্ৰাচ্য সংস্কৃতি ভাৰতীয় দৰ্শন সম্বন্ধে দৰৱ কোম্পানীৰ অৱসৰপ্ৰাপ্ত এই হিচাব পৰীক্ষক গৰাকীৰ গভীৰ আগ্ৰহ। কিন্তু তেওঁৰ ব্যক্তিগত জীৱনৰ দুৱাৰ আনৰ বাবে নিকপকপীয়াকৈ বন্ধ। চাইবাৰ স্পেচৰ আন বহুতো বাসিন্দাৰ দৰে প্ৰথম পৰিচয়তে নিজক উদঙাই দিয়া পাত্ৰ তেওঁ নহয়। তেওঁ কেৱল এক জিজ্ঞাসু-গভীৰ ধৈৰ্যশীল শ্ৰোতা। তেওঁ প্ৰশ্ন কৰি যায়—

ঃ পিছে ডেকা ল’ৰা, তোমালোকৰ সেই বিশেষ প্ৰজেক্টটোৰ কথা নক’লাচোন—

ঃ আপোনাৰ আগ্ৰহৰ বাবে ধন্যবাদ। অন্ততঃ আন বহুতৰ দৰে আপুনি কথাটো হাঁহি উৰুৱাই দিয়া নাই।

ঃ শুনা, ভাল কিবা এটা কৰিবলৈ গ’লে প্ৰথমে বাধা আহেই— মানুহৰ ঠাট্টা-মস্কৰা, হাঁহি-বিদ্ৰূপ, সন্দেহ-অবিশ্বাস।

ঃ হয় হয়, পিছে আমি সেও মনা সকলৰ শাৰীত নপৰো। আমাৰ সংগঠনৰ সকলোৰে গভীৰ বিশ্বাস এই প্ৰজেক্টত। আমাৰ উদ্দেশ্য সমগ্ৰ পৃথিৱীতে শান্তি স্থাপন কৰা। আৰু শান্তি প্ৰতিস্থাৰ বাবে প্ৰয়োজন হত্যা-ডকাইতি আৰু বলাৎকাৰৰ দৰে হিংসাজনিত অপৰাধ সমূহ বিলোপন কৰা। আপাততঃ আমাৰ সম্পৰীক্ষা প্ৰথমে আৰম্ভ হ’ব এখন ঠাইত আৰু ক্ৰমে ক্ৰমে তাক সমগ্ৰ বিশ্বলৈ সম্প্ৰসাৰিত কৰা হ’ব। আমি নিৰ্বাচন কৰা ঠাইখন হৈছে মুম্বাই মহানগৰী। তাৰ বাবে আমাৰ কাৰ্যপন্থা হ’ব— বিজ্ঞানসন্মত ৰূপত পৰিকল্পিতভাবে, অতিন্দ্ৰীয় ধ্যান আৰু যোগবলৰ পৰা উদ্ভূত মানসিক জ্যোতিৰে ঠাইখন ধুই নিকা কৰা। আপুনিতো জানেই যোগবলৰ সহায়ত মানুহে শূন্যলৈ ওপঙি উঠিব পাৰে— গজালৰ শয্যাতো টোপনি যাব পাৰে— জুইৰ মাজেৰেও নিৰ্বিঘ্নে পাৰ হৈ আহিব পাৰে। আমাৰ এই ‘বিশ্বব্ৰহ্মযোগী শান্তিসন্ধানী সংস্থাৰ’ সদস্যসকলে সামুহিক ৰূপত যোগবলৰ দ্বাৰা সেই তুৰীয় অৱস্থা প্ৰাপ্তিৰ বাবে সম্পৰীক্ষা চলাই আছো। আমাৰ গুৰু মহৰ্ষি শান্তি স্বৰূপৰ মতে, যোগৰ বলত আমি ভূমিৰ পৰা যিমানেই শূন্যলৈ-ওপৰলৈ উঠিম, সিমানেই অপৰাধৰ হাৰ তললৈ নামিব- অৱশ্যে এই মহান প্ৰজেক্টটোৰ সাফল্যৰ বাবে প্ৰচুৰ আৰ্থিক সাহায্যৰ প্ৰয়োজন, সকলোৱে এই ক্ষেত্ৰত অৰিহণা যোগোৱা উচিত। এই ক্ষেত্ৰত আপুনিও কিছু অনুদান দিয়াৰ বাবে ইচ্ছুক নেকি?

This page cannot be displayed.

ইণ্টাৰনেটৰ ট্ৰেফিক বিচ্ছিন্ন...। চিত্ৰভানুৰ চাইবাৰ পৰিভ্ৰমণ অকস্মাৎ সাময়িক ভাবে স্তব্ধ...।

ৰাতি এঘাৰটা যদিও ৰাজপথত জনজীৱনৰ

ট্ৰেফিক কিন্তু স্তব্ধ নহয়। বৰঞ্চ মহানগৰী হৈ পৰিছে আৰু অধিক সপ্ৰতিভ আৰু অধিক তৰুণ? শাৰী শাৰী অত্যাধুনিক গাড়ীৰ সৰ্পিল তিৰবিৰণি, গ্ল'চাইনৰ হ'ৰ্ডিং, কিঅ'স্কৰ অন্তহীন জিকমিকনিৰ মাজেৰে ডিস্ক'থেক— পাব— চাইবাৰ কাফে কলচেণ্টাৰলৈ ওলাই অহা জাক-জাক তজবজীয়া মুখেৰে-কি উচ্ছল-কি স্পন্দনমুখৰ এই মহানগৰীৰ ৰাতি। আস, মহানাগৰিক ৰাতিৰ এই মহাকাব্যিক spectacle ৰ ময়ো এক অংশীদাৰ। I belong to this great city ! গৌৰৱত চিত্ৰভানুৰ বুকু ফিন্দ খাই উঠে। দূৰ অতীতৰ এক লেতেৰা কুন্ধচ মলিয়ন চহৰৰ ৰুদ্ধশ্বাস আবহাৱাক চিৰকালৰ বাবে পৰিত্যাগ কৰি অহাৰ আনন্দত তাৰ ওঁঠ দুখনে এটা বেসুৰা সুঁহুৰিৰ কঁপনি তোলে; চিঞৰৰ এটাই উকি মাৰে তাৰ জিভাত। কিন্তু ধুনীয়া মুখ এখনত কেতিয়াবা দৃষ্টিকটু ভাবে ফুটি উঠা কিছুমান পিম্পলৰ দৰে মাজে মাজে লেম্পপ'ষ্টৰ তলত কুচিমুচি শুই থকা একোটা অঘৰী, পলিথিন-প্লাষ্টিক-কোকাকোলা— পেপছীৰ খালী কেনেৰে উপচি পৰা দুই এটা ডাষ্টবিন, অথবা ভাগৰুৱা অতি প্ৰাচীন এখন ডাবল ডেকাৰ বাছৰ পৰা টলং ভটং কৈ নামি অহা একোজন পদাচাৰী... এইবোৰ প্ৰতি-নান্দনিক দৃশ্যৰূপে চিত্ৰভানুক অস্থিৰ কৰি তোলে। অপূৰ্ব স্থাপত্যৰ আধুনিকতাৰে সদম্ভে মূৰ দাঙি থকা এক সুউচ্চ এপাৰ্টমেণ্টৰ কোনোবা বেলকনিৰে তললৈ ওলমি বতাহত চাৎ চাৎকৈ কঁপি থকা এখন বিবৰ্ণ শাৰীৰ দৰে বেখাপ্পা এনেবোৰ স্নেপশ্বট প্ৰত্যক্ষ কৰি, চিত্ৰভানু মজুমদাৰে অস্ফুট স্বৰত ভোৰভোৰাই উঠে- I hate it, I hate it...! চাইবাৰ কাফেত চাইবাৰ পৰিভ্ৰমণৰ অন্তত প্ৰতিনিশা মহানাগৰিক দৃশ্যপটৰ এই মেইনস্ট্ৰীম আবহাৱাৰ মাজেৰে গৈ থকা চিত্ৰভানু মজুমদাৰৰ ঘেৰঘেৰিয়া বাজাজখনে যেতিয়া চাইডষ্ট্ৰীটৰ এটি ঠেক বাইলেনলৈ টাৰ্ণ লয়- তেতিয়া তাৰ ওঁঠ দুখন আৰু বিকৃত ৰূপত দোৱোল খাই উঠে। কাৰণ বিজুলী বাতিৰ উচ্ছল পোহৰ আৰু ঝিনচাক সংগীতৰ টৌবোৰে স্তিমিত ৰূপ লোৱা এই বাইলেনত অন্য এখন জগতৰ উপৰিপাতন ঘটে। থেপাথেপি ঝোঁপড়ীৰ শাৰী, গেলা নৰ্দমাত বিষ্ঠাৰ দুৰ্গন্ধ-ধোঁৱা আৰু ধূলি, ঘেৰঘেৰিয়া ট্ৰাক-স্কুটাৰ-ৰিক্সাৰ ঠেলাঠেলিৰ মাজে মাজে ভাঁহি অহা গালি-গালাজৰ চিম্ফনী, আডনান স্বামীৰ- "মুঝক" ভি লিফ্‌ট কৰা দে"ৰ আকুল আত্ৰাণিৰে ভৰি থকা সেই গলিৰ আন্ধাৰৰ মাজেৰে পাৰ হৈ যাওঁতে এক বুজাব নোৱাৰা অন্ধকাৰ ভাৱনাই তাক অজগৰৰ দৰে আঁটি আঁটি মেৰিয়াই ধৰে। তলৰ অন্ধকাৰ খিনিকো খেদি পঠাব নোৱাৰা বাটৰ কাষৰ সেই অথৰ্ব নিঃসংগ লেম্প প'ষ্টৰ ধূসৰ পোহৰত সি সমুখৰ বাটটোক আৰু আন্ধাৰ ৰূপত প্ৰত্যক্ষ কৰে। এটা আন্ধাৰ ৰাতিৰ এটা ক'লা বাট। এই ক'লা বাটৰ আচ্ছাদনত, এই আন্ধাৰ গলি, তাৰ প্ৰান্ততেই এটি পুৰণি জলাশয়ৰ কবৰৰ ওপৰত সেই উলম্ব বৃহদাকাৰ এপাৰ্টমেন্ট; যেন আকাশ ধীয়াই উঠি যোৱা এক বিশালাকাৰ কেঁচুমতা, সঁচাকৈয়ে দেখিলে কেঁচুমতা যেন লগা এক উদ্ভট একবৰ্ণীৰূপ, তাৰেই ছয় নং মহলাৰ ২২ নং ফ্লেটৰ তলা খুলি ভিতৰ সোমোৱাৰ লগে লগেই চিত্ৰভানুৰ নাকেৰে এটা স্বস্তিৰ নিশ্বাস নিগৰি আহে। তাৰ ভাৱ হয় যেন আন্ধাৰ গলিৰ সেই পাতালনাদত খহি নপৰাকৈ এই মাত্ৰ সি বাচি আহিল। চৈধ্য ফুট বাই চৈধ্য ফুটৰ এটামাত্ৰ কোঠালিৰ এই ঠেক ফ্লেটটি চিত্ৰভানু মজুমদাৰৰ একমাত্ৰ সাফল্যৰ স্মাৰক। জীৱনৰ সমস্ত পুঁজি বেংকত চিকিউৰিটি থৈ ক্ৰয় কৰা এইকণ ৰিয়েল স্পেচতেই সি তাৰ জীৱনৰ একমাত্ৰ প্ৰাপ্তিৰ ফলকখন আঁৰি থৈছে। একোঠলীয়া ফ্লেটৰ একমাত্ৰ খিৰিকীখন খুলি যেতিয়া সি গছৰ ওপৰত বহি থকা বুঢ়া শগুণ এটাৰ দৰে চৌদিশে চকু ফুৰায়, তাৰ মনলৈ

সদায় ভাঁহি আছে গুলাম মহম্মদ শ্বেইখৰ কবিতাৰ এটি শাৰী ‘মানুহ নথকা এই গলিত কেৱল কুকুৰবোৰে ভুকভুকায়।’ না, সি বাস কৰা আধুনিক এই উলম্ব গলিত কুকুৰেও নুভুকভুকায়। না কুকুৰ না মানুহ— এয়া মাথোঁ নৈশব্দৰ বাসভূমি। শাৰী শাৰী বাকচৰ দৰে বৰ্গাকাৰ একোটা বাসক্ষেত্ৰ। সেই বন্ধ বাকচৰ মাজত ঘূৰ্ণীয়মান একো একোটা জীবন-আপাততঃ আত্মমগ্ন-দ্বীপৰ দৰেই জনসমুদ্ৰৰ মাজত বিচ্ছিন্ন। এই আত্মমগ্নতা, এই বিচ্ছিন্নতাই চেতনাত বিন্ধি থাকিলেও এজন আত্মমৰ্ষণকাৰীৰ দৰেই তাক উপভোগ কৰে চিত্ৰভানুৱে। ভাল লাগে। সঁচাকৈয়ে ভাল লাগে। কাৰণ চৌপাশৰ এই ‘ৰিয়েল স্পেচৰ’ বাকচবোৰত সাঁফৰ মাৰি থোৱা এই জীৱবোৰৰ প্ৰতি চিত্ৰভানুৰ কোনো আগ্ৰহ নাই- নাই কোনো জিজ্ঞাসা। আছে মাত্ৰ বিহমেটেকাৰ দৰে সৰ্বত্ৰ বিয়পি পৰা বিতৃষ্ণা। বৰঞ্চ চাইবাৰস্পেচত বিচৰণ কৰি ফুৰা সেই জীৱনবোৰৰ সতেহে তাৰ গভীৰ স্বাচ্ছন্দ্য; নিবিড় নৈকট্য... কাৰণ বাস্তৱভ্ৰমৰ সেই বিশাল চাইবাৰ সাম্ৰাজ্যত তীক্ষ্ণ চকুবোৰৰ অনধিকাৰ প্ৰৱেশ নিষেধ। মন, কেৱল মনে নিয়ন্ত্ৰণ কৰে সেই পৃথিৱীক। সেইখন পৃথিৱীত তীক্ষ্ণ— অন্তৰ্ভেদী চকুবোৰে চিত্ৰভানুক লেহন কৰিব নোৱাৰে। ৫ ফুট ৩ ইঞ্চি উচ্চতাৰে বিজুলী বাঁহৰ দৰে শীৰ্ণকায় তাৰ শৰীৰ, ওঁঠৰ দুৱাৰদলিত বাৰে বাৰে ঠেঁটা মোজা লাগি ৰৈ যোৱা তাৰ সংকুচিত শব্দবোৰ, বৈষয়িক উন্নতিৰ নিগনি দৌৰত আটাইতকৈ পিছপৰি ৰোৱা তাৰ ভৰি দুখনৰ থৰক বৰক খোজবোৰ, পিঠিত কঢ়িয়াই ফুৰা এই বিৰাট অংকৰ শূন্যটোক... সেইখন পৃথিৱীৰ দৃষ্টিয়ে ঢুকি নেপায়। আনকি জেংখৰি আৰু ভগা মাটিৰ কলহেৰে সজা কাউৰীডকোৱা এটাৰ গাত ওলমি থকা সোলোক ঢোলোক এটা হলৌচোলাৰ দৰে তাৰ চৰিত্ৰত অসঁজা এই কাব্যিক নামটো— “শ্ৰী চিত্ৰভানু মজুমদাৰ”— তাৰ অসহ্যকৰ অস্তিত্বও সেইখন পৃথিৱীত নাই। আস্ ৰে’লৱেৰ ষ্টেছন মাষ্টাৰ তাৰ পিতাকৰ ৰাবিন্দ্ৰীক কছৰৎখিনিৰ গিনিপিগ হ’ব লগা হৈছিল সি আৰু তাৰ এপাল বাই ভনী, সত্বাত লিপিট খাই লাগি থকা এই বেখাপ্পা নাম- এই অনাহুত আত্মপৰিচিতিৰ পোচাক দলিয়াই দি সম্পূৰ্ণ ৰূপে নাঙঠ হৈ উঠে সি সেইখন পৃথিৱীত। আৰু ১৪ X ১৪ এই নিশ্চিদ্ৰ ফ্লেট নামৰ বাকচটি, অফিচৰ ৬ X ৬ কেবিনটো আৰু চাইবাৰ কাফেৰ ৪ X ৪ কিউবিকল এটি— এই তিনি বৰ্গক্ষেত্ৰৰ ঠেক পৰিক্ৰমাত ঘূৰ্মুটিয়াই ফুৰা তাৰ প্ৰাত্যহিক জীৱনটোৰ ৰুদ্ধশ্বাস সংকোচনৰ পৰা মুক্তি পাবলৈ, এক আধুনিক গণেশৰ দৰে এটি নিগনিৰ পিঠিত উঠি আৰম্ভ হয় সেই নিৰুদিষ্ট যাত্ৰা।

সেইখন পৃথিৱীলৈ। যাত্ৰা পথত সি ঘোষণা কৰে— মহাশক্তিমন্ত ঈশ্বৰৰ দৰে ময়ো সৰ্বত্ৰ বিদ্যমান এক omnipresent- মুক্ত-স্বাধীন- কৰ্তৃত্বশীল আৰু দুধৰ্ষ চৰিত্ৰ- দহটা মুৰ-বিশখন হাত। সেইখন পৃথিৱীলৈ দুৱাৰ খুলি দিয়া নীলাভ আৰু বাস্তৱ ভ্ৰমৰ সেই পৃথিৱীত চিত্ৰভানু মজুমদাৰ ৰূপান্তৰিত হয়, এক মিথিকেল স্ক্ৰীণখন পৰিণত হয় এখন আৰ্চীলৈ য’ত প্ৰতিবিম্বিত হয় তাৰ দহখন মুখ। কোনোবা ‘পৰমবীৰ’, কোনোবা ব্ৰহ্মযোগী, বীৰ্যবান ষ্টাড, অথবা কোনো 'spiritual পাঙ্ক’। এই দহখন মুখৰ একীভূত সত্বাৰ সৰ্বশেষ পৰিচিতি ৰাৱণ_১০২০। ৰাৱণ_১০২০@ ফেণ্টাছী.কম....

ৰাৱণ_১০২০, ৰাৱণ_১০২০, ৰাৱণ_১০২০— কেতিয়া আহি এই মিথিকেল চৰিত্ৰই তাৰ নিজান অভ্যন্তৰত প্ৰথম টোকৰ মাৰিছিলহি? ৰে’লৱে ক’লনীৰ সেই শাৰী শাৰী ৰঙা ইটাৰ ঘৰৰ কোনোবা এটা নিৰ্জন গধুলি, হঠাতে বাজি উঠা কীৰ্তিবাসী ৰামায়ণৰ কৰুণ বিলাপটোৰ পম খেদি?

নে সুন্দৰীদিয়াৰ সেই ভোৰতাল- খোলেৰে গিজগিজাই থকা ৰাতি, ছোঁ-ঘৰৰ ছায়াঘন আন্ধাৰত জিলিকি উঠা সেই দহখন মুখৰ দুৰ্বোধ্য চাৰনিত? নে দুৰ্গাষ্টমীৰ ছাহজাহান নাটৰ ৰিহাৰ্চেলৰ অন্তত তপত উশাহ আৰু লেলাৰটিৰে বিদ্ধ কৰা সেই নিঃসহায় দুপৰীয়াৰ গেঙনিত? 'আহ চিত্ৰ আহ— ছাহজাদাৰ হুকুম গোলামে শুনিবই লাগে, নহ'লে ঘোৰ শাস্তি- নুশুন? তোক নচঁচা শূলত দিম ৰ- দেখিলি- এয়া নচঁচা শূলৰ শাস্তি... শুকাই কৰ্কটি মৰা ডিঙিত আছাৰ খাই পৰা বোবা চিঞৰটো- শিলৰ দৰে জঠৰ হৈ পৰা হাত দুখন! আঃ দহখন মুখেৰে সমানে চিঞৰিব পৰা হ'লে- বিশখন হাতেৰে এই ক্ৰুৰ মুখখন ঠেকেচি পেলাব পৰা হ'লে! ক্ৰমশঃ সেই মিথিকেল চৰিত্ৰ তাৰ অভ্যন্তৰলৈ সোমাই আহে- আহি নিগাজীকৈ আসন পাতে তাৰ চেতনাৰ নিজান আন্ধাৰত... আৰু কালক্ৰমত সংক্ৰমণৰ বাট বিচাৰে এখন বাস্তৱভ্ৰমৰ পৃথিৱীত- বাস্তৱভ্ৰমৰ দহখন মুখ আৰু বিশখন হাতেৰে; বাস্তৱ ভ্ৰমৰ দহোটা পৰিচিতিৰ বিভ্ৰমেৰে.... 'বিভ্ৰমৰ এই বাটেৰে আৰু কিমান দিন ৰাৱণ?' তাৰ বাজাজখনৰ যক্ষ্মাৰোগীৰ দৰে ঘেৰঘেৰীয়া ভগ্ন কণ্ঠস্বৰটো হেঁচা মাৰি, হঠাৎ পাছফালৰ পৰা ভাঁহি অহা এক অনুচ্ছ ফুচফুচনিত চিত্ৰভানু উচপ খাই উঠিল। এই জ্বলোঁ— এই নুমাওঁ পোহৰটোৰে কঁপি কঁপি ধীৰে ধীৰে গৈ থকা বাজাজখনৰ পাছে পাছে ঢলং পলং কৰি ট্ৰাক এখন আগুবাই আহে। ট্ৰাকখনৰ হেডলাইটৰ পোহৰে চিত্ৰভানুৰ ছাঁটো সৰু কৰি পেলায়। যিমানেই পোহৰটো কাষ চাপি আহে- সিমানেই সৰু হৈ গৈ থাকে ছাঁটো। আৰু সৰু হৈ গৈ থকা ছাঁটোৰ অনুপাতত বাঢ়ি গৈ থাকে ভয়ৰ আকাৰটো। হঠাৎ বাজাজখনে উজুটি খাই কেঁকাই উঠে- আগচকাত লাগি শূন্যত চিটিকি পৰে এডাল এঁকা-বেঁকা পিছল ৰেখা। সাপ, সাপ? ক'লা, দীঘল- হিমচেঁচা, নে বিভ্ৰমৰহে এডাল ৰছী? ফ্লেটৰ ভিতৰ সোমাই খিৰিকীখন খুলি দিয়াৰ পাছতো, তাৰ নাকেৰে স্বস্তিৰ নিশ্বাসটো নিগৰি নাহিল; নিশ্বাসটো যেন ডিঙিত গাঁঠি; এটা হৈ ৰৈ গ'ল। 'ৰাবণ, ৰাৱণ' কোঠাৰ এন্ধাৰ চুক এটাত ফেট তুলি পুনৰ হিচহিচাই উঠে সেই কণ্ঠস্বৰে। কাৰ সেই হিচহিচ মাত? মায়াৰ? মায়া এভ্ৰিহোৱেৰৰ? চাইবাৰস্পেচৰ সেই মাত তাৰ পিছে পিছে পিছে পিছে আহি কেতিয়ানো ৰিয়েল স্পেচলৈ সোমাই আহিল? কেতিয়া?

"মায়া-মায়া-মায়া-আজি কিন্তু আপোনাৰ আচল নামটো মোক জনাবই লাগিব।"

— এইটোৱেই মোৰ প্ৰকৃত নাম ৰাৱণ_১০২০।

— এয়া কেনেকৈ হ'ব পাৰে মিজ?

— কিয়? আপোনাৰটো আচল নহয় নেকি?

— উস, ঠিক আছে- ঠিক আছে- নাম নালাগে— কেৱল কওক আপুনি ক'ৰ?

— এইখন পৃথিৱীৰে— চিন্তা নাই মই কোনো শুক্ৰগ্ৰহৰ প্ৰাণী বা এলিয়েন নহওঁ।

— তাৰ মানে আপুনি everywhere ত বিদ্যমান, নহয় মায়া এভ্ৰিহোৱেৰ?

— আসঃ বাদ দিয়ক এই নাম-ধামৰ কথা- তাতকৈ কামৰ কথা পাতোঁ আহক।

— কাম?

— অ', আপোনাৰ কাম কি? কি কৰি খায়, কি কৰি ভাল পায়?

— আপুনি বাৰু কেনেবাকৈ জাতিংগাৰ নাম শুনিছেনে? ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলৰ এক বিচিত্ৰ পাহাৰ। অনন্য প্ৰাকৃতিক সৌন্দৰ্যৰে ভৰপুৰ। শীতকালি এই জাতিংগাতেই এক বিচিত্ৰ পৰিঘটনা ঘটে- জাক-জাক চৰায়ে ইয়ালৈ আহি আত্মহত্যা কৰে।

— অ' মাই গড, কি আচৰিত; কি ৰহস্যময়...

— মই সেই জাতিংগাৰে। ইয়াতে মই এটা এৰ'স্পৰ্টচৰ ক্লাব খুলিছোঁ— হেং গ্লাইডিং, হট এয়াৰ বেলুনিং, মাইক্ৰ'লাইট ফ্লাইং ইত্যাদি। এডভেন্সাৰ ভাল লাগে— লগতে চৰাইৰ আত্মহত্যা উপভোগ কৰিবলৈ অহা পৰ্যটকক এডভেন্সাৰৰ আনন্দ বিক্ৰীৰ বিনিময়ত দুপইছা আৰ্জন কৰি—

— ৱাও, ফেন্টাচটিক, আপুনি কেতিয়া আৰম্ভ কৰিলে এই ক্লাব?

— হ'ল কিছুদিন। ২০০৫ৰ মাৰ্চত পাঁচ বছৰ পুৰা হ'ব। এই উপলক্ষে কিছুমান বিশেষ মানুহৰ বাবে বিশেষ পেকেজৰ কথা আমি ভাবি আছো। আপুনিও হ'ব পাৰে তেনে এজন বিশেষ মানুহ। কওক চোন মাতিলে সঁচাকৈ আহিবনে?

— মই? সময়ত দেখা যাব। বাৰু আগতে কওকচোন স্পেচিয়েল পেকেজত কি কি থাকিব?

— ধৰক, আপুনি হেং গ্লাইডিং কৰিব, বতাহত ওপঙি ওপৰৰ পৰা আপুনি দেখিব বৰাইল পাহাৰৰ শ্ৰেণী- হেজাৰ হেজাৰ মাইল জুৰি বনৰীয়া ফুলৰ বহুবৰ্ণী দলিছা- হঠাৎ তললৈ হৰহৰাই নামি অহা বৰষুণগধুৰ মেঘৰ শাৰী আৰু ৰাতি জাতিংগাৰ গহন অৰণ্যৰ মাজত কোনো গছত মাচান সাজি ৰাত্ৰি যাপন কৰিব। জোনৰ ঈষৎ পোহৰত আপুনি দেখিব তিৰবিৰাই উঠা জাতিংগাৰ দুটি ভিন্ন বিচিত্ৰ ৰূপ।

— বাঃ, কি সাৱলীল ভাবে আপুনি বৰ্ণনা দি যাব পাৰে- আনকি মিছা কথা এটাকো ইমান ধুনীয়াকৈ সজাই—পৰাই convincingly কয়—

— মিছা কথা? What do you mean?

— কিয়, এই গোটেই সময়খিনি আপুনি খোঁকোজা নলগাকৈ গোকাট মিছা কথাবোৰ জানো কৈ যোৱা নাই?

— মানে- মানে? স্পষ্টকৈ কওক কি ক'ব খুজিছে?

— কিয়, মই কি কৈছো আপুনি সঁচাকৈয়ে বুজি পোৱা নাই মিঃ ৰাৱণ_১০২০? আপুনি ফাঁকি দি আছে- জাতিংগাত কোনো এৰ'স্পৰ্টচৰ ক্লাব নাই। মাত্ৰ কিছুদিন আগেয়ে মই তাৰ পৰা ঘূৰি আহিছোঁ।

— আপুনি কোন? ক'ৰ? ভাৰতৰ নে অসমৰ? কিয় আপুনি ইমানদিনে সঁচা কথা নকৈ ছলনা কৰি আছে?

— অ' মা- ছলনা মই কৰিছোঁ নে আপুনি? ফাঁকি কোনে দি আহিছে— কোনে নিজৰ প্ৰকৃত পৰিচয় লুকুৱাই অন্য এক চৰিত্ৰৰ ভাও দিছে?

— অ' দিছোঁ—মই ফাঁকি দিছোঁ—কিন্তু অকল ময়েনে? আপুনিওতো আত্মগোপন কৰিছে। সেয়া মিথ্যা আচৰণ আৰু ছলনা নহয়? 'মায়া everywhere' এইটো কি ধৰণৰ আই ডি? এৰা-আপুনি একদম ঠিক ই-পৰিচয়ৰ আই ডি নিৰ্বাচন কৰিছে। মায়া, মানে- বিভ্ৰম- illusion, যি সত্যক আভৰণ দি ঢাকি ৰাখে। সেয়াই নহয় জানো?

— বাপৰে, ধৰা পৰি কি সাংঘাতিকভাৱে com- bative হৈ পৰিল আপুনি। হাঃ হাঃ আৰু গোটেই কাৰবাৰটোক একদম philosophical টুইষ্ট দি পেলালে। ঠিক আছে তেনেহ'লে ময়ো কওঁ- আপোনাৰ নিজৰ এই অদ্ভুত ই-পৰিচয়ৰ avatar ৰে আপুনি কি ইংগিত বহন কৰিছে? এজন ভিলেইন, এন্টিহিৰ'ৰ আই ডিৰে? যি কেৱল সত্যৰ বিপৰীতে থিয় হৈছিল—

— Look Maya, Ravan has been wronged by history। ৰাৱণ কোনো ভিলেইন বা এন্টিহিৰ নহয়- মাত্ৰ মেইনস্ট্ৰীমৰ হিৰ'ৰ ধ্যান-ধাৰণাত খাপ নোখোৱা এক প্ৰান্ত চৰিত্ৰ। ৰাৱণতকৈ interest-

ing চৰিত্ৰ আৰু কোন আছে? কিমান shade! কিমান humane! দহটা মুৰ, বিশখন হাতৰ অভীপ্সা কাৰ অৱচেতনত নাই? নিজ সত্তাৰ পৰিসীমা অতিক্ৰমি সম্ভাৱনাৰ দহটা মূৰ আৰু কুৰিখন হাতেৰে দুৰ্বাৰ হোৱাৰ গোপন বাসনা কোনে নকৰে? ভূপেন খক্কৰৰ ছবিখন দেখিছে? প্ৰেমিকক অজস্ৰ হাতেৰে আঁকোৱালি ধৰা এক পুৰুষ সত্বাৰ ছবি 'how many hands do I need to love you?' আৰু সেই প্ৰাচীন জাপানী প্ৰিন্ট-সহস্ৰ হাতৰ এক অক্টোপাছৰ সতে সংগমৰতা নাৰিক পত্নীৰ সপোন? ৰাৱণেই পৃথিৱীৰ most authentic character। বুজিছে? দৰাচলতে অৱচেতনৰ গোপন আন্ধাৰত সকলো মানুহৰেই ই-আই ডি হৈছে ৰাৱণ ১০২০... we are all multiple! আমাৰ মাজত এজন নহয় দহজন। আৰু আপুনি সত্যৰ কথা ক'বলৈ আহে— সত্যক সাৰ্বিক ৰূপত দেখিছে কোনে? স্যাড অস্তি, স্যাড নাস্তি, স্যাড অব্যক্তম— it is, it is not, it is and is not and is indescribable...

— চুপ, একদম চুপ! বন্ধ কৰক নিজকে ডিফেণ্ড দিয়াৰ এইচব ফাণ্ডা। মিছলীয়া ! কাপুৰুষ ! আপুনি ৰাৱণৰ কথা ক'বলৈ আহে, চাওক ৰাৱণক লৈ মোৰ কোনো problem নাই। প্ৰব্লেম কেৱল ৰাৱণৰ অন্তহীন অভীপ্সা আৰু নিয়ন্ত্ৰণহীন তাড়নাক লৈহে। কিন্তু আপুনিতো প্ৰকৃততে ৰাৱণ নহয়। ৰাৱণৰ মুখাহে পৰিধান কৰি লৈছে সাময়িকভাৱে, পৰিধান কৰি লৈছে অপূৰ্ণ বাসনা আৰু ছদ্মবেশৰ একো একোখন মুখ। বাস্তৱভ্ৰমৰ দহটা মূৰ, বিশখন হাতৰ এই মুখা পিন্ধি চৌপাশৰ প্ৰকৃত বাস্তৱৰ পৰা কিয় আপুনি এই ভাৰ্চুৱেল ৰিয়েলিটিৰ পৃথিৱীখনলৈ বাৰে বাৰে ঢপলিয়াই আহে তাক জানো আপুনি নিজে নাজানে?

চাইবাৰস্পেচৰ পৰা চেতনাৰ ৰিয়েল স্পেচলৈ নামি অহা সেই কণ্ঠস্বৰৰ নিপীড়নত পিষ্ট হৈ, বিছনাত এডাল মৰা গছৰ দৰে জঠৰ হৈ পৰি থকা চিত্ৰভানুৰ চৌপাশৰ নৈঃশব্দখিনিক ঘচক-ঘচক কৈ লাহে লাহে ঘূৰি থকা চিলিঙফেন খনৰ হাতোৰা তিনিখনে টুকুৰা-টুকুৰকৈ কাটিবলৈ ধৰিছে। আৰু মায়াৰ মাতটোৱে যেন এটা এটাকৈ তাৰ ভাৰ্চুৱেল মুৰবোৰ...। ক্ৰমশঃ সুলকি পৰিছে তাৰ হাতবোৰ-এটা এটাকৈ তাৰ মুখাবোৰ...। ঘচক-ঘচককৈ বাঢ়ি অহা সেই ৰেপনিৰ ভয়ংকৰ শব্দক প্ৰতিহত কৰিবলৈ চিত্ৰভানুৱে এখন ঢালৰ দৰে আত্মবিলোপনৰ পথটোকে বাছি ল'লে। খপজপকৈ খেপিয়াই বুটলি অনা ৰিমটটোৱে আন এখন নীলাভস্ক্ৰীণৰ দুৱাৰ খুলি সি পলাতকৰ দৰে যাত্ৰা কৰিলে অন্য এক প্ৰান্তলৈ। এ এক্স এনৰ ৱাইল্ড জ'নলৈ— পৃথিৱীৰ সবাতোকৈ বন্য সেই চাৰ্বাকীয় মেলালৈ। লাহে লাহে তাৰ মনত ভাহি উঠিল ডেয়াৰডেভিলৰ সেই উদ্ভিন্ন যৌৱনা স্নেপশ্বট। সি তাইলৈ হাতদুখন মেলি দিলে... আৰু এঢাপ এঢাপকৈ আত্মনিবৃত্তিৰ পাহাৰ বগাই বিস্মৃতি আৰু উত্তেজনাৰ চূড়াত উপনীত হওঁতেই- হঠাৎ এটা প্ৰচণ্ড জোকাৰণি-ক্ৰুৰ খিলখিল হাঁহিৰে মায়াৰ বিদ্ৰূপ ভৰা হাঁহি, আৰু তাৰ পলাতক সত্বাক পাছফালৰ পৰা থাপ মাৰি ধৰি চেতনাত কুণ্ডলী পকাই বহি লোৱা সাপৰ হিচহিচনিৰ দৰে নিৰ্দয় সেই কণ্ঠস্বৰঃ 'হাঃ হাঃ হাঃ। দেখিলে, অৱশেষত বিপদৰ পৰা আপোনাক উদ্ধাৰ কৰিবলৈ আগবাঢ়ি আহিলে আপোনাৰ ৰিয়েল হাতখনহে-ইয়েছ, আপোনাৰ হাত- আপোনাৰ ৰিয়েল হাত- হাঃ হাঃ হাঃ...'

(গল্পটোৰ প্ৰাসংগিকতালৈ লক্ষ্য কৰি পুনৰ প্ৰকাশ কৰা হ'ল।)

দূৰভাষ ঃ ০৯৬৫০৯ ৬৮৩৬৮
ই-মেইল ঃ moushumi.kandali@gmail.com

গল্প

# মহন্তৰ সন্তাপ— গোসাঁইৰ উত্তাপ

✍ গংগাপদ চৌধুৰী

আজি মহন্ত প্ৰভুৰ গা উখল মাখল, মনো উথপথপ, বেছ মনত আনন্দৰ লহৰ, ফুটিছে হৃদয়ত উছাহৰ জোৱাৰ। নুফুটিবই বা কিয় ? নহ'বই বা কিয় ? এনেহেন এখন ডাঙৰ সভা, লেখিব নোৱাৰা মানুহৰ লানি নিছিগা সোঁত। আগতে এই মুলুকত নোহোৱা নোপোজা কথা, নঘটা এটা ঘটনা। এক কথাত ডেধাৰ মানুহ, অপাৰ উপস্থিতি— নাই হাই-উৰুমি, নাই কোনো বিসংগতি। নিয়াৰিকৈ সমাপন— সেইখন অধিবেশন, সকলো কাৰ্য্যসূচীৰ ঘটিছিল সফল আৰম্ভণি আৰু সমানে সফল সামৰণি। শোভন মণ্ডপ, মন জিনা ভাষণ, সুষম আহাৰ, অনুকূল বতৰ, তাতোকৈ অধিক কিহৰ দৰকাৰনো এনে হেন সভাৰ এনেহেন পৰিবেশ ৰচনাৰ কৃতিত্ব কাৰ ? প্ৰভুৰ সন্মুখতে প্ৰিয় শিষ্য মোহিনী মোহন গোস্বামীৰ সেয়া প্ৰশ্নবান। গোস্বামীয়ে প্ৰশ্নবান এৰি দিয়াৰ লগে লগে সাউতকৈ প্ৰভুৰ অন্যতম শিষ্য বিলাস তীৰ্থই ক'লে— 'অন্য কাৰ হ'ব ? আমাৰ প্ৰভুৰ। মুখৰ আগত কোৱা যেন হ'লেও ক'বই লাগিব—আমাৰ প্ৰভুৰে। প্ৰভু হ'ল সমিতিৰ সভাপতি আৰু অধিৱেশনখনৰো পদেন সভাপতি। চাৰ নহ'লে এনেকুৱা এখন সভা কৰাৰ কাৰ বাপেকৰ সাধ্য ?' সেই কথা শুনি বিলাস তীৰ্থৰ সতীৰ্থই তপৰাই মাত দিলে— 'তেনে এখন সভাত সভাপতিত্ব কৰিব পৰা ব্যক্তি প্ৰভুৰ বাহিৰে অইন এজন আমাৰ ইয়াত কোনোবা বেটাই উলিয়াই দিব পাৰিবনে ?'

নিজৰ মুখৰ আগত এনে প্ৰশংসাসূচক কথাবোৰ শুনি ভাল পালেও সেই ভাব দেখুৱাব নুখুজি, আলোচনাৰ সুৰ অলপ সলনি কৰাৰ প্ৰয়োজন বোধ কৰিলে প্ৰভুৱে। গতিকে মহন্ত প্ৰভুৱে সিহঁতক অলপ আমোদ আৰু নতুন চিন্তাৰ খোৰাক দিয়াৰ প্ৰয়াসেৰে অধিৱেশনখনৰ মুখ্য অতিথিৰ ভাষণ প্ৰসংগটো উলিয়ালে। মহন্ত প্ৰভুৰ স্মৃতি শক্তি বৰ তীখৰ, আজিও অম্লান। তদুপৰি দুই এক ব্যক্তিৰ ভাষণৰ কথা আৰু কথনভংগী দুয়োটা অনুকৰণ কৰি পৰিৱেশন কৰাৰ দক্ষতা আজি চাৰি কুৰি দহ বছৰ বয়সতো প্ৰভুৰ প্ৰায় অক্ষত আছে। তেখেতৰ সন্মুখত তেখেতৰ প্ৰিয় শিষ্য পাঁচ-ছয় গৰাকী উপস্থিত আছে। তেওঁলোকক অলপ আমোদ দিয়াও হ'ব আৰু মুখ্য অতিথিৰ ভাষণ শুনাই তেওঁলোকক সভাখনৰ কথা সোঁৱৰাই দিয়াও হ'ব। তাকে ভাবি তেখেতে মুখ্য অতিথিৰ কথা আৰু কথনভংগী অনুকৰণ কৰি কৈ গ'ল— 'চাৰি কুৰি গৰকা মোৰ জীৱনটোত কিমান যে সভা-সমিতি কৰিলোঁ, কিমান যে সভাত ভাষণ দিলোঁ, কিন্তু এনেকুৱা এখন সভাত অংশগ্ৰহণ কৰাৰ সুবিধা হোৱা নাছিল। এনেকুৱা সভা এখন দেখাৰ সৌভাগ্য হোৱা নাছিল। এনেকি এনে এখন সভাৰ কথা শুনাতো নাছিলোৱে, হ'ব পাৰে বুলি ভাবিবও পৰা নাছিলোঁ। শাখা সাহিত্য সভা এখনৰ অধিবেশন, তাতো এখন মফচল চহৰত, ইমান মানুহৰ সমাগম এক কল্পনা কৰিব নোৱাৰা কথা। সবাতকৈ আশ্চৰ্য্যজনক কথা হ'ল, হয়তো বিশ্বৰ ইতিহাসতে নোহোৱা এটা ঘটনা। আজি একেলগে, একে সময়তে, এইখন সভাত,

একেটা ভাষাৰ চাৰি কুৰি বাৰখন গ্ৰন্থ উন্মোচিত হ'ল। আমাক সকলোৱে গৌৰৱান্বিত কৰিলে। এই কথাটোৱে এই আঞ্চলিক শাখা সাহিত্য সভাখনৰেই নহয়, সামগ্ৰিকভাৱে এই অঞ্চলৰ ৰাইজৰো ভাষা-প্ৰেম, জাতি-প্ৰেমক উন্মোচিত কৰিলে। এগৰাকী সাহিত্য-প্ৰেমী হিচাপে, বা ভাষা জননীৰ আজীৱন সেৱক হিচাপে, এই নিঃকিনে পাটৰকুছিৰ আঞ্চলিক ৰাইজক তাৰবাবে হিয়াভৰা ওলগ জনাইছোঁ, ধন্যবাদ জ্ঞাপন কৰিছোঁ। গৰ্বৰে সৈতে এই কথা ক'বলৈ বিচাৰিছো, যি জাতিৰ এখন শাখা সাহিত্য সভাত এনেদৰে একেলগে চাৰি কুৰি বাৰখন গ্ৰন্থ উন্মোচিত হ'ব পাৰে, সেই জাতিৰ, সেই ভাষাৰ উন্নতি কোনোৱে ৰুধিব নোৱাৰে। সেই ভাষা সাহিত্যৰ অনন্ত প্ৰৱাহ অনন্ত দিনৰ বাবে প্ৰবাহিত হৈ থাকিবই।'

মহন্ত প্ৰভুৰ ভাষণ অৰ্ধেক শুনাৰ পিছত মোহিনী মোহনে ৰ'ব নোৱাৰি কৈ উঠিল— 'প্ৰভুৰ যে ব্ৰেইন মুখ্য বক্তাৰ ভাষণৰ ৰেকৰ্ডখন বজোৱা যেন লাগিছে।' তেতিয়া বিলাস তীৰ্থই যোগ দিলে, প্ৰভুৱে যে ভাষণটোৰ সেইখিনি সময়ত থিয় হৈ হাত তালি দিছিল যাৰ বাবে প্ৰায় পাঁচ মিনিট মান সময় সভাস্থলী একেবাৰে ৰজনজনাই আছিল, তিনি মাইল দূৰলৈকে শুনা গৈছিল তাৰ গুঞ্জন! এনেকি সেই সময়ত মুখ্য অতিথিগৰাকীয়েও ভাষণ বন্ধ কৰি দিবলগীয়া হৈছিল। সেই কথা উল্লেখ কৰাত, প্ৰভুৰ মুখত মৃদু হাঁহি এটা বাগৰি গ'ল। বেদান্ত কাশ্যপে মহন্ত প্ৰভুক আজি হ'বলগীয়া কাৰ্য্যকৰী কমিটিৰ সভাত অধিৱেশনখনৰ কথাই আলোচনা হ'ব নেকি সুধিলে। তেতিয়া মহন্ত প্ৰভুৱে প্ৰিয় শিষ্যজনাক শুধৰাই দিলে যে আজিৰ সভাখন কেৱল কাৰ্য্যকৰী কমিটিৰ সভাই নহয়, প্ৰস্তুতি সমিতি, অভ্যৰ্থনা সমিতি, উপ সমিতিবোৰকে ধৰি আটাইবিলাক সমিতিৰে যৌথ সভা। অৱশ্যে সম্পাদকে কেৱল কাৰ্য্যকৰী সমিতিকহে মাতিব খুজিছিল, কিন্তু প্ৰভুৱে আটাইবোৰ সমিতিকে মাতিবলৈ জোৰকৈ কোৱাত সম্পাদকে মাতিবলৈ বাধ্য হ'ল— সেই কথা অৱগত কৰিবলৈও প্ৰভুৱে নাপাহৰিলে। অলপ গহীন মাত এটা উলিয়াই প্ৰভুৱে আৰম্ভ কৰিলে—'যিহেতু অধিৱেশনখন সুচাৰুৰূপে সম্পন্ন হৈ যোৱাৰ প্ৰায় এমাহেই হ'ল আৰু আমি থুলমূলকৈ হিচাপ এটাও দিব পৰা অৱস্থাত আছো গতিকে বিলম্ব কৰাৰ প্ৰয়োজন নাই। সেইকাৰণে অধিৱেশনৰ পৰ্যালোচনা কৰাৰ লগতে হিচাপো দাখিল কৰাৰ কথা সম্পাদকক ক'লো। সম্পাদকে আপত্তি কৰিছিল— বিজনী, বঙাইগাঁও, গোৱালপাৰা আদিৰপৰা দান-বৰঙণি তোলা কিছু বহি আহি পোৱা নাই বুলি। মই সম্পাদকক সেই সুবিধা নিদিলো। বৰং তেতিয়া মই অলপ টানকৈয়ে ক'লো 'সভাপতিৰ নিৰ্দেশ বুলিয়ে ধৰি ল'বা। থুলমূলকৈ হ'লেও জমা-খৰচৰ হিচাপ এটা দিব লাগিব।' তেতিয়া প্ৰভুৰ শিষ্য তিনি চাৰিগৰাকী মানে আচৰিত হৈ একেলগে চিঞৰি উঠিল—'আজি হিচাপ দিব নেকি? বেদান্তই কৈ উঠিল, 'ইমান সোনকালে হিচাপ দিব পাৰিবনে!' তেতিয়া প্ৰভুৱে গহীনাই ক'লে— 'নোৱাৰাৰ কাৰণ কি আছে? আমি প্ৰত্যেককে আমাৰ বেংকৰ একাউণ্ট নম্বৰ দিছো। সকলোৱে ই-বেংকিঙৰ জৰিয়তে আমাৰ একাউণ্টত পইচা সুমুৱাই দিছে। আমিও পৰাপক্ষত দিবলগীয়াখিনি ই-বেংকিঙৰ জৰিয়তে দিছোঁ। গতিকে অসুবিধা ক'ত? আধুনিক সুবিধাবোৰ আহিছে। আমি ল'ব লাগে। এতিয়া মুখৰ থুই হাতৰ আঙুলিত ঘহি নোট গণি থকাৰ সময় নাই নহয়। সম্পাদকে আপত্তি দৰ্শাইছিল, মই নামানিলোঁ, বাধ্য হ'ল।' কথাৰ সুৰ সলনি কৰি আকৌ ক'লে— সেই কাৰণে এইবাৰ আমি অলপ ধন ৰাহি কৰিব পাৰিছো।' 'ধন ৰাহি হৈছে নেকি?'—মোহিনী মোহনে আচৰিত হোৱা দি প্ৰশ্ন কৰিলে। তেওঁলোকৰ ধাৰণা এনেকুৱা ৰাজহুৱা কামত ধন ৰাহি নহয় আৰু হ'লেও সামান্য পৰিমাণৰ হয়। গতিকে কিমানমান

টকা ৰাহি হ'ব বুলি এটা প্ৰশ্ন কৰিলে। তেতিয়া মহন্ত প্ৰভুৱে আৰু অধিক গহীন মাতেৰে ক'লে 'আচলতে ডাঙৰ পাঁচটা সংখ্যাৰ অংক এটা হ'বই। মই ছয়টা সংখ্যাৰ অংক এটা আশা কৰিছিলো।' মহন্তই আচল সংখ্যাটো কিমান হ'ব পাৰে, সেইকথা নিজেও নাজানে। আচলতে সম্পাদকৰ কথাৰপৰা এটা 'আন্দাজ' কৰিহে ক'লে। মানে অনুমানৰ কথা, তাকে মাথো শিষ্যসকলৰ আগত নিজৰ গুৰুত্ব বঢ়াবলৈহে সেই কথা উনুকিয়াইছে। সদায় প্ৰভুৰ প্ৰশস্তি গোৱা দিগন্তই প্ৰভুৰ কথাৰ আঁত ধৰি কৈ উঠিল— 'ধন ৰাহি কৰিবলৈ প্ৰভুৱে কম মাথা মৰা নাছিল, নহয়। আমি দেখি আছিলোঁ নহয়— চাৰে খৰচৰ লেকাম ডাল টানি ধৰি থকা কাৰণে দৰকাৰী খৰচখিনিহে মাত্ৰ কৰিব পাৰিছিল— ফলত ধন ৰাহি হৈছে। মানে আমাৰ প্ৰভুৰ কাৰণেহে সেইটো সম্ভৱ হৈছে।' প্ৰভুৱে দিগন্তৰ কথাত সন্তোষিত হ'ল। তথাপিও নিজৰ আৰু অলপ গুৰুত্ব বঢ়াবৰ কাৰণে ক'লে— 'আচলতে আমাৰ 'বাজেট' যিখন আছিল— তাৰ হিচাপত ধন সংগ্ৰহ নহ'ল। গতিকে খৰচৰ দিশত মই নজৰ অধিক দিবলগীয়া হ'ল। কোষাধ্যক্ষ আৰু সম্পাদকৰ লগত প্ৰতি মুহূৰ্ত মই লাগি থাকিলোঁ। ফলত অদৰ্কাৰী কামত খৰচ নহ'ল। হৰলুকি হোৱাৰো কোনো সম্ভাৱনা নাথাকিল। মই 'ডেফিচিট' নোহোৱা কৰিবলৈ দৃঢ় সংকল্প লৈছিলোঁ। যিয়ে হওক, মোৰ উদ্দেশ্য সফল হ'ল। 'ডেফিচিট'তো নহ'লেই ই বৰং 'চাৰপ্লাচ'হে হ'ল। আফ্‌টাৰ অল...।'

মহন্ত প্ৰভুৱে নিজৰ কথাৰ মাজত দুই এটা ইংৰাজী শব্দ বা ইংৰাজী বাক্য ব্যৱহাৰ নকৰাকৈ থাকিব নোৱাৰে। সেইটো তেখেতৰ পুৰাতন অভ্যাস। এইদৰে মহন্ত প্ৰভুৱে তেখেতৰ শিষ্যসকলক লৈ পোন্ধৰ মিনিটৰ বাট এঘণ্টা সময় হাতত লৈ সভাগৃহলৈ ওলাল। প্ৰবীণ নায়কে ঘৰৰপৰা ওলাওঁতে প্ৰভুক সুধিলে— প্ৰভু, আপুনি যে কৈছিল সমিতি, উপসমিতি সবৰে সদস্যসকলক মাতিবলৈ কৈছে— তাৰমানে আজিৰ সভাখন ৰাজহুৱা সভাৰ লেখীয়াই হ'ব?' বিলাসে প্ৰভুৰ উত্তৰলৈ বাট নাচাই নিজেই মন্তব্য দিলে— 'অঁতো। ৰাজহুৱা সভাৰ দৰেই হ'ব— প্ৰায় এক-ডেৰশ মানুহ হ'ব। আজি প্ৰভুৰ ভাষণ কিন্তু শুনিবলগীয়া হ'ব দেই।' মোহিনীয়ে তপৰাই মাতিলে— 'ঠিকেই কৈছ। উপস্থিতি অধিক হ'লে প্ৰভুৰ ভাষণো পাগত উঠে। নায়কে তেতিয়া কৈ উঠিল— 'উপস্থিতি সৰহ হ'লে আৰু সৰহ সংখ্যকৰ শুনাৰ আগ্ৰহ প্ৰত্যক্ষ কৰিলে স্বাভাৱিকতে ভাল বক্তাৰ ভাষণো গাজত উঠে।' নায়কে কথাষাৰ কৈ উঠি মহন্ত প্ৰভুক ক'লে — 'প্ৰভু, যোৱা বছৰ গৰৈমাৰীৰ বিহু সন্মিলনীৰ সভালৈ আপোনাক যে সভাপতি কৰি মাতিছিল, আমি কেইজনেও যে আপোনাৰ লগত চাইকেল মাৰি গৈছিলো আৰু গৈ দেখিলো সভাস্থলীত মাইকটো বজাই আছে দুজন কৰ্মকৰ্তাই— হিন্দী ফিল্মৰ গীত আৰু তাত বহি, উমলি আছে এপাল সৰু ল'ৰা-ছোৱালী! এঘণ্টা ৰোৱাৰ পাছত, মিটিং আৰম্ভ হ'ল। দৰ্শকৰ প্ৰথম শাৰীত লেখত ধৰিব পৰা ব্যক্তি আমি ছয়জনহে।' তেতিয়া বিলাস তীৰ্থই কৈ উঠিল— 'সেই দিনাখন প্ৰভুৰ খং দেখিছোঁ। প্ৰভুৱে যেতিয়া সভাপতিৰ ভাষণ দিছিল— সম্পাদকজনে তেতিয়া সৰুপানী চুবলগীয়া অৱস্থা হৈছিল।' প্ৰভুৱে বিলাসক আৰু ক'বলৈ নিদি নিজেই কৈ উঠিল— 'ঠিকেই কৈছা, সেইদিনাখন মোৰ অলপ খং উঠিছিল। ইমান দূৰৰপৰা মাতি নিছে— মই যদি গৈ ভাল কথা দুষাৰ ক'লোৱেই, শুনোতা যদি নাথাকে কাৰ কি লাভ হ'ব?' — মহন্তই নিম্ন স্বৰত কথাষাৰ ক'লে। এনেদৰে নানান কথা-বতৰা, আলোচনা-বিলোচনাৰ মাজেৰে আহি সভাগৃহত উপস্থিত হ'ল।

সভাগৃহত প্ৰৱেশ কৰিয়েই মেজখনত হৈ যোৱা সভাখনৰ 'পেপাৰ কাটিং'ৰ ফাইলটো দেখা পাই মহন্ত প্ৰভুৱে ফাইলটো হাতত লৈ কোনখন কাকতে কি

লেখিছে, কোনখন কাকতত নিজৰ ছবিখন ভালকৈ ওলাইছে সেইবোৰ আকৌ এবাৰ চাই ল'লে। প্ৰায়বোৰ বাতৰি কাকততে তেখেতৰ নামটো ওলাইছে। সাহিত্য সভাৰ অফিচৰ পিয়ন সদানন্দক দেখা পাই খোৱা পানী এগিলাছ দিবলৈ ক'লে। 'পেপাৰ কাটিং' খিনি চাই থকা দেখি এজন অনুৰাগীয়ে মহন্তক সুধিলে— প্ৰভু, সেইদিনাখন প্ৰকাশনৰ উপসমিতিৰ সভাত কিবা এটা প্ৰসংগত বৰুৱা চাৰে কৈছিল প্ৰয়াত পি.ডি. গোস্বামী চাৰে হেনো পঞ্চাশৰ দশকত আমাৰ অঞ্চলৰ বা-বাতৰি প্ৰকাশ পালে সেই বাতৰিবোৰ ধুনীয়াকৈ কেচিৰে কাটি এখন বগা কাগজৰ ওপৰৰ অংশটোত বাতৰি কাকতখনৰ নাম তাৰিখ আৰু তাৰ তলতে বাতৰিটোৰ অংশখিনি আঠা লগাই 'ন'টিছ ব'ৰ্ড'ত লগাই থৈছিল। 'হয়নে প্ৰভু' বুলি সোধাত প্ৰভুৱে 'হয়' বুলি ক'লে কিন্তু সেইটো কথা যে বিশেষ গুৰুত্বপূৰ্ণ কথা নহয় বৰ্তমানৰ 'ফাইলিং' কৰা ব্যৱস্থাটোৰ তুলনাত, সেই কথা পতিয়ন নিয়াবলৈ ক'লে 'আজিকালি তিনিটাকৈ কপি উলিয়াই, তিনিটা ফাইলত সুকীয়াকৈ ফাইল কৰি থৈ, তাৰে এটা অ'ফিচত, এটা সম্পাদকৰ ঘৰত আৰু আনটো ৰাইজৰ কাৰণে মুকলিকৈ অফিচত ৰাখি থোৱা হয়। এইবাৰ সেইবোৰ আকৌ 'ডিজিটেলাইজ' কৰি ৰাখিবলৈ কম্পিউটাৰ এটা কিনাৰো চিন্তা-চৰ্চা কৰিছোঁ। এইবোৰ নতুন চিন্তা আমি কৰিছোঁ। এতিয়া আঠা লগোৱাৰ দিন আৰু নাই। সংৰক্ষণ কৰাটো কিমান দৰকাৰী আমাৰ মানুহে এতিয়াও ভালদৰে বুজি উঠাই নাই। আমাৰ সম্পাদকে কিন্তু এতিয়া বুজি উঠিছে। এই ক্ষেত্ৰত তেখেত আগবঢ়াও। আগতে কিবা এটা লিখিবলৈ হ'লে শ্ৰুতলিপি দিবলগীয়া হৈছিল। এতিয়া নিজেই লিখিব পৰা হৈছে।' তেতিয়া এজনে ক'লে ৰাজবংশী চাৰ হেনো ছাত্ৰ হিচাপে বৰ চোকা আছিল। মহন্তই তেতিয়া গহীনাই ক'লে— 'চোকা আছিল কাৰণেইতো সোনকালে শিকি বুজি ল'ব পাৰিছে।' মহন্তই প্ৰসংগ সলনি কৰিবৰ বাবে সম্পাদক আহিছে নেকি চাবলৈ এজনক বাহিৰলৈ পঠিয়াই দিলে আৰু নিজে খৰচি মাৰি পেপাৰ কাটিং খিনিত আকৌ এবাৰ চকু ফুৰালে। নিজৰ ছবি আৰু নিজৰ নামটো ক'ত কেনেকৈ প্ৰকাশ পাইছে তাকে চাই আত্মসন্তুষ্টি লাভ কৰিবলৈ চেষ্টা কৰিলে।

এনেতে তেখেতৰ অনুৰাগী ভক্তজনাই বাহিৰৰ পৰা চিঞৰি ক'লে যে সম্পাদক আৰু তেখেতৰ লগত কেবাজনো আহি আছে। সম্পাদকে সভাগৃহত প্ৰৱেশ কৰাৰ পাছতে এজন এজনকৈ ভালেমান সদস্য আহি সভাগৃহত প্ৰৱেশ কৰিলে। সম্পাদক ৰাজবংশীয়ে সভাঘৰত প্ৰৱেশ কৰিয়েই লাহেকৈ মূৰটো ধীৰে ধীৰে ওপৰফাললৈ নি হাত দুখন লগ লগাই নমস্কাৰ জনাই ঈষৎ হাঁহিৰে 'প্ৰভু আহিছে?' বুলি কৈ উত্তৰলৈ অপেক্ষা নকৰি আনফালে গ'ল। মহন্তই সম্পাদকক উদ্দেশ্য কৰি ক'লে— 'আই এম অলৰেইজ এহেড অফ্ টাইম।' ৰাজবংশীয়ে শুনিলে নে নাই বুজা নগ'ল।

ইপিনে জগন্নাথ গোস্বামী নামৰ জনৈক মহন্ত প্ৰভুৰ শুভাকাংক্ষীৰ তালৈ আগমন ঘটিল। সাহিত্য সভাৰ আভিবৰ্তনখনক লৈ তেখেতে মহন্ত প্ৰভুৰ প্ৰশংসাত গদগদ হৈ পৰা দেখুৱালে। তাৰপিছত লাহেকৈ মুখখন প্ৰভুৰ কাণৰ কাষলৈ নি ফুচফুচাই কিবা এটা ক'লে। কথাষাৰ প্ৰভুৰ কৰ্ণগোচৰ হোৱাৰ লগে লগে তড়িৎ গতিৰে শ্ৰৱণেন্দ্ৰিয়ই সেই বাৰ্তা তেখেতৰ মগজুলৈ প্ৰেৰণ কৰিলে। শ্ৰীগোস্বামীয়েও কথাষাৰ কোৱাৰ পাছত এক মুহূৰ্ত বিলম্ব নকৰি সভাঘৰৰ পিছফালে দৰ্জাৰ কাষৰ এখন আসনত অৱস্থান গ্ৰহণ কৰি লাহেকৈ মূৰটো দাঙি প্ৰভুৰ মুখমণ্ডললৈ দৃষ্টি নিক্ষেপ কৰিলে। দেখিলে আশা কৰা ধৰণে মহন্ত প্ৰভুৰ মুখৰ বৰণ সলনি হৈছে। কিবা এটা প্ৰতিক্ৰিয়া দেখাৰ আশাত শ্ৰীগোস্বামী ডাঙৰীয়াই অধীৰ অপেক্ষাত ৰ'ল।

ইতিমধ্যে সভাগৃহ সদস্যৰ উপস্থিতিৰে

গিজগিজাই উঠিল। কেইগৰাকীমান বিষয়ববীয়াৰ লগত থিয় হৈ সম্পাদকে কিছু বাৰ্তালাপ চলাই থাকোঁতেই অফিচৰ পুৰণি ৱাল ক্লকটোৱে টং টং কৈ চাৰিটা কোব মাৰিলে। সম্পাদক ৰাজবংশী সচকিত হৈ উঠিল— চিধাই মহন্ত প্ৰভুৰ ওচৰলৈ আহি 'সময় হ'ল, সভা আৰম্ভ কৰো' বুলি জানিবলৈ দি নিজে প'ডিয়ামৰ ওচৰ পালেগৈ আৰু অফিচৰ পিয়ন সদাক ইছাৰাৰে মাতি আনি তাক দীঘল ৰেজিষ্টাৰ বহীখন লৈ উপস্থিত সদস্যৰ চহী ল'বলৈ নিৰ্দেশ দিলে। সদা আনন্দত থকা সদানন্দই আনন্দ মনেৰে ৰেজিষ্টাৰ বহীখন লৈ প্ৰথমতে সভাপতি মহন্ত প্ৰভুৰ চহী ল'বলৈ গ'ল। কোনো ধৰাবন্ধা নিয়ম নাথাকিলেও এক নম্বৰ স্থানত মহন্ত প্ৰভুৱে সদায় চহী কৰে। অইন কোনো বিশিষ্ট ব্যক্তিয়ে প্ৰথমতে চহী কৰিলেও এক নম্বৰ স্থানত নকৰে, দুই নম্বৰ স্থানতহে কৰে। আজি বহুদিন এই ধৰণেই চলি আহিছে। এতিয়া এইটো এক পৰম্পৰাত পৰিণত হৈছে। বহীত চহী কৰিবলৈ লৈ মহন্ত প্ৰভুৱে দেখিলে বহীত বৈঠকৰ কথা তাৰিখ, সময়, কাৰ্য্যসূচী, উপস্থিত সদস্যৰ চহী ইত্যাদি একো কথাই লিখা হোৱা নাই। সেই কাৰণে মহন্ত প্ৰভুৱে সেইবোৰ লিখি লৈ আহিবলৈ কৈ সদানন্দক নিৰানন্দ প্ৰদান কৰি ওভতাই পঠালে।

প'ডিয়ামৰ আগত থিয় হৈ সম্পাদক ৰাজবংশীয়ে সদৌটিকে সাদৰ সম্ভাষণ জনাই সভাৰ কাম আৰম্ভ কৰিবলৈ বিচাৰিলে আৰু ঋষিৰাজ মহন্তদেৱক মঞ্চলৈ আমন্ত্ৰণ কৰিলে আৰু আজিৰ এই সম্প্ৰসাৰিত শাখা সাহিত্য সভাখনত মহন্তদেৱেই যে পৌৰোহিত্য কৰিব তাকো ঘোষণা কৰিলে। তাৰ লগতে কাৰ্যকৰী সভাপতি, উপ-সভাপতি প্ৰমুখ্যে সকলো বিষয়ববীয়া সকলক মঞ্চত আসন গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে।

নিজৰ গুৰুত্ব বা সভাপতি পদৰ গুৰুত্ব বুজাবলৈয়ে হয়তো অলপ বিলম্ব কৰি আৰু বাকী বিষয়ববীয়া সকলক থিয় হোৱালৈ অপেক্ষা কৰি ধীৰে সুস্থিৰে মহন্ত প্ৰভুৱে আপোন মৰ্য্যাদাৰে থিয় হৈ কোনো ফালে মুখ নুঘূৰোৱাকৈয়ে মঞ্চলৈ গহীন-গম্ভীৰভাবে খোজ ল'লে। মঞ্চত উঠি সভাপতিৰ আসনত বহি পৰিল। ইপিনে আন আন বিষয়ববীয়া সকলে মঞ্চত উঠি দৰ্শকক নমস্কাৰ জনাই উঠি নিজ নিজ আসনত বহিল। জগন্নাথ গোস্বামীয়ে কাণে কাণে কোৱা কথাযাৰৰ পৰা মহন্ত প্ৰভুৰ বুকুত এটা শোকে বিস্তাৰ লাভ কৰিছিল যিটোৰ কাৰণে মঞ্চত উঠি ৰাইজক নমস্কাৰ জনাবলৈ তেখেতে পাহৰি গ'ল। আন কেইগৰাকী ব্যক্তিয়ে নমস্কাৰ জনাই বহি পৰাত— এতিয়া যদি তেখেতে থিয় হৈ নমস্কাৰ জনায় দৃষ্টিকটু হ'ব আৰু অইনেও হাঁহিব। গতিকে সম্বৰ্দ্ধনা অনুষ্ঠানলৈ বাট চাওঁ বুলি ভাবোতে সম্পাদক ৰাজবংশী ডাঙৰীয়াই এটা সৰু বক্তৃতা আৰম্ভ কৰি দিয়াত মহন্তই তীক্ষ্ণ দৃষ্টিৰে সম্পাদকলৈ চালে। সম্পাদক ডাঙৰীয়া বুদ্ধিত বৃহস্পতি, প্ৰভুৰ চাৱনিৰ উদ্দেশ্য 'ডি ক'ড' কৰিবলৈ সময় নালাগিল। লগে লগে নিজৰ চমু ভাষণ শেষ কৰি এতিয়া সভাৰ কাৰ্যসূচী সভাপতিক প্ৰদান কৰো বুলি ঘোষণা কৰি সভাপতিৰ ওচৰলৈ গৈ কাণে কাণে এইখন মিটিং আমাৰ ঘৰুৱা ভিতৰৰ মিটিং কাৰণে সম্বৰ্দ্ধনা অনুষ্ঠান যে ৰখা হোৱা নাই সেই কথা অৱগত কৰিলে। অন্য একো উপায় নেদেখি মহন্ত প্ৰভুৱে এহাতে কৰ্ডলেচ মাইকটো আৰু আনহাতে কাৰ্যসূচীখন হাতত লৈ থিয় হৈ ক'লে— 'জয় জয়তে আপোনাসৱক সাদৰ সম্ভাষণ জনাইছো, এই অভাজনক আজিৰ সভাখনত সভাপতিত্ব কৰাৰ কাৰণে দায়িত্ব অৰ্পণ কৰাত আপোনালোক আটাইৰে ওচৰত কৃতজ্ঞতা জ্ঞাপন কৰিছো আৰু সভাখন চলাই নিয়াত সহযোগিতা আগবঢ়াবলৈ আটাইকে আবেদন জনাইছো— আমাৰ পৰৱৰ্তী কাৰ্যসূচী হ'ল সম্পাদকৰ প্ৰতিবেদন পাঠ। মই সাধাৰণ সম্পাদক শ্ৰীৰাজবংশী ডাঙৰীয়াক প্ৰতিবেদন পাঠ কৰিবলৈ

অনুৰোধ জনালো— শ্ৰীৰাজবংশী।

শ্ৰীৰাজবংশীয়ে প'ডিয়ামৰ সন্মুখত থিয় হৈ যেতিয়া তেখেতৰ লিখিত প্ৰতিবেদন পাঠ কৰি মুখ্য অতিথিৰ ভাষণত তেখেতে এই অভিবৰ্তনখনে অনা নতুনত্বখিনিৰ কথা, বিশ্ব ৰেকৰ্ড কৰাৰ কথা ক'লে, তেতিয়া সকলোৱে জাউৰি জাউৰি হাত চাপৰি মাৰি হৰ্যোল্লাস কৰিলে— একেদৰে যেতিয়া এক কিলোমিটাৰ দৈৰ্ঘ্যৰ বাৰেৰহনীয়া সাংস্কৃতিক শোভা যাত্ৰাটোৰ কথা ক'লে মহন্ত প্ৰভুৰ মুখখন ৰঙা পৰি গ'ল— দৰ্শকৰ হাত চাপৰি আৰু হৰ্যোল্লাস তেখেতৰ কৰ্ণ কুহৰত প্ৰৱেশ নকৰিলে। শেহত যেতিয়া অভিবৰ্তনখনৰ জমা-খৰচৰ খতিয়ান দাখিল কৰি ৰাহি হোৱা ধনৰ সংখ্যাটো ঘোষণা কৰিলে প্ৰত্যেকে হাত চাপৰি আৰু প্ৰশংসাৰে সম্পাদকক ওপচাই পেলালে। এজনৰ পিছত এজন সদস্য উঠি সম্পাদকক যিদৰে প্ৰশংসা কৰিবলৈ ধৰিলে মহন্ত প্ৰভুৰ অস্বস্তিও সিমানেই বাঢ়ি যাবলৈ ধৰিলে। অৱশেষত মহন্ত প্ৰভুৱে প্ৰতিবেদনৰ ওপৰত চলা চৰ্চা সিমানতে বন্ধ ঘোষণা কৰি পৰৱৰ্তী কাৰ্যসূচী ঘোষণা কৰিলে।

পৰৱৰ্তী কাৰ্যসূচী হ'ল— সভাপতিৰ বক্তব্য আৰু মন্তব্য। এইবাৰ মহন্ত প্ৰভুৱে সভাপতিৰ আসনৰ পৰা ধীৰে ধীৰে গুৰু গম্ভীৰ ভাবেৰে প'ডিয়ামৰ সন্মুখলৈ গৈ দুই হাতেৰে মাইক্ৰোফোন দুটা নিজৰ মুখৰ সন্মুখলৈ টানি আনি ঠিক কৰি লৈ এবাৰ ফু মাৰি পৰীক্ষা কৰি লৈ যথাযথ উপস্থিত সদস্যবৃন্দক সম্বোধন কৰি গলগলীয়া কণ্ঠেৰে আৰম্ভ কৰিলে তেখেতৰ বহু আকাংক্ষিত ভাষণ—

'আমাৰ শাখাৰ সাহিত্য সভাৰ অতি গুৰুত্বপূৰ্ণ অভিবৰ্তনখন সফলতাৰে সমাপ্ত হ'ল। আজি আছিল তাৰ পৰ্য্যালোচনা আৰু হিচাপ দাখিলৰ কথা। সম্পাদকে প্ৰতিবেদন পাঠ কৰিলে তাৰ ওপৰত আলোচনাও হ'ল, আলোচনাত সকলোৱে অংশগ্ৰহণো কৰিলে আৰু প্ৰত্যেকে আনন্দ প্ৰকাশ কৰিলে। অভিবৰ্তনখন সুকলমে সুন্দৰভাৱে পাৰ হ'ল— আমি সবেই আনন্দিত। অধিবেশনৰ কথা, ভালদৰে ছপা আৰু বৈদ্যুতিন মাধ্যম দুয়োটাতে বিস্তাৰিতভাৱে প্ৰচাৰ হ'ল তাৰ বাবে আমি গৰ্বিত আৰু গৌৰৱান্বিত। এটা কথা স্পষ্টভাৱে উল্লেখ কৰিবলৈ বিচাৰিছো যে আমি পৰ্য্যালোচনাৰ নামত আত্মশ্লাঘাহে কৰিছো কিন্তু আত্ম সমালোচনা কৰিবলৈ শিকা নাই। ৰাইজৰ পৰা দান-বৰঙণি সংগ্ৰহ কৰিছোঁ, খৰচ কম কৰি ধন ৰাহি কৰাত অধিক গুৰুত্ব আৰোপ কৰিলোঁ আৰু হয়তো সামান্য পৰিমাণৰ খৰচ বৃদ্ধি কৰি কেনেদৰে সভাখন সৰ্বাংগ সুন্দৰ কৰি তুলিব পাৰিলোহেঁতেন সেই কথা চিন্তা নকৰিলো। অৰ্থাৎ কি কৰিলে আৰু কিমানখিনি কৰিলে এখন সৰ্বাংগ সুন্দৰ সভা হৈ উঠিলহেঁতেন সেই কথা অভিজ্ঞ লোকৰ লগত আলোচনা কৰা নহ'ল আৰু তেনে পৰামৰ্শও বিচৰাই নহ'ল, গ্ৰহণ কৰাতো দূৰৰ কথা। আমাৰ শোভা যাত্ৰাটোৰ কথাকে কৈছোঁ— 'সভাপতি সমন্বিতে বিশিষ্ট ব্যক্তি কেইজনক পদযাত্ৰা নকৰাই যদি চাৰি চকীয়া বাহন এখনত ময়ুৰপংখী নাও সজাই তাত বিশিষ্ট ব্যক্তি...'

সভাপতিৰ ভাষণ শুনি শেষৰ শাৰীত বহি থকা জগন্নাথ গোস্বামী আৰু ৰ'ব নোৱাৰিলে। মুখৰ পৰা খকখক কৰি উঠা হাঁহিটো বন্ধ কৰি পিছ দুৱাৰেদি ওলাই ল'ৰ মাৰিলে। তেনেদৰে বাহিৰ ওলোৱা দেখি সদানন্দই 'কি হ'ল' 'কি হ'ল' বুলি চিঞৰি গোস্বামীৰ ওচৰ পালে। গোস্বামীয়ে তাক হাতেৰে ৰ'বলৈ ইংগিত দি উশাহটো ঘূৰাই আনিবলৈ প্ৰয়াস কৰিলে।

দূৰভাষ ঃ ০৯৮৬৪০ ৩৭৪৮৬
ই-মেইল ঃ gangapada@gmail.com